# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

অষ্টম সংখ্যা

২০১৩-১৪ বৰ্ষ

সম্পাদক

ছাদ্দাম হুছেইন



যিসকল পূণ্যাত্মাই নিস্বাৰ্থ সেৱাৰে স্বদেশ আৰু স্বজাতিৰ হকে প্ৰাণ আহুতি দিলে তেওঁলোকৰ সোঁৱৰণত......

— *সম্পাদনা সমিতি*



মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ পতাকা উত্তোলনৰ এটি বিশেষ মুহূৰ্ত

DR. PARIMAL KUMAR DATTA

# খাৰুপেটীয়া মহাবিদ্যালয়

# আলোচনী

KHARUPETIA COLLEGE
ESTD. 1981
KHARUPETIA ● DARRANG ● ASSAM
তমসো মা জ্যোতির্গময়

অষ্টম সংখ্যা

ইং ২০১৩-১৪ বৰ্ষ

দৰং ঃ অসম

তত্বাৱধায়ক
জালাল উদ্দিন আহমেদ

সম্পাদক
ছাদ্দাম হুছেইন

**KHARUPETIA COLLEGE MAGAZINE :** Volume VIII, 2013-14, Published by Kharupetia College Students's Union, Kharupetia, Darrang(Assam).

# খাৰুপেটীয়া মহাবিদ্যালয় আলোচনী

## সম্পাদনা সমিতি

মুখ্য উপদেষ্টা ঃ ড° বুদ্ধিন চন্দ্ৰ হাজৰিকা, অধ্যক্ষ
উপদেষ্টা মণ্ডলী ঃ আব্দুল কৰিম, বিভাগীয় মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ
ঃ ড° নুৰুল ইছলাম, বিভাগীয় মুৰব্বী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
ঃ ড° পৰিমল কুমাৰ দত্ত, বিভাগীয় মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ
ঃ হবিবুৰ ৰহমান, সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ
ঃ আব্দুৰ ৰহিম, বিভাগীয় মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ

তত্ত্বাৱধায়ক ঃ জালাল উদ্দিন আহমেদ, সহযোগী অধ্যাপক, বুৰঞ্জী বিভাগ
সম্পাদক ঃ ছাদ্দাম হুছেইন, আলোচনী সম্পাদক, ছাত্ৰ একতা সভা
সদস্যমণ্ডলী ঃ কনকলতা শইকীয়া, ভাৰপ্ৰাপ্ত উপাধ্যক্ষা আৰু বিভাগীয় মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ
ঃ ড° আচমান আৰা বেগম, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ
ঃ ড° নুৰ জামান বিভাগীয় মুৰব্বী অধ্যাপক, আৰবী বিভাগ
ঃ এচ, এ, ইছলাম, বিভাগীয় মুৰব্বী অধ্যাপক, হিন্দী বিভাগ
ঃ আব্দুল আউৱাল, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ
ঃ জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা, গ্ৰন্থাগাৰিক
ঃ খন্দকাৰ দিলোৱাৰ হুছেইন, উচ্চ বৰ্গৰ সহায়ক
ঃ জিয়াউৰ ৰহমান, উপ-সভাপতি, ছাত্ৰ একতা সভা
ঃ আফজল হক, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা

বেটুপাতৰ পৰিকল্পনা ঃ সম্পাদনা সমিতি
আৰ্হি পাঠ ঃ সম্পাদনা সমিতি

বিশেষ দ্ৰষ্টব্য ঃ শুভেচ্ছাবাণীসমূহ অ-সম্পাদিত ৰূপত প্ৰকাশ কৰা হৈছে। আলোচনীখনৰ কোনো লিখনিয়ে যদি কাৰোবাৰ ব্যক্তিগত জীৱন চুই হৈছে বা অজ্ঞাতবশত নকল লিখনি প্ৰকাশ পাইছে তাৰ বাবে সম্পাদনা সমিতি দায়ী নহ'ব।

ছপা ঃ পাৰামাউণ্ট অফচেট, বৰদৌলগুৰি, দৰং (ভ্ৰাম্যভাষ ঃ ৯৮৫৪০৪৬৩৮৩)



## মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ —



খাৰুপেটীয়া মহাবিদ্যালয়ৰ অষ্টম সংখ্যা ২০১৩-১৪ বৰ্ষৰ আলোচনীখনি আমাৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীবৃন্দৰ সৃষ্টিশীল ৰচনা ৰাজিৰ সংকলন। মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী খনতেই সাধাৰণতে বহু সাহিত্যিকৰ সৃষ্টিৰ অংকুৰণ হয়। দৰং জিলাৰ সাহিত্য সংস্কৃতিৰ উত্তৰণত খাৰুপেটীয়া মহাবিদ্যালয়ৰ আলোচনীখনো এক ক্ষুদ্ৰ সংযোজনৰূপে প্ৰতীয়মান হওঁক তাৰেই আশা ৰাখি ছাত্ৰ-ছাত্ৰী সকলৰো উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা

## FILE PHOTO : EDITORIAL BOARD, COLLEGE MAGAZINE, 2013-14



Dr. Buddhin Ch. Hazarika
Principal
(Chief Advisor)



Abdul Karim
HoD, History
(Advisor)



Dr. Nurul Islam
HoD, Pol.Science
(Advisor)



Dr. Parimal Kr. Datta
HoD, Sanskrit
(Advisor)



Habibur Rahman
Asstt. Prof.
(Advisor)



Abdur Rahim
HoD, English
(Advisor)



Kanaklata Saikia
Vice Principal i/c
HoD, Assamese (Member)



Dr. Asman Ara Begum
Associate. Prof.
(Member)



Dr. Nur Zaman
HoD, Arabic
(Member)



S.A. Islam
HoD, Hindi
(Member)



Abdul Awal
Asstt. Prof.
(Member)



J. M. Dev Sarma
Librarian
(Member)



K.D. Hussain
UDA
(Member)



Ziaur Rahman
V.P, Students' Union
(Member)



Afzal Hoque
G.S., Students' Union
(Member)



**Jalal Uddin Ahmed**
Associate. Prof.
**(Magazine Incharge)**



**Saddam Hussain**
**Magazine Secretary**
Students' Union



## — শ্ৰদ্ধাঞ্জলি —

যি সকল বৰেণ্য ব্যক্তিৰ নিঃস্বাৰ্থ ত্যাগ
আৰু আশাসুধীয়া প্ৰচেষ্টাত এই মহাবিদ্যালয়খনিয়ে
প্ৰতিষ্ঠা লাভ কৰি বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেৰে আহি উন্নতিৰ
এই অৱস্থাত উপনীত হ'ল সেই সকললৈ আমি আলোচনী সম্পাদনা সমিতিৰ
তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ।
লগতে বিগত দিনবোৰত এই অনুষ্ঠানৰ শুভাকাংক্ষী যি সকল গুণী,
জ্ঞানী ব্যক্তি ইহ জগতৰ পৰা চিৰ বিদায় ল'লে
সেই সকললৈও অশ্ৰুসিক্ত
শ্ৰদ্ধাঞ্জলি যাঁচিছো।

—সম্পাদনা সমিতি

# — উচৰ্গা —

## খাৰুপেটীয়া মহাবিদ্যালয়খনিক

সৰ্বাঙ্গসুন্দৰভাৱে গঢ়িতোলাৰ ক্ষেত্ৰত
সহায় আগবঢ়োৱা মহানুভৱসকল,
আলোচনীখন প্ৰকাশৰ প্ৰচেষ্টাত
নিঃস্বাৰ্থভাৱে সহায় আগবঢ়োৱা সকল,
মহাবিদ্যালয়ৰ শুভাকাংক্ষী
তথা সমূহ ছাত্ৰ-ছাত্ৰীৰ
হাতত খাৰুপেটীয়া মহাবিদ্যালয়ৰ

## আলোচনীখন

## উচৰ্গা কৰিলোঁ।

— সম্পাদনা সমিতি



**বসন্ত দাস**
ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)
অসম

সত্যমেৱ জয়তে

মীন, জনসংযোগ, মুদ্ৰণ
আৰু লেখন সামগ্ৰী বিভাগ
ফোন নং ঃ (০৩৬১)-২২৩৭০৫৮ (কাৰ্য্যালয়)



## শুভেচ্ছাবাণী

দৰং জিলাৰ অন্যতম শিক্ষা প্ৰতিষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনি বিগত বৰ্ষকেইটিৰ দৰে এইবাৰো ছাত্ৰ একতা সভাৰ সহযোগত প্ৰকাশ কৰাৰ প্ৰস্তুতি চলিছে বুলি জানিবলৈ পাই আনন্দিত হৈছো।

ব্যৱসায়িক ক্ষেত্ৰ খাৰুপেটীয়াৰ দৰে গ্ৰাম্য চহৰত অৱস্থিত খাৰুপেটীয়া মহাবিদ্যালয়ে দৰং জিলাৰ বৌদ্ধিক উৎকৰ্ষ সাধনত বিশেষ বৰঙণি আগবঢ়াই আহিছে। সহস্ৰজন ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় খনিৰ পৰা নিৰ্গত হোৱা জ্ঞান ৰশ্মিতে স্নান কৰি মানৱ সম্পদ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈ আহিছে। আজিৰ এই শুভ মূহুৰ্তত মহাবিদ্যালয়খন প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে আশাসুধীয়া প্ৰচেষ্টা অব্যাহত ৰখাত প্ৰয়াত আৰু বৰ্তমানৰ শিক্ষাগুৰু, কৰ্মচাৰী, হিতাকাঙ্খী সকলোকে সোঁৱৰণ কৰি অশেষ শ্ৰদ্ধা নিবেদন কৰিছোঁ।

ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰতিভা বিকাশৰ লগত মহাবিদ্যালয়খনৰ বৰ্ণিল ইতিহাস যুগমীয়া কৰি তোলাৰ ক্ষেত্ৰত বিশেষ স্বাক্ষৰ বহন কৰিব পৰাকৈ প্ৰকাশ পাবলগীয়া বাৰ্ষিক আলোচনীখন সকলোৰে আদৰ বুটলিবলৈ সক্ষম হ'ব বুলি আশা ৰাখি অশেষ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

ধন্যবাদেৰে—

(বসন্ত দাস)
মীন, জনসংযোগ, মুদ্ৰণ আৰু লেখন
সামগ্ৰী বিভাগ
অসম, চৰকাৰ

*Md. Ilias Ali*
Parliamentary Secretary.
Assam

सत्यमेव जयते



## শুভেচ্ছাবাণী

মই অতি আনন্দিত যে, বিগত বছৰবোৰৰ দৰে চলিত বছৰতো খাৰুপেটীয়া মহাবিদ্যালয়খনৰ শিক্ষক তথা ছাত্ৰ সমাজৰ প্ৰতিভা বিকাশৰ বাবে সম্পাদনা সমিতিয়ে নতুন আলোচনী প্ৰকাশৰ প্ৰস্তুতি হাতত লৈছে।

ক্ৰমাগতভাৱে বিগত বছৰ কেইটাত মহাবিদ্যালয়খনৰ আলোচনীৰ পাতত উন্নত মানৰ লিখনি প্ৰকাশ কৰি থকা পৰিলক্ষিত হৈছে, এই প্ৰয়াস নিশ্চয়কৈ প্ৰশংসনীয়। আশা কৰিছো চলিত বছৰৰ আলোচনীৰ পাতত মহাবিদ্যালয় পৰিয়ালে অধিক উন্নত মানৰ লিখনিৰ জৰিয়তে বৌদ্ধিক সমাজৰ প্ৰশংসা বুটলিব।

সম্পাদনা সমিতিয়ে আলোচনীখন সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ কৰিবলৈ সক্ষম হওঁক তাৰে কামনা কৰিলোঁ।

(মঃ ইলিয়াছ আলী)



# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয়ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট - ৭৮৫০০১

পদুম ৰাজখোৱা
সহকাৰী সম্পাদক
নগাঁও আঞ্চলিক কাৰ্যালয়

## শুভেচ্ছাবাণী

দৰং জিলাৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০১৩-১৪ বৰ্ষৰ আলোচনীখন অলপতে প্ৰকাশ হব বুলি জানিব পাৰি আনন্দ পালো। আলোচনীখনৰ জৰিয়তে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য প্ৰতিভা প্ৰকাশ হ'ব বুলি আশা কৰিলোঁ। এখন তথ্য সমৃদ্ধ সুন্দৰ আলোচনী প্ৰকাশ হোৱাৰ বাবে মই আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনালোঁ।

(ইমৰান শ্বাহ)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
**Vice Chancellor**
Phone : +91 361 2570412(O), 2570408(R)
Fax : +91-361-2675515
Email ID : hazarika50@gmail.com
vc_gu@yahoo.in

## MESSAGE

I am happy to learn that Kharupetia College, Darrang is going to publish its annual magazine for the session 2013-14 very soon. College magazine is a strong medium for the constituent member of a college for intellectual exercise. It carries, sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a gives time.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

**(Mirdul Hazarika)**



## MESSAGE

It gives me immense pleasureto express my heartfelt feelings for the present issue of Kharupetia College Magazine. Both in contents and look it has been developed magnificently. It is a mirror that reflects various literary and non-literary activities of the college. The teachers as well as the students contribute write-ups for the magazine every year which express their creative interest in different spheres of life, besides research and studies respectively. However, the 'advancement of knowledge' is taking place by the process of continuous development of human mind, which is also considered the ultimate goal of education.

My best wishes for the faculty members, administrators and students of this temple of higher learning for their relentless efforts in fulfilling their dreams of making this college a centre of academic excellence.

Thanks

**Subhas Saha**
**President G.B.**
**Kharupetia College**

# MESSAGE

It gives me immense pleasure to know that Kharupetia College Student Union is going to publish its Annual Magazine which is the mouth piece of the college. The Magazine is to be published in the name and style of "Kharupetia College Magazine."

The college Magazine is the only way to promote and express the hope and aspiration as well as creative thinking of the students. The Magazine may be regarded as "Knowledge of virtue, which is like a pickles mountain."

I convey my best wishes for splendid success and publication, so that student may able to express their inner talent.

(ABDUL MAZID)
Ex-President
Kharupetia College Governing Body



# তত্ত্বাৱধায়কৰ এষাৰ



'সাহিত্য জাতিৰ দাপোন'

সাহিত্যৰ উৎপত্তিৰ প্ৰস্তাৱনাত উল্লেখিত ধৰণে কব পাৰি যে ভাষা নোহোৱাকৈ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। কিন্তু সাহিত্য নোহোৱাকৈ ভাষা থাকিব পাৰে।

প্ৰত্যেক জাতিৰেই নিজস্ব ভাষা আছে আৰু সেই ভাষাৰ মাধ্যমত জাতিৰ সাহিত্য গঢ়ি উঠে। ভাষাবৃক্ষৰ সাহিত্য সৌৰভময় পুষ্প স্বৰূপ। জাতীয় সাহিত্য জাতিৰ আশা-আকাংক্ষা, আনন্দ-বেদনা আৰু ভাব-কল্পনা প্ৰকাশৰ থল। সাহিত্যৰ যোগেদি জাতিৰ মানসিক বিকাশ, সৌন্দৰ্য্যবোধৰ ধাৰা লক্ষ্য কৰা যায় আৰু অতীত বৰ্তমানৰ পৰিচয় আৰু ভৱিষ্যত জীৱনৰ সম্ভাৱনাৰ ইঙ্গিতো পোৱা যায়। কোনো জাতিৰ শিক্ষা-দীক্ষা, কলা-সংস্কৃতি আৰু সমাজৰ প্ৰকৃত পৰিচয় লাভ কৰিবলৈ সেই জাতিৰ সাহিত্যৰ অধ্যয়ন অপৰিহাৰ্য।

আনহাতে সংস্কৃতি সকলো জাতিৰে জীৱনৰ ধাৰা। কোনো এটা জাতিৰ পৰিচয় প্ৰকাশ পায় সেই জাতিটোৰ সংস্কৃতিৰ জৰিয়তে। সকলো ক্ৰমোন্নতিশীল জাতিৰ জাতীয় সম্পদ বুলিলে বুজিব লাগিব সেই জাতিসমূহৰ ভাষা, সাহিত্য, ধৰ্ম, ৰীতি-নীতি, সুকুমাৰ কলা, স্থাপত্য-ভাস্কৰ্য্য আদিক। সংস্কৃতিৰ উৎস হ'ল মানুহৰ সৌন্দৰ্য্যবোধ, স্বজন, প্ৰতিভা, মানসিক উৎকৰ্ষ ইত্যাদি। এই কেইটা কথাৰ ওপৰতে মানুহৰ অনেক কথা নিৰ্ভৰ কৰে। মানসিক উৎকৰ্ষৰ ফলত মানুহে জীৱন-যাপনৰ পদ্ধতি উচ্চ কৰিব পাৰে। সৌন্দৰ্য্যবোধ বা সৃষ্টি প্ৰতিভাৰ ফলত মানুহ এজনৰ আভ্যন্তৰীণ মনৰ খবৰ পাব পাৰি। এনেদৰেই সৃষ্টি হয় সংস্কৃতিৰ।

আলোচনী এখন অনুষ্ঠানটিৰ দাপোন স্বৰূপ। আলোচনীখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক প্ৰতিভা আৰু বৌদ্ধিক দিশত জাগ্ৰত হবলৈ পূৰ্ণ সুযোগ পোৱা যায়। কোনো এখন শিক্ষা অনুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত আলোচনীয়ে সদায় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। আলোচনী বিলাকত বিভিন্ন লিখনি সমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাৰ পূৰ্ণতা বিকাশ আৰু সৃষ্টিশীলতাৰ পৰিচয় প্ৰকাশ পোৱাত সহায়কৰ আহিলাস্বৰূপ। আলোচনী বিলাকত ছাত্ৰ-ছাত্ৰীসকলৰ লিখনিৰ জৰিয়তে

সাহিত্য চৰ্চা কৰিবলৈ উৎসাহ যোগোৱাৰ উপৰিও তেওঁলোকৰ চিন্তা-চৰ্চাৰ এখন বহল ক্ষেত্ৰ হিচাপে সুযোগ আনি দিয়ে।

মহাবিদ্যালয়ৰ আলোচনী এখন সম্পাদনা কৰি প্ৰকাশ কৰাৰ ক্ষেত্ৰত কিমান জটিল কাম সেইটো সকলোৰে বোধগম্য কাৰণ আমাৰ এই পিছপৰা অঞ্চলৰ অনুষ্ঠানটিৰ ছাত্ৰ-ছাত্ৰীসকলৰ লিখা-মেলাৰ অভ্যাস অতিকে তাকৰ। তথাপি ছাত্ৰ-ছাত্ৰীসকলৈ বিভিন্ন সময়ত জাননীৰ জৰিয়তে তাগিদা দিয়া সত্ত্বেও সময়মতে পৰ্যাপ্ত সংখ্যক লিখনি সম্পাদনা সমিতিৰ হাতত জমা হোৱা নাছিল। আনহাতে সকলোবোৰ লিখনি উপযুক্ত ও উন্নত মানদণ্ডৰ লেখিয়াকৈ নোপোৱাত সময়মতে এই সংখ্যাটি প্ৰকাশ কৰি উলিওৱাটো সম্ভৱ হৈ নুঠিল। তথাপিতো বিভিন্ন বাধা-বিঘিনী আওকান কৰি আলোচনীখন প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হ'ল যদিও আলোচনীখন দোষ-ক্ৰটি মুক্ত পূৰ্ণাঙ্গ আলোচনী হ'ব বুলি আমি দাবী কৰাৰো থল নাই।

সম্পাদনা সমিতিৰ যৎপৰোনাস্তি চেষ্টাৰ পিছতো আলোচনীখনত দুই-চাৰিটা ভুল-ক্ৰটি ৰৈ যোৱা স্বাভাৱিক। তথাপিও আলোচনীখনৰ এই সংখ্যাটিয়ে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰিব পাৰিলে আমাৰ সম্পাদনা সমিতিৰ পৰিশ্ৰম ফলপ্ৰসূ হ'ব বুলি অনুভৱ কৰিছোঁ।

অৱশেষত আলোচনীখন প্ৰকাশ কৰাৰ বাবে সাজু কৰি উলিওৱাত আলোচনী সম্পাদনা সমিতিকে আদি কৰি বিভিন্নজনে আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। বিশেষকৈ সম্পাদনা সমিতিৰ মুখ্য পৃষ্ঠপোষক মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱ। উপদেষ্টা মণ্ডলী ক্ৰমে অধ্যাপক পৰিমল কুমাৰ দত্ত, আব্দুল কৰিম, নুৰুল ইছলাম, আব্দুৰ ৰহিম আৰু সদস্য-সদস্যা অধ্যাপিকা তথা ভাৰপ্ৰাপ্ত উপাধ্যক্ষা কনকলতা শইকীয়া, ড০ আচমান আৰা বেগম, মিচিৰা পাৰবিন, অধ্যাপক নুৰজামান, আব্দুল আউৱাল, ছিকদাৰ আনোৱাৰুল ইছলাম, গ্ৰন্থগাৰিক জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা আৰু কাৰ্যালয়ৰ জ্যেষ্ঠ উচ্চ বৰ্গৰ সহায়ক খন্দকাৰ দিলোৱাৰ হুছেইন আদি সকলো সদাশয় ব্যক্তিয়ে সৰ্বান্তকৰণে সহায়-সহযোগিতা আগবঢ়োৱা কাৰণে তেখেতসকলক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয় আলোচনী বিভাগৰ সম্পাদক ছাদ্দাম হুছেইনৰ সহযোগিতা আৰু সক্ৰিয় ভূমিকাৰ বাবে ধন্যবাদ জনালোঁ আৰু মহাবিদ্যালয়ৰ আলোচনীখনত যিসকলৰ মূল্যবান লেখনিবোৰে আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰাত সহায় কৰিলে তেখেতসকলকো ধন্যবাদ জ্ঞাপন কৰিলোঁ আৰু আগন্তুক দিনবোৰতো তেখেতসকলৰ লিখনিসমূহ যাতে প্ৰকাশিত হ'ব পাৰে তাৰে কামনা কৰিলোঁ।

সৰ্বশেষত খাৰুপেটীয়া মহাবিদ্যালয়ৰ আগন্তুক দিনত প্ৰকাশ হ'বলগীয়া আলোচনীখনৰ সৌষ্ঠৱ শ্ৰীবৃদ্ধি হওঁক তাৰে কামনা কৰিলোঁ। লগতে আলোচনীখন ছপা কৰাৰ ক্ষেত্ৰত বৰদৌলগুৰিস্থ পাৰামাউন্ট অফছেটৰ স্বত্বাধিকাৰী প্ৰমুখে সকলো কৰ্মকৰ্তালৈ শলাগ যাচিলোঁ।

জালাল উদ্দিন আহমেদ
তত্ত্বাৱধায়ক



# সম্পাদকীয়—



জীৱনত
কেতিয়াও
পাহৰিব নোৱাৰোঁ.................?
সেই সঁহাৰিৰ কথা
আপোনালোকৰ যিকণ সহায়-সহযোগ, দিহা-পৰামৰ্শই কৃতজ্ঞ কৰিলে মোক।

অধ্যক্ষ ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰ, আলোচনী বিভাগৰ তত্ত্বাৱধায়ক জালাল উদ্দিন আহমেদ ছাৰ প্ৰমুখ্যে আব্দুল কৰিম (মুৰব্বী অধ্যাপক, বুৰঞ্জী), নুৰ জামান (মুৰব্বী অধ্যাপক, আৰবী), ড০ পৰিমল কুমাৰ দত্ত (মুৰব্বী অধ্যাপক, সংস্কৃত), এছ.এ. ইছলাম (মুৰব্বী অধ্যাপক, হিন্দী), কনকলতা শইকীয়া (মুৰব্বী অধ্যাপিকা তথা ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভানেত্ৰী), আব্দুৰ ৰহমান (মুৰব্বী অধ্যাপক, অংক), দীপক কলিতা (মুৰব্বী অধ্যাপক, অৰ্থনীতি), ড০ আছমানআৰা বেগম, জে. এম. দেৱ শৰ্মা, আব্দুৰ ৰহিম, হবিবুৰ ৰহমান, খন্দকাৰ দিলোৱাৰ হুছেইন আলোচনী সম্পাদনা সমিতিলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ লগতে আব্দুল হান্নান, ড০ আমজাদ হুছেইন মজুমদাৰ, আব্দুল ওৱাহিদ, ড০ মিজানুৰ ৰহমান, আবুল বাসাৰ আহমেদ, আব্দুল আজিজ, ৰুকুনউদ্দিন, জাহিদা চুলতানা, মৌচুমী সাহা কলিতা, মিচিৰা পাৰবিন বাইদেউৰ লগতে সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দ সকললৈ কৃতজ্ঞতা যাচিলোঁ।

ছাত্ৰ একতা সভাৰ বিষয়ববীয়া বিশেষকৈ জিয়াউৰ ৰহমান (উপসভাপতি) আফজল হক (সাঃ সম্পাদক)।

বন্ধু-বান্ধৱী- জিল্লুল হক, হাফিজুৰ ৰহমান, দিদাৰ হুছেইন, আছিয়া বেগম, জাহিদা বেগম, মৰ্জিনা বেগম, ছাইফুল ইছলাম, মুছা আলী, আশ্ৰফ আলী, নজৰুল হক, ববী, মকিবুৰ, বিটু, ৰফিকুল ইছলাম, মফিদা বেগম, মুস্তাক হুছেইন, আৰিজুল, আমজাদ, নিলিমা, ওৱাহিদা, ছফিউল্লাহ, গাফাৰ, শ্বহীদুল, নুৰেদা, মিজানুৰ, আছৰ, বাবুল, ইয়াচিন, ইছমিনাৰা, মোবাৰক, মুক্তাৰ, জাকিৰ, শ্বহৰ, আব্বাছ (দাদা), মুৰ্শ্বিদ আলম (দাদা), হাবেজ, ছফিউৰ লগতে বৰদৌলগুৰিস্থ (দৰং) পাৰামাউন্ট অফছেটৰ স্বত্তাধিকাৰী মঃ ফজলুৰ ৰহমান ফাইজ প্ৰমুখ্যে সমূহ কৰ্মচাৰীবৃন্দলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

<u>আলোচনী সম্পাদকৰ প্ৰতিবেদন</u>

<u>আৰম্ভণি</u> ঃ প্ৰতিবেদনৰ আৰম্ভণিতে আল্লাহৰ নাম স্মৰণ কৰি সেই সকল ব্যক্তিক শ্ৰদ্ধা জনাব বিচাৰিছোঁ যিসকলৰ চিন্তা, ত্যাগ আৰু দূৰদৰ্শী মনোভাৱৰ বাবে মহাবিদ্যালয়খনিৰ আজি এই পৰ্যায়লৈ উত্তৰণ ঘটিছে। মহাবিদ্যালয়খনিৰ ভেটি নিৰ্মাণৰ অৰ্থ সংগ্ৰহৰ বাবে ইমূৰৰ পৰা সিমূৰলৈ ভ্ৰমি ফুৰা আৰু কায়িক ভাবে সহায়-সহযোগ আগবঢ়োৱা সকললৈ মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো।

কাৰ্যকালৰ বিৱৰণ ঃ খাৰুপেটীয়া মহাবিদ্যালয়ৰ নিচিনা মহাবিদ্যালয়ত ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ এজন বিষয়ববীয়া হৈ ছাত্ৰ-ছাত্ৰীক অকণমান সেৱা কৰাটো মোৰ বাবে সৌভাগ্যৰ বিষয়। ২০১৩ চনৰ অক্টোবৰ মাহৰ ৯ তাৰিখে ছাত্ৰ একতা সভা নিৰ্বাচনত মই আলোচনী সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ বিভাগত নিৰ্বাচিত হওঁ। ২০১৩ চনৰ নৱেম্বৰ মাহৰ ৯ তাৰিখে আল্লাহৰ নামত শপত লৈ কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

মই কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অন্যান্য বছৰৰ দৰে এইবেলিও বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, ফাতিহা-ই-দোৱাজ-দহমৰ লগতে গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস আৰু নৱাগত আদৰণী সভা আদি অনুষ্ঠানবোৰ সু-পৰিকল্পিত ভাৱে পাৰ কৰা হয়।

ছাত্ৰ-ছাত্ৰীৰ কৰণীয় ঃ ছাত্ৰই হ'ল দেশৰ ভৱিষ্যত। সেইবাবে আমি প্ৰত্যেকেই কব খোজো যে আমি পৰিৱৰ্তন হৈছো

দ্ৰুতগতিত, পৰিৱৰ্তন হৈছে আমাৰ সমাজ ইত্যাদি। হয় ঠিকেই আমি পৰিৱৰ্তন হৈছো। কিন্তু কেনে ধৰণৰ পৰিৱৰ্তন হৈছো আমি নিজেই কব নোৱাৰো। এই পৰিৱৰ্তন পোহৰৰ নে অন্ধকাৰৰ। আধুনিক সাজ-পোছাকেৰে সজালেই নিজকে পৰিৱৰ্তন কৰা নুবুজায়। সলনি কৰিব লাগিব আমাৰ মানসিকতা, আমাৰ চিন্তা আৰু চেতনাৰ। ভাল কামৰ কাৰণে যিকোনো পৰিস্থিতিৰ লগতে মুখামুখি হবলৈ সদায় প্ৰস্তুত কৰি তুলিব লাগিব নিজকে। আজিৰ ছাত্ৰই কাইলৈ দেশৰ সু-নাগৰিক। আমি যি ভাবো সেয়া আমি কৰিব পাৰো কিন্তু সেই কামটো হোৱা উচিত যিটো কামে নিজৰ লগতে আন দহজনৰো মঙ্গলৰ বাবে হয়। যিবোৰ কামে আমাক জীয়াই ৰাখে যুগ-যুগান্তৰৰ বাবে আমি তেনে ধৰণৰ কাম কৰা উচিত।

সংঘাত ? কাৰ জীৱনত নাই। সংঘাত নহলে নিজৰ ভুল স্বীকাৰ কৰি পথ সলনি কেনেকৈ কৰিব।

আমি পলে পলে এটা কথা বিশ্বাস কৰোঁ যে ভোগবাদী সকল এদিন সময়ৰ সোঁতত হেৰাই যাব। কিন্তু যিসকলে ভাল কামৰ কাৰণে নিজকে উৎসৰ্গিত কৰিব সেই সকল জীয়াই থাকিব চিৰদিনৰ বাবে। ভাল চিন্তা আমি কৰিব পাৰোঁ, আমাৰ ছাত্ৰ-ছাত্ৰী সকলেও কৰিব পাৰে। কিন্তু আমাৰ পৰিকল্পিত আঁচনি নথকাৰ বাবেই হয়তো আমি আগবাঢ়িব নোৱাৰো নিজ লক্ষ্যৰ অভিমুখে। এই ক্ষেত্ৰত ডেলকাৰ্নেগীয়ে কথা এষাৰ কৈছে - "এটাই মাত্ৰ উদ্দেশ্যৰ প্ৰতি সজ্ঞান একাগ্ৰতা থাকিলে সাৰ্থকতা তোমাৰ এদিন নহয় এদিন নিশ্চয় আহিবই"। আমাৰ বেছি ভাগ দুচিন্তা আৰু দুৰ্দশাৰ কাৰণ হৈছে আমাৰ মাজৰ বহুতেই নাজানে যে কোনটো কাম আমি ভাল পাওঁ কোনটো কাম আমি কৰিব পাৰোঁ। যিটো কাম আমি পছন্দ নকৰোঁ, সেই কামত নিস্ফল ভাবে জীৱনৰ মূল্যৱান সময়বোৰ নষ্ট কৰোঁ পৰিকল্পনা নকৰাকৈ কোনো লক্ষ্যত উপনীত হব নোৱাৰি। সাফল্য অৰ্জন কৰিবলৈ হলে আমি এটা লক্ষ্য ঠিক কৰি লব লাগিব। আৰু সেই লক্ষ্যৰ অভিমুখে গৈ থাকিলে এদিন নহয় এদিন আমি সফল হমেই।

**আলোচনী প্ৰকাশৰ সম্পৰ্কে ঃ** আলোচনী এখন হ'ল মহাবিদ্যালয়ৰ প্ৰতীক। আলোচনী খনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ হয়। যিসকল ছাত্ৰ-ছাত্ৰীৰ গল্প, প্ৰবন্ধ, কবিতা আদি প্ৰকাশ নাপালে তেওঁলোকৰ ওচৰত মই ক্ষমাপ্ৰাৰ্থী। আলোচনী সম্পাদক হোৱাটো ডাঙৰ কথা নহয়, সম্পাদক হৈ আলোচনী এখন সু-সজ্জিত ভাবে সজাই ছাত্ৰ-ছাত্ৰীৰ আগত উন্মোচন কৰাটো ডাঙৰ কথা। আলোচনীখনৰ বাবে লেখা বিচাৰি হাবাথুৰি খাব লগা হয়। যি কেইটা পাইছো সেয়াওঁ উন্নত মানদণ্ডৰ নহয়। কাৰণ ছাত্ৰ-ছাত্ৰীৰ লিখনিৰ অভাৱ। ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি থকা উদাসীন মনোভাৱে চিন্তিত অৱস্থাত পেলাইছিল তথাপিও মই নিজকে হতাশ হবলৈ দিয়া নাছিলো। বহুবাৰ জাননী দিয়াৰ পাছতো বহুতক ব্যক্তিগত ভাবে লগ ধৰি লিখনিৰ বাবে আমনি কৰিছোঁ। ফোন কৰি লেখনিৰ বাবে আমনি কৰিছোঁ। কিছুমানে আকৌ অভিযোগ কৰিছিল যে লিখনি জমা দিয়া অন্তিম তাৰিখৰ বিষয়ে তেওঁলোকে নাজানে, গতিকে সেই সকলক মই কব বিচাৰিম যে কোনো ধৰণৰ কামত যাতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে অন্তিম তাৰিখ কোন দিনা বুলি নোসোধে।

**সামৰণি ঃ** আলোচনী খন প্ৰকাশৰ ক্ষেত্ৰত সম্পাদনা সমিতিয়ে যৎপৰোনাস্তি ত্ৰুটি কৰা নাই বুলিয়েই ভাবো। এবছৰীয়া কাৰ্যকালৰ ভিতৰৰ পৰা সকলো কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাৰ লগতে আলোচনী প্ৰকাশৰ ক্ষেত্ৰত মোক বিভিন্ন ধৰণে সহায়-সহযোগ, দিহা-পৰামৰ্শ আগবঢ়োৱা সকলোলৈকে মই মোৰ তৰফৰ পৰা আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে আলোচনী সম্পাদনা সমিতিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

শেষত আমি ভুল শব্দৰ পৰা আঁতৰি থাকিবলৈ পাৰ্যমানে চেষ্টা কৰিছিলো তথাপিও ক'ৰবাত কিবা ভুল-ভ্ৰান্তি হৈ যাব পাৰে তাৰ বাবে ক্ষমা বিচাৰি মই মোৰ বছৰেকীয় প্ৰতিবেদনৰ অন্ত পেলাইছো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

শ্ৰদ্ধাৰে—

**ছাদ্দাম হুছেইন**
আলোচনী সম্পাদক



# সূচীপত্ৰ

**প্ৰবন্ধ—**

মালালা ইউছুফজাই আৰু শান্তিৰ ন'বেল পুৰস্কাৰ-মাহবুবুল আলম-১৯।। — ইছলাম আৰু অৰ্থনৈতিক ন্যায়- ড০ নুৰ জামান-২৩।। — ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত শিক্ষক আৰু অভিভাৱকৰ ভূমিকা-মেছেৰ আলী-২৫।। — ভাৰতৰ মোগল ৰাজত্বত নুৰজাহানৰ ভূমিকা- ৰেকিবুৰ ৰহমান-২৭।। — দিল্লীৰ সিংহাসনত বহা প্ৰথমগৰাকী মহিলা- ছামছুদ্দিন সৰকাৰ-২৮।। — কাৰিকৰী শিক্ষা ব্যৱস্থা আৰু সমাজ-ইমদাদুল হক-৩০।। — যিখন উপন্যাসৰ মোহ আজিও এৰিব পৰা নাই -মিৰজিনা বেগম-৩১।। — সাম্প্ৰদায়িকতা, মানুহৰ চিন্তা, কিছু স্বাৰ্থপৰতা ইত্যাদি- হাছেন আলী- ৩২।। — ৰাষ্ট্ৰীয় সেৱা আঁচনি-ইমৰাণ আলী-৩৪।। — আন্তৰ্জাতিক নাৰী দিৱস- খণ্ডকাৰ দেলোৱাৰ হুছেইন-৩৬

**গল্প—**

প্ৰেমৰ এক অবুজ শিহৰণ-ছাদ্দাম হুছেইন-৩৮।। — 'মনালিছা' সেই বিখ্যাত ছবিখন- নুৰেদা বেগম-৪০।। — মোৰ বন্ধু-বান্ধৱী-মফিদুল ইছলাম খলিফা-৪১ — গোৱালপৰীয়া লোকগীতত পৰকীয়া প্ৰেম- কনকলতা শইকীয়া-৪৩।। — মা'ৰ সৌন্দৰ্য- কুঞ্জলতা ডেকা- ৪৫।। — ম'বাইল টাৱাৰৰ — পাহৰিব নোৱাৰো- হামিদুল ইছলাম-৪৫।। — 'মা'ৰ সৌন্দৰ্য- কুঞ্জলতা ডেকা- ৪৫।। — ম'বাইল টাৱাৰৰ বিকিৰণ আৰু ইয়াৰ প্ৰভাৱ- ফাৰুক ইজাজ- ৪৭।। — প্ৰেম- মোজাম্মিল হক-৪৯।। — নেদেখা বাঁহীৰ সুৰ- ছাইমা বেগম-৫৪।। — বাস্তৱ- হামিদুৰ ৰহমান- ৫৬।।

**নাটক—** কৃত্ৰিম প্ৰেমৰ পৰিণাম- আবিজুল হক- ৫৮

**গল্প—**

মনৰ বেদনা- অবিৰ আলী-৬০।। — 'কাৰেঙৰ লিগিৰী' নাটকৰ সংঘাত-মিচিৰা পাৰৱিন-৬৩।।

কবিতা—

ভিন্ন হৃদয়- ৰেজাউল হক-৬৬।। — প্ৰত্যাহ্বান- শ্বাহালম চৌধুৰী-৬৬।। — এখন ঘৰ সজাৰ সপোন আছিল- মুকুন্দ কলিতা-৬৭।। — শৰতৰস্কেছ- ডঃ আছমান আৰা বেগম-৬৭।। — প্ৰত্যাশা- জয়নাল আবেদিন-৬৮।। — মোৰ পঁজা ঘৰ- ছাইফুল ইছলাম-৬৮।। — আশা-৬৮।। — চৰিত্ৰ- মিনাৰা বেগম- ৬৮।। — আমাৰ অসম- ইব্ৰাহিম আলী-৬৯।। — কলেজ-জিয়াৰুল হক-৬৯।। — প্ৰেম তুমি আৰু মই- আমজাদ আলী-৬৯।। — বিচাৰিছোঁ সঁচা মানুহ- ছাদ্দাম হুছেইন-৭০।। — শিক্ষাৰ কিৰণ-নাছিৰুদ্দিন-৭০।। — মা- আছিয়া খাতুন-৭০।।

## ENGLISH SECTION

Human Right and Ethnic Violence : Nazir Hussain Sarkar, Dr. Parimal Kr. Datta-71–Smile: Saddam Hussain-77 – A Spotlight NRHM in changing rural life of Assam : Abdul Aziz- 78 – The progress of Scientific thought in the history of English Literature : Mala Chakrabarti-79 – Plight of Minorities in India and Govt. Welfare Schemes : Dr. Nurul Islam, Dr. Rukan Uddin Ahmed-81 – Management : Hamidur Rahman- 86 – Feelings : Rukanuddin Ahmed- 86

## HINDI SECTION

डॉ वाणीकान्त काकति और आचार्य रामचन्द्र शुल्कजी का एक तुलनामूलक अध्ययन- मोस्ताफा नुरउज जामान-87– मोहब्बत- खालेदा इयासमिन-90 – माँ-सुनीत सिंह-90 – सिर्फ इतनी सी बात- श्वाहालम चौधुरी-91– हमारा असम- विराजुल हक-93– सुख-दुःख- साद्दाम हुसैन-93 – हृदयाभिलाषा- श्वाहालम चौधुरी-94 – कुछ अनाड़ी पंक्तियों की-94

অন্যান্য—

ছাত্ৰ একতা সভাৰ সম্পাদকীয় প্ৰতিবেদন- ৯৫-১০৮
আলোকচিত্ৰ- ১০৯-১১২



## প্ৰবন্ধ —

# মালালা ইউছুফজাই আৰু শান্তিৰ ন'বেল পুৰস্কাৰ

মাহবুবুল আলম (বাবুমণি)
বি.এ. তৃতীয় ষান্মাসিক

২০১২ চনৰ অক্টোবৰ মাহত পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ বৈদ্যুতিক প্ৰচাৰ মাধ্যম আৰু বাতৰি কাকত সমূহত এটা বাতৰি প্ৰচাৰ হয় যে পাকিস্তানৰ মালালা ইউছুফজাই এজনী স্কুলীয়া ছোৱালীক তালিবানে হত্যা কৰাৰ কাৰণে গুলি কৰি গুৰুতৰভাৱে আহত কৰিছে। স্কুলীয়া ছোৱালী এজনীক গুলি কৰাৰ কাৰণে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান, আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ, ব্ৰিটেইনৰ প্ৰধান মন্ত্ৰীকে আদি কৰি বিভিন্ন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰ প্ৰধানে তালিবানৰ এনে কাণ্ডক বৰ্বৰ অমানসিক, মানৱতাৰ হত্যা, পৈশাচিক কাণ্ড আদি নিন্দনীয় বিশ্লেষণেৰে গৰিহণা দিয়ে। তেতিয়া মোৰ দৰে অজ্ঞ বহুত ব্যক্তিয়ে জানিবলৈ ইচ্ছুক হৈছিল যে কোন এই মালালা ইউছুফজাই? কোনো দিনেই নাম নুশুনা স্কুলীয়া ছোৱালী এজনী কিহৰ কাৰণে বিখ্যাত আৰু তালিবানে কিয় গুলী কৰি হত্যা কৰাৰ প্ৰচেষ্টা লৈছে?

পাকিস্তানৰ উত্তৰ-পশ্চিম সীমাত অৱস্থিত ছোৱালীজনীৰ জিলা মংগুৱা চহৰত ১৯৯৭ চনৰ ১২ জুলাই তাৰিখে মালানা ইউছুফজাইৰ জন্ম হয়। তাইৰ দেউতাকৰ নাম জিয়াউদ্দিন ইউছুফজাই। তেওঁলোক পাছতুন সম্প্ৰদায়ৰ লোক। এই সম্প্ৰদায়ৰ মানুহ আফগানিস্তানত আটাইতকৈ বেছি দেখা যায়।

মংগুৱাত বালিকা বিদ্যালয়ৰ সংখ্যা অন্ত্যন্ত তাকৰ আছিল। তালিবানসকলে বেছিভাগ ছোৱালী শিক্ষাৰ অনুষ্ঠান হয় ধ্বংস কৰিছিল নহয় বন্ধ কৰি দিছিল। মালানা ইউছুফজাইৰ দেউতাক এজন উচ্চ শিক্ষিত লোক আছিল। তেওঁ শিক্ষা প্ৰদানৰ কাৰণে খুশাল পাব্লিক স্কুল নামৰ কেইবাখনো বিদ্যালয় স্থাপন কৰিছিল।

মালালা ইউছুফজাইৰ বিদ্যালয়লৈ যোৱাৰ বয়স হোৱাত আন আন ছোৱালীৰ লগত খুশাল প্ৰাথমিক বিদ্যালয়লৈ যোৱা আৰম্ভ কৰিলে। তাই লিখা-পঢ়াত অত্যন্ত চোকা আছিল। মালালাই সৰুকালৰ পৰাই সকলো ল'ৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰা আৱশ্যক বুলি অনুভৱ কৰিছিল। তেওঁলোকৰ ঘৰৰ পৰা কিছু দূৰত এটা জাৱৰৰ দ'ম আছিল য'ত ওচৰৰ মানুহে পেলনীয়া সামগ্ৰী পেলাইছিল। এদিন মালালাই জাৱৰৰ দ'মৰ মাজত কিছুমান ল'ৰা-ছোৱালীয়ে কিবা-কিবি বিচাৰি থকা দেখা পালে। ল'ৰা-ছোৱালীহঁতৰ কাপোৰ কানি আৰু চেহেৰা অত্যন্ত লেতেৰা আছিল। মালালা ঘৰলৈ আহি দেউতাকক সুধিলে দেউতা- কিছুমান ল'ৰা-ছোৱালী লেতেৰা জাৱৰৰ দ'মৰ মাজত কি বিচাৰে আৰু তেওঁলোকৰ কাপোৰ-কানি আৰু চেহেৰা ইমান লেতেৰা কিয়? দেউতাকে ক'লে যে এইবোৰ দুখীয়া মানুহৰ ল'ৰা-ছোৱালী আৰু জাৱৰৰ দ'মৰ পৰা সামান্য মূল্যৰ প্লাষ্টিক, কাঁচৰ বটল, লোহা আদি সংগ্ৰহ কৰি পইচাৰ কাৰণে দোকানত বিক্ৰী কৰিব। মালালাই আকৌ দেউতাকক কলে— দেউতা, এই ল'ৰা-ছোৱালীহঁতক তোমাৰ স্কুলত মাচুল নোলোৱাকৈ ভৰ্তি কৰি নিদিয়া কিয়? পঢ়া-শুনা কৰিলে তেওঁলোকৰ জ্ঞানো বাঢ়িব আৰু চেহেৰা পাতিও ভাল হ'ব। মালালাৰ অনুৰোধ মৰ্মে দেউতাক জিয়াউদ্দিনে তাৰে কেইবাজনীও ছোৱালীক বিনা মাচুলে ভৰ্তি হোৱাৰ সুবিধা দিছিল।

মালালাৰ পঢ়া-শুনা ভালদৰেই চলি আছিল। তাই পঢ়া

প্ৰাথমিক বিদ্যালয়ত ৭০ জনী ছাত্ৰী আছিল। তাই শ্ৰেণীত সদায় প্ৰথম স্থান দখল কৰিছিল। তাইৰ সপোন আছিল এজন ভাল ডাক্তৰ হোৱা।

এদিন মালালা ইউছুফজায়ে অধ্যয়ন কৰা বিদ্যালয়ৰ গেটত ৰাতিপুৱা এখন চিঠি দেখা পালে। চিঠিখনত লিখা আছিল— 'মহাশয়, আপুনি যিখন বিদ্যালয় চলাই আছে সেইখন পশ্চিমীয়া পদ্ধতিৰ আৰু ইছলাম ধৰ্ম বিৰোধী। আপুনি বিদ্যালয়খনত ছোৱালী পঢ়ুৱাই আছে আৰু ছোৱালীহঁতে ইউনিফৰ্ম পৰিধান কৰি পাঠ গ্ৰহণ কৰে। যিটো অনাইছলামিক। স্কুলখন বন্ধ কৰক। নহ'লে আপুনি বিপদত পৰিব আৰু আপোনাৰ ল'ৰা-ছোৱালীহঁতে আপোনাৰ কাৰণে কান্দিব— ইতি। তালিবান আৰু মোল্লাসকলৰ তালিবান আৰু ইছলামৰ ফিদাইন বুলি দাবী কৰে। চিঠিখন পোৱাৰ পিছত বিদ্যালয়ত ছোৱালীৰ সংখ্যা কিছু হ্ৰাস পায় যদিও মালালা আৰু কিছু সংখ্যক ছাত্ৰীৰে স্কুলখন চলি থাকিল।

দিনক দিনে স্বাত উপত্যকাত তালিবানৰ প্ৰভূত্ব বৃদ্ধি পাবলৈ ধৰিলে। ২০০৮ চনৰ শেষৰ ফালে তালিবানসকলৰ মুৰব্বী মৌলানা ফজলুল্লাৰ নিৰ্দেশত তালিবান নিয়ন্ত্ৰিত ৰেডিঅ' যোগে ঘোষণা কৰিলে যে স্বাত উপত্যকাত সকলো ছোৱালীয়ে বিদ্যালয়লৈ যোৱা বন্ধ কৰিব লাগিব। ২০০৯ চনৰ ১৫ জানুৱাৰীৰ পিছত কোনো ছোৱালী বিদ্যালয়লৈ যাব নোৱাৰিব। এই বাতৰিয়ে পাছতুন সমাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। মালালাই দেউতাকক সুধিলে— দেউতা, তালিবানসকলে আমাক কিয় স্কুললৈ যোৱা নিষিদ্ধ কৰিলে? আমি আৰু স্কুললৈ যাব নোৱাৰিম নেকি? মালালাৰ প্ৰশ্নৰ উত্তৰত জিয়াউদ্দিনে ক'লে যে স্বাত অঞ্চলৰ জনসাধাৰণে ইয়াত শেষ ছাত্ৰ শেষ শিক্ষক আৰু শেষ শ্ৰেণীকোঠা থকালৈকে শিক্ষাদান চলাই যাব।

তালিবানৰ ভাবুকিৰ ফলত বিদ্যালয় সমূহৰ ছাত্ৰীৰ সংখ্যা দ্ৰুত গতিত কমি যায়। বহুতে তালিবানৰ ভয়ত বিদ্যালয় ত্যাগ কৰে। বহুত পৰিয়াল নিজৰ জীয়েকৰ পঢ়া-শুনাৰ কাৰণে স্বাত উপত্যকা ত্যাগ কৰি পেছোৱাৰলৈ গুচি যায়। ২০০৯ চনৰ ১৫ জানুৱাৰী তাৰিখে স্বাত উপত্যকাৰ বালিকা বিদ্যালয় সম্পূৰ্ণৰূপে বন্ধ হৈ যায়।

তালিবানৰ উপদ্ৰৱ দিনকদিনে বাঢ়ি যাবলৈ ধৰিলে। তালিবান সকলে সকলো ধৰণৰ খেল-ধেমালি বন্ধ কৰি দিয়ে। মহিলাসকলৰ কাৰণে ঘৰৰ বাহিৰৰ কাম-কাজ নিষিদ্ধ কৰে। সকলো বালিকা বিদ্যালয় বন্ধ ঘোষণা কৰে। মহিলা ডাক্তৰ-নাৰ্চৰ দ্বাৰা সেৱা নিষিদ্ধ কৰে। পুৰুষ ডাক্তৰৰ দ্বাৰা মহিলা বেমাৰী পৰীক্ষা কৰা নিষিদ্ধ ঘোষণা কৰে। তিৰোতা সকলক হাট-বজাৰত যোৱা সম্পূৰ্ণৰূপে নিষিদ্ধ কৰে। তালিবানৰ নিৰ্দেশ আমান্য কৰি কোনোবাই নিজৰ ঘৰত বালিকা বিদ্যালয় পৰিচালনা কৰাৰ প্ৰমাণ পালে তেওঁক পৰিয়ালৰ সদস্য আৰু বন্ধু বান্ধৱৰ সন্মুখত হত্যা কৰা হৈছে।

মালালা ইউছুফজাইৰ পিতৃ জিয়াউদ্দিন ইউছুফজাই এজন স্পষ্টবাদী ব্যক্তি আৰু বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল। তেওঁ তালিবানৰ সকলো কাম-কাজ সমৰ্থন কৰা নাছিল। তালিবানৰ বৰ্বৰ আৰু নৃশংসতাৰ বাতৰি পৃথিৱীৰ প্ৰচাৰ মাধ্যমত প্ৰচাৰ হ'ব ধৰিলে।

এদিন বিবিচিৰ সংবাদদাতা আব্দুল হাই কাকৰে জিয়াউদ্দিনক পেছোৱাৰলৈ মাতি পঠিয়ালে। কাকৰে তালিবানৰ অধীনত জীৱনপঞ্জী লিখাৰ কাৰণে এজনী শিক্ষয়িত্ৰী বা ছাত্ৰী বিচাৰিলে। প্ৰথমে আয়শা নামৰ মালালাৰ সহপাঠী এজনীয়ে জীৱনপঞ্জী লিখাত সন্মতি দিয়ে যদিও পিছলৈ তালিবানৰ ভয়ত আয়শাৰ পিতৃ-মাতৃয়ে অসন্মতি জনায়। শেষত মালালা ইউছুফজাই তালিবানৰ অধীনত দিনপঞ্জী লিখাৰ সন্মতি জনায়। সেই দিনৰ পৰা তালিবানৰ বৰ্বৰ নিৰ্দয় আৰু নৃশংসতাৰ অধীনত 'গুলমাকাইৰ দুখ' নামেৰে দিনপঞ্জী লিখা আৰম্ভ কৰিলে। মালালাই লিখা দিনপঞ্জী সপ্তাহৰ এদিন বিবিচি উৰ্দু ৱেবছাইটত গুলমাকাইৰ পিতৃয়ে ইতিমধ্যে তালিবানৰ কৰ্ম-কাণ্ডৰ ওপৰত কেইবাটাও টি.ভি.ত সাক্ষাৎকাৰ দিয়ে। গুলমাকাইৰ দিনপঞ্জী স্থানীয় বাতৰি কাকত সমূহত প্ৰকাশ পাব ধৰিলে।

তালিবানৰ অমানৱিক, বৰ্বৰ আৰু নিষ্ঠুৰ কৰ্ম-কাণ্ডৰ কাৰণে পাকিস্তান চৰকাৰে গোটেই পৃথিৱীত সমালোচনা আৰম্ভ কৰিলে। তালিবানক নিয়ন্ত্ৰণ কৰাৰ কাৰণে কাৰ্যকৰী ব্যৱস্থা নোলোৱাৰ কাৰণে সন্ত্ৰাসবাদক পাকিস্তান চৰকাৰৰ ৰাষ্ট্ৰপতি বুলি সমালোচনা আৰম্ভ কৰিলে। শেষত স্বাত উপত্যকা তালিবানমুক্ত কৰাৰ কাৰণে পাকিস্তান চৰকাৰে সেনা নিয়োগ কৰে। সেনা আৰু তালিবানৰ মাজত সংঘৰ্ষ আৰম্ভ হ'ল। দুয়োপক্ষৰ গুলীয়াগুলীৰ মাজত জীৱন নিৰ্বাহ কৰা অত্যন্ত বিপদজ্জনক হৈ পৰিল। জীৱনৰ নিৰাপত্তাৰ কাৰণে স্বাত উপত্যকাৰ অন্যান্য পৰিয়ালৰ লগত ইউছুফজাইৰ পৰিয়ালো পেছোৱাৰলৈ গুচি যায়।

২০০৯ চনৰ প্ৰথম ভাগত পাকিস্তানৰ প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰিলে যে স্বাত উপত্যকা তালিবান মুক্ত কৰা হৈছে। সকলো স্থানন্তৰিত লোক উপত্যকালৈ ঘূৰি আহিব লাগে। ইউছুফজাইৰ পৰিয়াল ২০০৯ চনৰ ২৪ জুলাই তাৰিখে নিজ ঘৰলৈ ঘূৰি আহিল। সেনা আৰু তালিবানৰ সংঘৰ্ষৰ সময়ছোৱাত বহুত বালিকা বিদ্যালয় তালিবানসকলে ধ্বংস কৰিছিল। সেই সময়ত আফগানিস্তান আৰু পাকিস্তানত বাৰাক অ'বামাৰ বিশেষ দূত আছিল ৰিচেল হ'লব্ৰুক। মালালা ইউছুফজায়ে হ'লব্ৰুক চাহাবলৈ লিখিলে— 'মহাশয়, স্বাত উপত্যকাত শিক্ষাৰ পৰিকাঠামো অত্যন্ত বেয়া হৈছে। আপুনি যদি আমাৰ শিক্ষাৰ কাৰণে কিবা সহায় কৰিব পাৰে কৰক।' মালালা ইউছুফজায়ে এ.টি.ভি খবৰ, ডেউলী আজ, কানাডাৰ টুৰুন্ত, কেপিটেল টক আদি বিভিন্ন টি.ভি চেনেলত সাক্ষাৎকাৰ দিয়ে। প্ৰতিটো সাক্ষাৎকাৰত নাৰী শিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। মালালাই সভা-সমিতি পাতি ছোৱালীবোৰক শিক্ষানুষ্ঠানলৈ পঠিওৱাৰ কাৰণে প্ৰচাৰ অভিযান আৰম্ভ কৰিলে।

নাৰী শিক্ষাৰ প্ৰচাৰৰ কাৰণে দক্ষিণ আফ্ৰিকাৰ বিখ্যাত সমাজকৰ্মী আৰ্কবিশ্বপ চেডমণ্ড টুটুৱে আন্তৰ্জাতিক শিশু শান্তি পুৰস্কাৰৰ কাৰণে মালালাক মনোনীত কৰে। পাকিস্তানৰ প্ৰধান মন্ত্ৰী ইউছুফ ৰাজা জিলানীয়ে মালালাক তাইৰ সাহসী পদক্ষেপৰ কাৰণে 'National Youth peace prize' দিয়ে। তাইৰ অনুৰোধ মৰ্মে স্বাতত ডিগ্ৰী কলেজত মহিলাৰ কাৰণে আইটি বিভাগ খোলে। বিভিন্ন ঠাইত ভালে সংখ্যক ছোৱালী বিদ্যালয় মালালা ইউছুফজাইৰ নামেৰে নামাকৰণ কৰে।

মালাল ইউছুফজাই ছোৱালী শিক্ষাৰ কাৰণে যিমান বিখ্যাত হ'ব ধৰিলে সিমানেই তালিবানসকল ক্ৰুদ্ধ হৈ পৰিল। তালিবানসকলে ফেচ্‌বুকত মালালাক মৃত্যুৰ ভাবুকি দিয়া আৰম্ভ কৰিলে। ২০১২ চনৰ গ্ৰীষ্মকালৰ কোনোবা এটা দিনত তালিবানসকলে এক বৈঠকত মিলিত হয়, য'ত মালালাক নাৰী শিক্ষা প্ৰচাৰৰ কাৰণে মৃত্যুদণ্ড দিয়াৰ সৰ্বসন্মত সিদ্ধান্ত লোৱা হয়। ২০১২ চনৰ ৯ অক্টোবৰ তাৰিখে পৰীক্ষা দি সহপাঠী কেইজনীৰ লগত মালালাই এখন ভেন গাড়ীৰে ঘৰলৈ আহি আছিল। এজন মুখত ক'লা কাপোৰ পিন্ধা বন্দুকধাৰী তালিবানে ৰাস্তাত ভেন গাড়ীখন ৰখাই সুধিলে— তোমালোকৰ কোন মালালা ইউছুফজাই কোৱা, নহ'লে সকলোকে গুলীয়াই মাৰিম। মালালাই নিজে চিনাকি দিয়াৰ পিছত আমেৰিকাত নিৰ্মিত আগ্নেয়াস্ত্ৰ ক'ল্ড ৰিভলভাৰেৰে মালালাক লক্ষ্য কৰি তিনিজাই গুলী কৰি নিৰাপদে আঁতৰি যায়। গুলীবিদ্ধ হোৱাৰ পিছত মালালাক এক বিশেষ বিমান যোগে পেছোৱাৰৰ সামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয়। তাৰ পৰা উন্নত চিকিৎসাৰ কাৰণে সংযুক্ত আৰব আমিৰশ্বাহীৰ ৰাজপৰিয়ালে যোগান ধৰা এক ব্যক্তিগত জেট ত্ৰয়াৰ যোগে মালালাক ইংলেণ্ডৰ বাৰ্মিংহামৰ কুইন এলিজাবেথ চিকিৎসালয়লৈ (য'ত ইৰাক আৰু আফগানিস্তানত যুদ্ধৰত গুলীবিদ্ধ সৈনিকক চিকিৎসা কৰা হয়) লৈ যোৱা হয়। তাত সম্পূৰ্ণ সুস্থ হোৱাৰ পিছত ২০১৩ চনৰ ৩ জানুৱাৰী তাৰিখে মালালাক কুইন এলিজাবেথ চিকিৎসালয়ৰ পৰা যাবলৈ দিয়া হয়। বৰ্তমান ইউছুফজাই পৰিয়াল ইংলেণ্ডৰ বাৰ্মিংহামৰ বাসিন্দা। মালালাক শ্যুট কৰাৰ কিছুদিন পিছত স্বাত উপত্যকাৰ তালিবানৰ প্ৰধান প্ৰচাৰ সচিব এহচানুল্লাহ এহচাবে মালালাক শ্যুট কৰাৰ কথা স্বীকাৰ কৰে। তেওঁৰ মতে নাৰী শিক্ষা আৰু তালিবানৰ বিপক্ষে কথা কৈ মালালাই বিধৰ্মী আৰু অশ্লীল কাম কৰিছে। ই সম্পূৰ্ণ ইছলামবিৰোধী আৰু ইছলামৰ বিৰুদ্ধে কোৱা কেৱল নাৰীকে নহয়, শিশুকো হত্যা কৰিব পাৰি।

বাৰ্মিংহামত থাকি মালালা ইউছুফজায়ে নিজৰ পঢ়া-শুনাৰ উপৰি শিশুৰ শিক্ষা বিস্তাৰৰ কাৰণে কাম কৰি আছে। সকলো শিশুৰ সাৰ্বজনীন শিক্ষাৰ কাৰণে মালালাৰ শ্ল'গান হ'ল— 'সকলো শিশুক শিক্ষাৰ কাৰণে স্কুললৈ পঠাওক।'

২০১৩ চনৰ ১৪ জুলাই তাৰিখে মালালাৰ জন্ম দিনত নিউয়ৰ্কত ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়ত পৃথিৱীৰ ৫০০ ৰো অধিক যুৱ শিক্ষককৰ্মীৰ আগত ভাষণ প্ৰদান কৰে। ভাষণত মালালা ইউছুফজায়ে কৈছে— 'সন্ত্ৰাসবাদীসকলে ভাবিছিল যে মোৰ লক্ষ্যৰ পৰিবৰ্তন হ'ব আৰু মোৰ একো পৰিবৰ্তন হোৱা নাই। মোৰ শক্তি, ক্ষমতা আৰু সাহসৰ নতুন জন্মহে হৈছে। মই ইয়াত কাৰো বিৰুদ্ধে ক'বলৈ বা কোনো তালিবান বা টেৰ'ৰিষ্টৰ বিৰুদ্ধে ব্যক্তিগত প্ৰতিশোধ লোৱাৰ কথা নকওঁ। ইয়াত কেৱল প্ৰত্যেক শিশুৰ তালিবান আৰু সন্ত্ৰাসবাদীৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ অধিকাৰ আইনৰ কথা ক'ব খুজিছো।'

মালালাই ইতিমধ্যে দুই ডজনৰো অধিক পৃথিৱীৰ ডাঙৰ ডাঙৰ ৰাষ্ট্ৰীয় আৰু আন্ত:ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰিছে। অলপতে শিশুৰ শিক্ষাৰ অধিকাৰৰ হকে কাম কৰাৰ স্বীকৃতি হিচাপে ভাৰতবৰ্ষৰ বিখ্যাত সমাজকৰ্মী কৈলাশ সত্যাৰ্থীৰ লগত যুটীয়াভাৱে শান্তিৰ ন'বেল পুৰস্কাৰ লাভ কৰে। মালালা ইউছুফজায়েই হৈছে পৃথিৱীৰ কনিষ্ঠতম ন'বেল বঁটা বিজয়ী কন্যা, যিগৰাকীৰ বয়স মাত্ৰ ১৭ বছৰ।

□□□

## মহৎ লোকৰ বাণী

* Trust yourself, you know more than you think to do.

–Benjamin Spock

* It is literally true that you can succeed best and quickest by helping others to succed.

–Nepoleon Hill

* There is no secrets to success. It is the result of preparation hard work and learningfrom faillure.

–Colin L.

* There is only one person who could ever make you happy; and that person is you.

–David burns

* A goal properly set is halfway reached.

–Zig Ziglar



# ইছলাম আৰু অৰ্থনৈতিক ন্যায়

ড° নুৰ জামান
মুৰব্বী অধ্যাপক, আৰবী বিভাগ

বিশ্বৰ আন আন ধৰ্মৰ দৰে ইছলাম ধৰ্মইও সামাজিক আৰু অৰ্থনৈতিক ন্যায়ক যথেষ্ট গুৰুত্ব দিছে। মহাগ্ৰন্থ কোৰ্‌আনৰ বহুসংখ্যক আয়াতত প্ৰয়োজনাধিক সম্পদ মজুতকৰণত বাধা আৰোপ কৰা হৈছে। ইছলাম হ'ল মূলত: ন্যায় আৰু সমতাৰ ধৰ্ম। ই সকলো প্ৰকাৰৰ বিভেদ আৰু বৈষম্য পৰিহাৰ কৰি বিশ্বত এখন শোষণহীন সাম্যবাদী, গণতান্ত্ৰিক আৰু কল্যাণকামী সমাজ গঠনৰ পোষকতা কৰে। ইছলাম ধৰ্মৰ প্ৰথম সূচনা হয় আৰব দেশৰ মক্কা নগৰত। মক্কা আছিল তেতিয়াৰ আন্তৰ্জাতিক বাণিজ্যৰ কেন্দ্ৰস্থল। বিভিন্ন দেশৰ পৰা অহা বণিক আৰু সদাগৰ সকলে মক্কাৰ মাজেৰে অতিক্ৰম কৰোতে ইয়াতে ব্যৱসায়ৰ লেনদেন কৰিছিল। সেই সময়ত সম্পদৰ একচেটিয়া নিয়ন্ত্ৰণ, দাস প্ৰথাৰ প্ৰচলন তথা সুদৰ ব্যৱসায়ে সমাজৰ দৰিদ্ৰ আৰু নিম্ন আয়ৰ ব্যক্তিসকলক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিছিল। পুঁজিপতিসকলে গোষ্ঠীয় নীতি-নিয়ম উলংঘা কৰাৰ উপৰি আত্মীয় স্বজনৰ কল্যাণৰ প্ৰতি কোনো কাণসাৰ দিয়া নাছিল। মহানবী হজৰত মহম্মদ স্বাল্লালাহু আলাইহি ওৱা ছাল্লামে এনে পৰিস্থিতিত গভীৰ দুখ পাইছিল। সেয়েহে তেওঁ উক্ত ব্যৱস্থাৰ অৱসান ঘটাই এখন সুন্দৰ সমাজ গঠনৰ বাবে জনগণক আহ্বান জনাইছিল। এই সম্পৰ্কত আল্লাহ তাআলাই "পৱিত্ৰ কোৰ্‌আনত ঘোষণা কৰিছে ধ্বংস নিশ্চিত এনে ব্যক্তিৰ যি আনৰ দোষ-গুণ খোচৰে, যিজনে ধন-সম্পদ সঞ্চয় কৰে আৰু তাক বাৰে বাৰে হিচাব কৰে সি ধাৰণা কৰে নেকি যে তাৰ ধন-সম্পদে তাক অমৰ কৰি ৰাখিব; কেতিয়াও নহয় এনে ব্যক্তি চূৰ্ণ-বিচুৰ্ণকাৰী স্থানত নিক্ষেপ কৰা হ'ব।" (চুৰা হুমাজাহ-১০৪) উক্ত আয়াতৰ পৰা এইটো প্ৰতীয়মান হয় যে এমুঠি ব্যক্তিৰ হাতত সঞ্চিত সম্পদে দৰিদ্ৰ আৰু অভাৱী ব্যক্তিসকলক আৰ্থিকভাৱে জুৰুলা কৰাৰ উপৰি সম্পত্তিৰ গৰাকীক পৰলৌকিক চিন্তা-চৰ্চাৰ পৰা দূৰত ৰাখে। হজৰত মহম্মদ স্বাল্লালাহু আলাইহি ওৱা ছাল্লামে প্ৰচলিত ব্যৱস্থাৰ বিৰোধিতা কৰিছিল। ফলত মক্কাৰ পুঁজিপতিসকলে তেওঁৰ শত্ৰু হৈ পৰে। ইজিপ্তৰ কেইগৰাকীমান পণ্ডিতৰ মতে, মক্কাৰ পুঁজিপতিসকলে আল্লাহৰ ৰছুল হজৰত মহম্মদ স্বাল্লালাহু আলাহি ওৱা ছাল্লামৰ একেশ্বৰবাদৰ আহ্বানতকৈ সম্পদ সঞ্চয়ৰ প্ৰতি তেওঁৰ দৃষ্টিভংগীক অধিক গুৰুতৰ বুলি ভাবিছিল। যদি হজৰত মহম্মদ স্বাল্লালাহু আলাইহি ওৱা ছাল্লামে তেওঁলোকৰ সম্পদ মজুতকৰণত বাধা আৰোপ নকৰিলেহেঁতেন তেনেহ'লে স্বেচ্ছাই ইছলাম গ্ৰহণ কৰিলেহেঁতেন। হজৰত মহম্মদ স্বাল্লালাহু আলাহি ওৱা ছাল্লামে কৈছিল, 'এগৰাকী ক্ষুধাৰ্ত বিধবাক অন্নদান কৰাটো এৰাতি প্ৰাৰ্থনা কৰাতকৈ শ্ৰেয়। তেওঁৰ ঘৰত কিছু খাদ্যবস্তু মজুত থাকিলেই ভোকাতুৰক খুৱাই ছিল। মক্কাৰ আঢ্যবন্ত মুছলমানসকলৰ পৰা যি সামান্য জাকাত লাভ কৰিছিল সেইখিনি তেওঁ দৰিদ্ৰ অনুগামী সকলৰ মাজত বিতৰণ কৰি দিছিল। এই ক্ষেত্ৰত তেওঁ নিজ দুহিতা ফাতেমা ৰাজিআল্লাহুআনহুৰ প্ৰতি বিশেষ অনুগ্ৰহ দেখুওৱা নাছিল। এবাৰ হজৰত ফাতেমা ৰাজি আল্লাহুআনহাৰ শস্য গুৰি কৰোঁতে হাতত ঘা হৈছিল। সেয়ে তেওঁ উক্ত কাৰ্য সম্পাদন কৰাৰ বাবে এজনী দাসীৰ প্ৰয়োজনীয়তা বোধ কৰি আল্লাহৰ ৰছুল হজৰত মহম্মদ স্বাল্লালাহু আলাহি ওৱা ছাল্লামক অৱগত কৰিছিল। কিন্তু হুজুৰে এই আবেদন অগ্ৰাহ্য কৰি কৈছিল যে তেওঁতকৈ (ফাতেমা ৰাজিআল্লাহুআনহা) তকৈ আন বহুতো আঘাতপ্ৰাপ্ত নাৰী আছে। দুখীয়া নিছলাৰ হক (প্ৰাপ্য) সম্পৰ্কে পবিত্ৰ কোৰ্‌আনে ঘোষণা কৰিছে- 'তুমি সেইজনক দেখিছানে যিজনে পৰকালৰ পুৰস্কাৰ আৰু দণ্ডক অস্বীকাৰ কৰে? সেইজন হ'ল যিয়ে—

অনাথক ৰূঢ়ভাৱে খেদি পঠিয়াই আৰু দুখীয়া নিচলাবোৰক অন্নদান কৰিবলৈ উৎসাহিত নকৰে।' (চুৰা মাউন-১০৭) ওপৰোক্ত আয়াতৰ পৰা এইটো বুজা যায় যে সমাজৰ সম্বলহীন, অনাথ আৰু দৰিদ্ৰক অত্যাচাৰ-নিপীড়ন কৰাৰ পৰিবৰ্তে তেওঁলোকৰ প্ৰাপ্য অধিকাৰ (হক) নিজে আদায় কৰাৰ লগতে আনকো উদ্বুদ্ধ কৰিলেহে ইহকাল আৰু

পৰকালত কল্যাণ আশা কৰিব পাৰি। এবাৰ কেইজনমান ব্যক্তিয়ে হুজুৰ হজৰত মহম্মদ স্বাল্লালাহু আলাইহি ওৱা ছাল্লামক তেওঁলোকে আল্লাহৰ পথত কি খৰচ লাগে সেই বিষয়ে সুধিছিল, তেতিয়া তেওঁ কৈছিল, 'নিজৰ প্ৰয়োজনীয় অভাৱ পূৰণ কৰি ৰাহি অংশ খৰচ কৰিব।' দাৰ্শনিক কবি ইকবালে এই উপদেশত সাম্যবাদৰ প্ৰতিফলন দেখা পাইছিল, য'ত নিজৰ প্ৰয়োজনীয় মৌলিক অভাৱসমূহ পূৰণ কৰি ৰাহি সম্পদ অভাৱী আৰু দৰিদ্ৰৰ মাজত বিতৰণ কৰা হয়। হুজুৰ হজৰত মহম্মদ স্বাল্লালাহু আলাহি ওৱা ছাল্লামৰ আহ্বানৰ প্ৰতিধ্বনি জাতিৰ পিতা মহাত্মা গান্ধীৰ কণ্ঠতো শুনিবলৈ পোৱা যায়। সম্পত্তিৰ বিষয়ে মত প্ৰকাশ কৰি গান্ধীজীয়ে উল্লেখ কৰিছে 'মানুহৰ জীৱন পদ্ধতি সহজ-সৰল হ'ব লাগে, তেতিয়া মানুহৰ অধিক সম্পত্তিৰ প্ৰয়োজন নহয়। যিসকলৰ প্ৰয়োজনতকৈ অধিক সম্পত্তি আছে, সেইসমূহ দুখীয়া আৰু অসহায় লোকৰ মাজত বিতৰণ কৰি দিব লাগে।' গান্ধীজীয়ে অধিক সম্পত্তি থকা লোকক চোৰ আখ্যা দিছিল। এচাম লোকে বিলাস-বৈভৱৰ মাজত জীৱন নিৰ্বাহ কৰিব আৰু আন এচামে ক্ষুধাৰ জ্বালা সহি তিলতিলকৈ মৃত্যুবৰণ কৰা কাৰ্য ইছলামত গ্ৰহণযোগ্য নহয়। ইছলাম ধৰ্মই সোণ-ৰূপৰ পাত্ৰত আহাৰ গ্ৰহণ কৰা আৰু পুৰুষসকলে সোণ-ৰূপৰ অলংকাৰ পৰিধান কৰাটো নিষিদ্ধ কৰিছে। হুজুৰ হজৰত মহম্মদ স্বাল্লালাহু আলাহি ওৱা ছাল্লামৰ চাহাবাসকলে এই নিয়মসমূহ দৃঢ়ভাৱে পালন কৰিছিল। কিন্তু উমাইয়া আৰু আব্বাছী যুগৰ খলিফাসকলে ইছলামৰ নীতি-নিয়মসূহ উলংঘা কৰি বিলাসী আড়ম্বৰপূৰ্ণ জীৱন কটাইছিল। ফলত তেওঁলোকৰ পতন অনিবাৰ্য হৈ পৰিছিল। অৰ্থনৈতিকভাৱে দুৰ্বল অনাথ, বিধবা শাৰীৰিকভাৱে অক্ষম ব্যক্তিৰ কল্যাণৰ বাবে কোৰ্আনত উল্লেখিত এটা পন্থা হ'ল জাকাত ব্যৱস্থা। জাকাত শব্দৰ অৰ্থ হ'ল পবিত্ৰকৰণ বা শুদ্ধিকৰণ। নিজৰ সম্পদৰ পৰা সম্পদশালী ব্যক্তিয়ে এক নিৰ্দিষ্ট অংশ সমাজৰ দুৰ্বল শ্ৰেণীৰ মাজত বিতৰণ কৰি ধন-সম্পদ শুদ্ধি কৰা ব্যৱস্থা। হজৰত মহম্মদ স্বাল্লালাহু আলাহি ওৱা ছাল্লামে কয়, 'আল্লাই জাকাত ফৰজ কৰিছে এইবাবে যে জাকাত দিয়াৰ পাছত বাকী ধন-সম্পদ গৰাকীৰ বাবে পবিত্ৰ আৰু পৰিশোধিত হয়' (আবু দাউদ)। জাকাতৰ এটা উদ্দেশ্য হ'ল ইয়াৰ দ্বাৰা অভাৱগ্ৰস্তসকলৰ আৰ্থিক কল্যাণ সাধন। পৃথিৱীৰ ধনী ব্যক্তিসকলে সঠিকভাৱে জাকাত প্ৰদান কৰিলে অভাৱীসকলৰ অভাৱ পূৰণ হোৱাৰ আশা আছে। দ্বিতীয়তে ইয়াৰ দ্বাৰা জনকল্যাণমূলক কাম সম্ভৱ হয় তৃতীয়তে জাকাত দাতাৰ মানসিকতাৰ পৰিবৰ্তন হয়। অধিক সম্পদে মানুহক নিৰ্দয়, কৃপণ আৰু অহংকাৰী কৰি তোলাৰ উপৰি ই মানুহক অসৎ কাৰ্য চৰিতাৰ্থ কৰিবলৈ উদগনি যোগায় লগতে ধন-সম্পদৰ গৰাকীক মানুহে উপাস্য হিচাপে গ্ৰহণ কৰে। জাকাতৰ দৰে প্ৰদান কৰা আন এটা বাধ্যতামূলক দান হ'ল ফিৎৰা। এই ফিৎৰা সুদীৰ্ঘ এমাহ কাল ৰমজান মাহৰ উপবাস পালন কৰি ঈদ-উল-ফিতৰৰ প্ৰাক্‌মূহুৰ্তত মুছলমানসকলে অভাৱী, দৰিদ্ৰ শাৰীৰিকভাৱে অক্ষম অনাথসকলক প্ৰদান কৰে। ইয়াৰ উদ্দেশ্য হ'ল অৰ্থনৈতিক কল্যাণৰ জৰিয়তে সামাজিক বৈষম্য ৰোধ কৰি ধনী-দুখীয়াৰ মাজতো সমতা আৰু সম্প্ৰীতি স্থাপন কৰা, যাতে ধনী ব্যক্তিসকলে দুখীয়াৰ সুখ-দুখৰ সমভাগী হ'ব পাৰে। অন্যান্য ধৰ্মৰ দৰে ইছলাম ধৰ্মইও শ্ৰমৰ মৰ্যদাৰ ওপৰত গুৰুত্ব দিছে। কিন্তু সকলো প্ৰকাৰৰ অবৈধ ব্যৱসায় তথা অবৈধ আয় নিষিদ্ধ কৰিছে। 'সুত' অৰ্থাৎ ধন ধাৰলৈ দি অন্যায়ভাৱে ওপৰঞ্চি ধন লৈ শোষণ কৰা কাৰ্য ইছলামে নিষিদ্ধ কৰিছে। যি সময়ত সামাজিক ন্যায় সম্পৰ্কে মানুহৰ ধাৰণা নাছিল। দুখীয়া আৰু দুৰ্বলৰ অধিকাৰক স্বীকৃতি নিদি ঘৃণা তথা অৱহেলাৰ চকুৰে চাইছিল তেনে সময়ত মানৱ সমাজলৈ ইছলামৰ ই এক গুৰুত্বপূৰ্ণ অৱদান। সাম্প্ৰতিক কালত আমাৰ সমাজত সমতা, ন্যায় আৰু দৰিদ্ৰতা দূৰীকৰণ, দুৰ্বল শ্ৰেণীৰ উত্তৰণ আদিৰ দৰে মানৱীয় দিশ সমূহৰ প্ৰতি চৰম অৱহেলাৰ ফলত মূল্যবোধৰ অৱক্ষয়ে দেখা দিছে। এই অৱক্ষয় ৰোধ কৰাৰ বাবে মহাগ্ৰন্থ কোৰ্আন আৰু হজৰত মহম্মদ স্বাল্লালাহু আলাইহি ওৱা ছাল্লামৰ জীৱনাদৰ্শৰ মূল্যায়ন আৰু ৰূপায়ণৰ যোগেদি মানৱীয় সমস্যাৱাজিৰ সমাধানৰ উপায় বিচৰা উচিত।

□□□



# ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনত শিক্ষক আৰু অভিভাৱকৰ ভূমিকা

মেছেৰ আলী
প্ৰাক্তন ছাত্ৰ

শিক্ষাৰ মূল উদ্দেশ্য সম্পৰ্কে বহুজনে বহু সংজ্ঞা দাঙি ধৰিলেও চৰিত্ৰ গঠনেই যে শিক্ষাৰ মূল উদ্দেশ্য এই কথা বহু পণ্ডিতেই স্বীকাৰ কৰিছে। স্বামী বিবেকানন্দৰ মতে শিক্ষাৰ উদ্দেশ্য হ'ল মানুহৰ অন্তৰস্থিত পূৰ্ণতাৰ বিকাশ আৰু অভিব্যক্তিক সহায় কৰা। সংক্ষেপে কবলৈ হ'লে শিক্ষাৰ উদ্দেশ্য হ'ল- (ক) মানুহে যাতে নিজৰ জীৱনটোক সম্পূৰ্ণভাৱে উপলব্ধি কৰিব পাৰে। (খ) শৰীৰ আৰু মন উভয়ৰে পূৰ্ণ বিকাশ সাধন কৰিব পাৰে আৰু (গ) আহৰণ কৰা জ্ঞানৰ জৰিয়তে পূৰ্ণ ব্যৱহাৰৰ ক্ষমতা অৰ্জন কৰিব পাৰে। উল্লেখিত তিনিওটা গুণৰ সমষ্টিতেই গঢ়ি উঠে চৰিত্ৰ।

ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনৰ মূল সোপান হ'ল শিক্ষা। উপযুক্ত শিক্ষা লাভৰ জৰিয়তেহে গঢ়ি উঠিব পাৰে চৰিত্ৰ। এজন উপযুক্ত শিক্ষকেহে উপযুক্ত শিক্ষাদান কৰিব পাৰে। শিক্ষা প্ৰণালীৰ উদ্ভাৱন পৰিবৰ্দ্ধন আৰু পৰিবৰ্তনৰ ক্ষমতা তথা মানুহ গঢ়ি তোলাৰ মহান দায়িত্ব শিক্ষকৰ। শিক্ষকৰ দায়িত্ব অপৰিসীম। শিক্ষাৰ্থীৰ অন্তৰৰ সুপ্ত ভাৱনাক জগাই তোলা আৰু বিকশিত কৰি তুলিব পৰাই শিক্ষকৰ মহান কৰ্তব্য। ছাত্ৰ-ছাত্ৰীৰ জনাৰ স্পৃহাক দমন নকৰি তেওঁলোকক আৰু অধিক উৎসাহিত কৰি তুলিব পাৰিব লাগিব। তেওঁলোকক বিভিন্ন কটূ বাক্য বাণেৰে ভৎসনা কৰা কাৰ্য অতিশয় নিন্দনীয়। ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঢ়ি তোলাৰ মহান দায়িত্ব শিক্ষকৰ। ছাত্ৰ-ছাত্ৰীৰ মনৰ খবৰ অধ্যয়ন কৰি সেই অনুপাতে শিক্ষাদান দিয়া শিক্ষকৰ অন্যতম কৌশল হোৱা উচিত। ছাত্ৰ-ছাত্ৰীৰ আৱেগ-অনুভূতি নজনাকৈ কিম্বা উপলব্ধি নকৰাকৈ সঠিক শিক্ষাদানত ব্যাঘাত জন্মাৰ সম্ভাৱনীয়তাই অধিক। ছাত্ৰ-ছাত্ৰীয়ে যিটো বিষয়ত অধিক আগ্ৰহী সেইটো বিষয়ত অধিক গুৰুত্ব দি অগ্ৰসৰ হবলৈ সচেষ্ট হোৱাৰ প্ৰয়োজন।

প্ৰথমতে ছাত্ৰ-ছাত্ৰীক আপোন কৰি লোৱা অৰ্থাৎ তেওঁলোকৰ সৈতে বন্ধুত্ব স্থাপন কৰি ল'ব পাৰিলে প্ৰায়বোৰ সমস্যা সমাধানৰ পথ মুকলি হয়। ছাত্ৰ-ছাত্ৰী সকলক আপোন কৰি ল'ব পাৰিলে শিক্ষা দানৰ ক্ষেত্ৰ ত শিক্ষক-শিক্ষয়িত্ৰী গৰাকীয়ে সমস্যাৰ সন্মুখীন হ'ব লগা নহয়। শিক্ষকে সদায় কঠোৰ মনোভাৱ বা আচৰণ প্ৰদৰ্শন কৰি থাকিলে ছাত্ৰ-ছাত্ৰীসকলে মুক্ত অন্তৰেৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত বাধাৰ সন্মুখীন হয়।

ছাত্ৰ-ছাত্ৰীসকল শিক্ষকৰ প্ৰতি গভীৰ আস্থাশীল। শিক্ষকে যি কয় ছাত্ৰ-ছাত্ৰীসকলে তাক বিনা দ্বিধায় মানি লয় বা বিশ্বাস কৰে। শিক্ষক এজনৰ আচৰণ আৰু বচন ভঙ্গীৰো অনুসৰণ বা অনুকৰণ কৰিবলৈ প্ৰয়াস কৰে। কোমলমতীয়া ছাত্ৰ-ছাত্ৰীসকলে। শিক্ষাৰ্থী তথা ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানৰ পোহৰেৰে আগবঢ়াই নিয়া শিক্ষকৰো জ্ঞানৰ ভাণ্ডাৰ চহকী হোৱাটো নিতান্ত প্ৰয়োজন। কিয়নো এজন অন্ধই আন এজন অন্ধক বাট দেখুৱাব নোৱাৰাৰ দৰে এজন জ্ঞানহীন ব্যক্তিয়ে আনক জ্ঞান দান কৰাটো সম্ভৱ নহয়। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্য পুথিৰ জ্ঞান দিয়াৰ লগতে তেওঁলোকৰ চৰিত্ৰ গঠনৰ ক্ষেত্ৰটো সমানেই গুৰুত্ব দিয়া প্ৰয়োজন। পাঠ্যপুথি বিষয়ৰ লগত সংগতি ৰাখি ডাঙৰ মহাপুৰুষ তথা আধ্যাত্মিক গুৰুসকলৰ জীৱন চৰিত আৰু উপদেশ বিলাক ছাত্ৰ-ছাত্ৰীক অৱগত কৰাব পাৰিলে বহুত ফলপ্ৰসু হোৱা বুলি আশা কৰিব পাৰি। কবিয়ে কোৱাৰ দৰে মহা-মহাপুৰুষৰ চানেকিৰে জীৱন আমিও গঢ়িব পাৰো জীৱন চৰিত বোলা কথাষাৰ যথেষ্ট ফলপ্ৰসু।"

এজন ব্যক্তি যিদৰে সৰ্বগুণ

সম্পন্ন হোৱা সম্ভৱ নহয় তদ্ৰূপ এগৰাকী শিক্ষকো সৰ্বগুণৰ অধিকাৰী হোৱাটো সম্ভৱ নহয়। তথাপিতো যি কেইটা গুণৰ অধিকাৰী হ'লে সংসাৰত এজন ভাল ব্যক্তি হিচাপে পৰিগণিত হ'ব পাৰে, তেনে কেইটা গুণ শিক্ষক এজনৰ গাত থকাটো অতি বাঞ্চনীয়। শিক্ষকক মানুহ গঢ়াৰ খনিকৰ বুলি কোৱা হয়। সেয়ে শিক্ষক এজনৰ গাত সততা, নম্ৰতা, ভদ্ৰতা, বিনয়ী, শিষ্টাচাৰ, অমায়ীক, মৰমীয়াল, উদাৰতা আদি গুণ কেইটা থকাটো বাঞ্চনীয়। এই কেইটা গুণৰ অধিকাংশ গুণ শিক্ষক এজনৰ গাত নাথাকে তেতিয়া হ'লে তেওঁৰ দ্বাৰা ভাল চৰিত্ৰৰ ছাত্ৰ গঢ়ি উঠাতো আশা কৰা টান। একালৰ কেন্দ্ৰীয় শিক্ষামন্ত্ৰী হুমায়ুন কবিৰে ভাৰতত কাঠ ফুলাৰ দৰে গঢ়ি উঠা উচ্চ শিক্ষানুষ্ঠান সমূহত অধ্যয়ন কৰি উচ্চ শিক্ষাৰ প্ৰমাণ পত্ৰলৈ ওলাই অহা অধিকাংশ শিক্ষাৰ্থীৰ চৰিত্ৰ গঠন হোৱা নাই বুলি তেখেতে কোৱা কথাষাৰ আজি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। আজি শিক্ষিত লোকৰ সংখ্যা যদিও বৃদ্ধি হ'ব ধৰিছে, সেই অনুপাতে গুণগত শিক্ষাৰ হাৰো উন্নত হোৱা পৰিলক্ষিত হোৱা নাই। শিক্ষকৰ প্ৰতি অলপো অসন্মান প্ৰদৰ্শন নকৰাকৈ ক'ব পাৰি যে, একাংশ শিক্ষকে নিচাযুক্ত দ্ৰব্য সেৱনৰ ক্ষেত্ৰত নিজকে আতৰাই ৰাখিব নোৱাৰা হেতুকে তেওঁলোকৰ এই কু-অভ্যাস বিলাকো ছাত্ৰ-ছাত্ৰীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাটো স্বাভাৱিক। শিক্ষকে নিজে ত্যাগ কৰিব নোৱাৰা কু-অভ্যাসটো আনক ত্যাগ কৰিবলৈ কয় কেনেকৈ? সেয়ে শিক্ষক এগৰাকীৰ চৰিত্ৰত ফুটি উঠা দোষ-ত্ৰুটিবোৰ আতৰাবলৈ চেষ্টা কৰাটো অতি প্ৰয়োজন। কিয়নো শিক্ষকৰ দোষটো যিমানেই সৰু নহওঁক কিয় শিক্ষকক অনুসৰণ কৰি তাক অনুশীলন কৰাৰ প্ৰয়াস কৰে ছাত্ৰ-ছাত্ৰীসকলে। সেয়ে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনৰ ক্ষেত্ৰত শিক্ষকে সদায় জাগ্ৰত প্ৰহৰীৰ দৰে সচেতন থকাটো নিতান্ত প্ৰয়োজন। এটা কথা কবই লাগিব, ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনৰ ক্ষেত্ৰত পিতৃ-মাতৃ, পৰিয়াল তথা সমাজখনৰ প্ৰভাৱ যথেষ্ট বিস্তাৰ লাভ কৰে। শিশুসকল মাতৃ গৰ্ভৰ পৰা ভূমিষ্ঠ হৈ বিদ্যালয়লৈ যোৱাৰ আগলৈকে পিতৃ-মাতৃ কিম্বা পৰিয়ালবৰ্গৰ কোলাতেই ডাঙৰ দীঘল হয়। এই সময়ছোৱাত শিশুসকলে পিতৃ-মাতৃ তথা পৰিয়ালৰ লোকসকলক পোনপটীয়াকৈ অনুসৰণ কৰে। বিদ্যালয়ত শিক্ষকৰ সান্নিধ্যলৈ অহাৰ পূৰ্বে গঢ়লৈ উঠা চৰিত্ৰ সহজে সলনি নহয়। ই প্ৰায় চিৰস্থায়ী হৈ থাকে। বিদ্যালয়লৈ যোৱাৰ পিছতো স্থায়ীভাৱে গঢ়ি উঠা বহু কু-প্ৰবৃত্তি দূৰিভূত নহয়। ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়ত কেৱল মাত্ৰ ৩/৪ ঘন্টা সময়হে অতিবাহিত কৰে, দিনটোৰ অৱশিষ্ট ২০ ঘন্টা সময় পৰিয়াল তথা ডাঙৰ-দীঘল হোৱা সমাজখনতেই থাকে। সেয়ে ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ গঠনৰ ক্ষেত্ৰত শিক্ষকতকৈ পিতৃ-মাতৃৰ দায়িত্ব কোনো গুণে কম নহয়। এটা শিশু মাতৃৰ কোলাতেই ডাঙৰ-দীঘল হয়। মাতৃৰ সৈতে শিশুৰ সম্পৰ্ক পিতৃতকৈয়ো বেছি। গতিকে পিতৃতকৈ মাতৃৰ দায়িত্ব বেছি। সেয়ে মাতৃ এগাৰাকীক আটাইতকৈ ভাল শিক্ষয়িত্ৰী বুলি কোৱা হয়।

□□□



# ভাৰতৰ মোগল ৰাজত্বত নুৰজাহানৰ ভূমিকা

ৰেকিবুৰ ৰহমান
স্নাতক পঞ্চম ষাণ্মাসিক

জাহাংগীৰৰ ৰাজত্বকালত স্থান দখলকাৰী মহিলাগৰাকী আছিল নুৰজাহান। নুৰজাহান খাৱজা মহম্মদ চৰিফৰ পুত্ৰ মিৰ্জা ঘিয়াজ বেগৰ একেবাৰে সৰু কন্যা আছিল। জাহাঙ্গীৰে বিয়া কৰোৱাৰ আগতে তেওঁৰ নাম আছিল মেহেৰুন্নিছা। যেতিয়া তেওঁৰ কন্যা ১৭ বছৰ বয়স হৈছিল তেতিয়া এজন পাৰ্চী দুঃসাহসীলোক আলিকুলী বেগৰ সৈতে মেহৰুন্নিছাৰ বিবাহ সম্পন্ন কৰিছিল। আকবৰে আলি-কুলী বেগক “ছেৰ আফগান” উপাধি প্ৰদান কৰিছিল আৰু বংগদেশত এখন জায়গীৰ প্ৰদান কৰিছিল। আকবৰৰ মৃত্যুৰ পিছত জাহাঙ্গীৰে জানিব পাৰিছিল যে আলি-কুলীবেগে স্বাধীনচেতীয়া আচৰণ কৰিছিল আৰু বিদ্ৰোহী কাৰ্যকলাপত লিপ্ত হৈছিল। জাহাংগীৰে বংগৰ গৰ্ভনৰ কুতুবুদ্দিনক আলী-কুলী বেগক দমন কৰিবলৈ প্ৰেৰণ কৰিছিল। কিন্তু কুতুবুদ্দিনক আলী-কুলী বেগে হত্যা কৰিছিল। আনহাতে কুতুবুদ্দিনৰ সহচৰৰ হাতত আলী-কুলী বেগৰ মৃত্যু হৈছিল। তেতিয়া আলী-কুলী বেগৰ বিধৱা পত্নী মেহেৰুন্নিছাক আগ্ৰালৈ অনা হৈছিল আৰু ৰাজমাওঁৰ তত্বাৱধানত ৰাখিছিল। ১৬১১ খৃঃত হঠাতে জাহাংগীৰে মেহেৰুন্নিছাক দেখা পাইছিল আৰু মেহৰুন্নিছাৰ ৰূপত জাহাংগীৰ বন্দী হৈছিল। জাহংগীৰে বিধৱা মেহেৰুন্নিছাক বিবাহ কৰাইছিল। জাহাংগীৰে মেহেৰুন্নিছাক নুৰমহল (Light of the Harem) নাম দিছিল আৰু এই নামটো পিছলৈ নুৰজাহান অৰ্থাৎ বিশ্বৰ পোহৰ (Light of the World) লৈ পৰিৱৰ্তন হ'ল।

আলী-কুলী বেগৰ মৃত্যুৰ পিছত নুৰজাহান আৰু জাহাংগীৰৰ বিবাহ সম্পৰ্কে ঐতিহাসিক সকলৰ মাজত মতভেদ দেখা যায়। কিছুমান ঐতিহাসিকে বিশ্বাস কৰে যে জাহাংগীৰে ১৬১১ খৃঃৰ আগতে কেতিয়াও নুৰজাহানক দেখা নাছিল। এনে ক্ষেত্ৰত দুয়োৰে মাজত পূৰ্বৰে পৰা প্ৰেমৰ সম্পৰ্ক থকা বুলি বিশ্বাস নকৰে। কিন্তু আন এচাম ঐতিহাসিকে বিশ্বাস কৰে যে আকবৰৰ সময়ত নুৰজাহান যেতিয়া কুমাৰী আছিল তেতিয়াৰ পৰাই চেলিমৰ লগত প্ৰেমৰ সম্পৰ্ক আছিল। যিহেতু আকবৰে এই বিবাহত সন্মতি প্ৰকাশ কৰা নাছিল সেয়ে আকবৰৰ মৃত্যুৰ পিছত নুৰজাহানৰ পূৰ্বৰ স্বামীক বধ কৰি জাহাংগীৰে নিজৰ ইচ্ছা পূৰণ কৰিছিল।

১৬১১ খৃঃত নুৰজাহান আৰু জাহাংগীৰৰ বিবাহ সম্পন্ন হোৱাৰ পিছত জাহাংগীৰৰ ওপৰত নুৰজাহানে প্ৰভাৱ বিস্তাৰ কৰিছিল। এই প্ৰভাৱ সময় আগবঢ়াৰ লগে লগে ক্ৰমে বৃদ্ধি হৈছিল। এটা সময়ত জাহাংগীৰ নুৰজাহানৰ হাতৰ পুতলা হৈ পৰিছিল আৰু ৰাজ্যৰ প্ৰকৃত ক্ষমতা নুৰজাহানে প্ৰয়োগ কৰিছিল। সেয়েহে ১৬১১ চনৰ পৰা ১৬২৭ চনলৈ এই ছোৱা সময় নুৰজাহানৰ যুগ বুলি কোৱা হয়। এই কালছোৱাত ৰাজ্যৰ সকলো গুৰুত্বপূৰ্ণ কাৰ্য নুৰজাহানে সম্পাদন কৰিছিল। সম্পূৰ্ণ ১৫ বছৰ ধৰি নুৰজাহান মোগল সাম্ৰাজ্যৰ শক্তিশালী গৰাকী আছিল। তেওঁ নিজৰ নামত মোহৰো বনাই লৈছিল। তেওঁ মুঠতে মোগল সাম্ৰাজ্য প্ৰশাসনৰ সকলো দিশ চোৱা-চিতা কৰিছিল। সম্ৰাট জাহংগীৰেও শাসনৰ সকলো দায়িত্ব নুৰজাহানৰ ওপৰতেই এৰি দিছিল।

নুৰজাহানৰ উত্থানৰ ফলত মোগল সাম্ৰাজ্যত বহুতো নতুন নতুন অনুষ্ঠানৰ জন্ম হৈছিল। নুৰজাহান ৰাজনীতিত অভিজ্ঞ আছিল। সেই কাৰণে নিজৰ পিতৃ পৰিয়ালটোৰ ওপৰত নিৰ্ভৰ কৰিছিল। সেই সময়তে সাম্ৰাজ্যৰ ভিতৰত এটা দল গঠন হৈছিল। এই দলটো গঠিত হৈছিল

তেওঁৰ পিতৃ ইতিমাদ-উদ-দৌলা (মির্জা ঘিয়াজ বেগ), মাতৃ আচমত বেগম, ভাতৃ আচফ খান আৰু খুৰামক লৈ। এই দলটোকে নুৰজাহানৰ জুন্টা বোলা হৈছিল।

নুৰজাহান অতি উদাৰ মহিলা আছিল আৰু তেওঁৰ উদাৰতা গুণৰ বাবে তেওঁ সমাজত সন্মান অৰ্জন কৰিছিল। ঐতিহাসিক মহম্মদ হাদীৰ মতে নুৰজাহান দুৰ্যোগৰ আশ্ৰয়স্থল আছিল। তেওঁ সদায় শোষিত লোকক মুক্ত মনেৰে সহায় কৰিছিল। নুৰজাহান দুখীয়া আৰু নিঠৰুৱাৰ বাবে উদাৰ আৰু আশ্ৰয়স্থল আছিল। তেওঁ মাউৰা ছোৱালীৰ বাবে ধনৰ যোগান ধৰিছিল। নুৰজাহানৰ সময়তে অতি কমেও ৫০০০ মাউৰা ছোৱালীক বিবাহ দিছিল।

নুৰজাহানৰ ভাল কৰ্মৰ বিষয়ে আলোচনা কৰিলে দেখা যায় যে নুৰজাহানে জাহাংগীৰৰ ওচৰত প্ৰচুৰ প্ৰভুত্ব বিস্তাৰ কৰিছিল আৰু জাহাংগীৰৰ প্ৰতি প্ৰচুৰ যত্নও লৈছিল। ৰাজ্যৰ বহুতো গুৰুত্বপূৰ্ণ কামৰ দায়িত্বও নিজে তদাৰক কৰি সম্ৰাটক সকাহ দিছিল। নুৰজাহানে জাহাংগীৰৰ প্ৰতি আগবঢ়োৱা সেৱা আৰু প্ৰেম অতুলনীয়। সেয়েহে জাহাংগীৰেও তেওঁৰ অতি বিশ্বাসী নুৰজাহানৰ ওপৰত ৰাজ্যৰ শাসনভাৰ অৰ্পণ কৰিছিল।

গতিকে শেষত মন্তব্য কৰিব পাৰি যে নুৰজাহানৰ গাত সকলো গুণৰ সমাহাৰ ঘটিছিল। পৰিস্থিতিৰ সৈতে নিজক খাপ খুৱাই লব পৰা ক্ষমতাও তেওঁৰ আছিল। তেওঁ আছিল প্ৰখৰ বুদ্ধিমতী, সাহসী, কৌশলী, উদাৰ, দয়াশীল, দুখীয়া আৰু নিঠৰুৱাৰ আশ্ৰয়দাতা।

□□□

# দিল্লীৰ সিংহাসনত বহা প্ৰথমগৰাকী মহিলা

**মঃ ছামছুদ্দিন সৰকাৰ**
**স্নাতক পঞ্চম ষান্মাসিক**

চুলতানা ৰেজিয়া (১২৩৬-৪০ খৃঃত)ঃ

চুলতান ইলটুৎমিছৰ জীয়ৰী আছিল চুলতানা ৰেজিয়া। ৰেজিয়া আছিল সুযোগ্য পিতৃৰ যোগ্য সন্তান। ৰেজিয়া এগৰাকী বুদ্ধিমতী, ন্যায়বান, কল্যাণকামী, সহিষ্ণু আৰু ৰাজপদৰ বাবে সকলো ধৰণৰ গুণৰ অধিকাৰী মহিলা আছিল।

চুলতানা ৰেজিয়াৰ সিংহাসন আৰোহণ ভাৰতৰ ইতিহাসৰ এক অভিনৱ ঘটনা। তেওঁ আছিল দিল্লীৰ সিংহাসনত বহা ভাৰতৰ প্ৰথম গৰাকী মহিলা। ত্ৰয়োদশ শতিকাত যে এগৰাকী তুৰ্কী মুছলমান মহিলাই সিংহাসনাৰোহণ কৰিবলৈ সক্ষম হ'ব সেই কথা কোনেও ভবা নাছিল। কিন্তু সমসাময়িক ৰক্ষণশীলতাক আওকান কৰি বহু গুণৰ অধিকাৰী চুলতান ইলটুৎমিছে নিজ পুত্ৰ সকলৰ অকৰ্মন্যতাক লক্ষ্য কৰি উত্তৰাধিকাৰী হিচাপে ৰেজিয়াকহে বিচাৰ কৰি মনোনীত কৰি গৈছিল। কিন্তু ৰেজিয়াই ইলটুৎমিছে বিচৰা দৰে নিষ্কন্টকভাৱে সম্ৰাজ্ঞী হ'ব পৰা নাছিল। তেওঁৰ বৈমাত্ৰীয় ভ্ৰাতৃ অকামিলা ৰুকুনুদ্দিনকহে তুৰ্কী বিষয়াসকলে চুলতান পাতিছিল। কিন্তু ৰুকুনুদ্দিনৰ মাতৃ ছাহ তুৰুকাণৰ ক্ষমতাৰ অপব্যৱহাৰত ক্ষুণ্ণ হোৱা লোকসকলক ৰেজিয়াই তেওঁৰ ফলীয়া কৰিবলৈ সক্ষম হৈছিল। ৰুকুনুদ্দিনক হত্যা কৰি আৰু বিমাতা ছাহ তুৰুকাণক বন্দীশালত নিক্ষেপ কৰি ৰেজিয়াই সিংহাসন অধিকাৰ কৰিছিল। ডঃ ত্ৰিপাঠীৰ মতে ৰেজিয়াৰ সিংহাসন আৰোহণে ত্ৰয়োদশ শতিকাৰ তুৰ্কীসকলৰ উদাৰ দৃষ্টিভংগীৰ পৰিচয় দিছিল। যি যুগত মুছলমান সম্প্ৰদায়ৰ মহিলা সকলক কঠোৰ পৰ্দা প্ৰথাৰ আঁৰত ৰখা হৈছিল সেই সময়ত এগৰাকী ধাৰ্মিক মুছলমান মহিলাৰ সিংহাসন আৰোহণ সঁচাকৈয়ে এক চমকপ্ৰদ ঘটনা।



দেশ শাসনৰ প্ৰতি ৰেজিয়াই অতি নিষ্ঠা আৰু উদ্যম প্ৰকাশ কৰিছিল। ইয়াৰ কাৰণে তেওঁ জনসাধাৰণৰ আস্থা লাভ কৰিব পাৰিছিল। তেওঁ নিজে প্ৰশাসনীয় বিভাগবোৰ পৰিদৰ্শন কৰিছিল। তাৰ মুৰব্বীসকলক দেশৰ আইন-শৃংখলা বজাই ৰখাৰ কাৰণে নিৰ্দ্দেশ দিছিল। প্ৰজাৰ আপত্তিবোৰ তেওঁ সহানুভূতিৰে শুনিছিল আৰু সকলোকে ন্যায় প্ৰদান কৰাৰ কাৰণে চেষ্টা কৰিছিল। আইনৰ দৃষ্টিত তেওঁ সকলোকে সমান বুলি ভাবিছিল। সু-চতুৰ ৰেজিয়াই ওমৰাহ আৰু অভিজাত লোকসকলৰ কেতিয়াও বশ হব বিচৰা নাছিল। যি সকলে তেওঁক সহায় কৰিছিল সেই সকলক পুৰস্কৃত কৰিছিল। অভিজাত তুৰ্কী সকলৰ আধিপত্য নোহোৱা কৰাৰ কাৰণে শাসন কাৰ্যত তেওঁ অনাতুৰ্কী বা অন্য শ্ৰেণীৰ লোকক নিয়োগ কৰিছিল। শাসনৰ উচ্চ পদত অতি বিশ্বাসী লোকক নিয়োগ কৰিছিল।

ৰেজিয়া বহু গুণৰ অধিকাৰী আছিল। সমৰ বিদ্যাত তেওঁৰ বিশেষ পাৰদৰ্শীতা আছিল। ৰাজকাৰ্য তেওঁ নিপুন হাতেৰে পৰিচালনা কৰিছিল। তেওঁ পুৰুষৰ সাজ-পাৰ পিন্ধি ঘোঁৰা চেকুৰাই ফুৰিছিল। সমসাময়িক সমাজত প্ৰচলিত পৰ্দা প্ৰথাক তেওঁ মানা নাছিল। ৰেজিয়াই প্ৰকৃতাৰ্থত এগৰাকী সম্ৰাজ্ঞীৰ দৰে ৰাজ্য শাসন কৰিবলৈ বিচাৰিছিল আৰু সেই ইচ্ছাই তেওঁৰ কাল হৈছিল। তুৰ্কী বিষয়াসকলক তেওঁ সম্পূৰ্ণ অৱজ্ঞা কৰিছিল আৰু সাধাৰণ বিষয়াৰ দৰে ব্যৱহাৰ কৰি সকলো ক্ষমতা নিজৰ হাতলৈ নিবলৈ বিচাৰিছিল। তুৰ্কী বিষয়াসকলৰ বিষয়-বাব তেওঁ পুনৰ বন্টন কৰিছিল। ইয়াৰ উপৰিও জামাল-উদ্দিন-ইয়াকুট নামৰ এজন ক্ৰীতদাসৰ প্ৰতি তেওঁ বিশেষ আগ্ৰহ দেখুওৱাত অমত্যসকল (তুৰ্কী বিষয়া) বিদ্ৰোহী হৈ উঠিছিল। ৰেজিয়াৰ হাতৰ পৰা ক্ষমতা হস্তগত কৰাৰ উপায় হিচাপে তুৰ্কী বিষয়া সকলে ষড়যন্ত্ৰত লিপ্ত হয়। ৰেজিয়াৰ ৰাজসভাৰ এজন বিষয়া ইখতিয়াৰুদ্দিন আইতিগিন, ভাতিণ্ডাৰ শাসনকৰ্ত্তা মালিক আল্টুনিয়া আৰু পঞ্জাৱৰ শাসনকৰ্ত্তা কবীৰ খাঁই এই ষড়যন্ত্ৰৰ চূড়ান্ত ৰূপ দিয়ে। ৰেজিয়াৰ বুদ্ধিমত্তা আৰু তেওঁৰ সৈন্যবলৰ কথা ভালকৈ জনা এই বিষয়াসকলে তেওঁৰ সৈতে সন্মুখ সমৰত তিষ্ঠিব নোৱাৰিব বুলি জানিছিল। ১২৪০ চনত কবীৰ খাঁক পৰাস্ত কৰে আৰু তাৰ পিছতেই আল্টুনিয়াৰ বিদ্ৰোহ আৰম্ভ হয়।

১২৪০ চনত ভাতিণ্ডাৰ মালিক আল্টুনিয়াই আইতিগিনৰ সহযোগত বিদ্ৰোহ আৰম্ভ কৰিলে। সেই সময়টো আছিল গ্ৰীষ্ম কাল। প্ৰচণ্ড উত্তাপকো আওকাণ কৰি বীৰঙ্গনা ৰেজিয়াই ভাতিণ্ডাৰ অভিমুখে যাত্ৰা কৰিছিল। জামাল-উদ্দিন-ইয়াকুটকো তেওঁ লগত নিছিল। তেওঁলোক তবৰহিন্দ নামৰ এখন ঠাইত উপস্থিত হোৱাত ষড়যন্ত্ৰকাৰীসকলে হঠাতে আহি ইয়াকুটক বন্দী কৰি লৈ হত্যা কৰে। এনে আকস্মিক ঘটনাত হতভম্ব হোৱা ৰেজিয়াকো বিদ্ৰোহীসকলে বন্দী কৰে। বুদ্ধিমতী ৰেজিয়াই বন্দী অৱস্থাৰ পৰা মুক্তি লাভ কৰাৰ কাৰণে আল্টুনিয়াক বিয়া কৰাই দিল্লী অভিমুখে যাত্ৰা কৰে। কিন্তু এই যাত্ৰাৰ পথত দুয়োজনে দস্যু-ডকাইতৰ হাতত প্ৰাণ দিবলগীয়া হয়। মিনহাজ-উচ-ছিৰাজৰ মতে ৰেজিয়া আছিল বুদ্ধিমতী, কল্যাণময়ী, ন্যায়পৰায়ণ আৰু জ্ঞানীলোকৰ পৃষ্ঠপোষক। দান-দক্ষিণা, সাহিত্য আৰু বিদ্বান লোকৰ পৃষ্ঠপোষকতাৰ দ্বাৰা ৰেজিয়াই নিজৰ প্ৰতিভাৰ পৰিচয় দিবলৈ সক্ষম হৈছিল। মিনহাজ-উচ-ছিৰাজে তেওঁৰ অমূল্য গ্ৰন্থ 'তবাকৎ-ই-নাছিৰী'ত চুলতানা ৰেজিয়াক ভূয়সী প্ৰশংসা কৰি গৈছে। এনে এগৰাকী সৰ্বগুণসম্পন্ন সম্ৰাজ্ঞীৰ কৰুণ পতনৰ বাবে ক্ষমতালোভী তুৰ্কী বিষয়াসকলকহে ইতিহাসে দায়ী কৰিছে।

□□□

> 'মই মোৰ সন্তানক কেতিয়াও বক্সাৰ হোৱাটো নিবিচাৰো, কাৰণ কোনো মাতৃয়ে নিজৰ সন্তানক আনৰ দ্বাৰা প্ৰহৃত হোৱাটো নিবিচাৰে।'
>
> — মেৰীক'ম (অলিম্পিয়ান)

# কাৰিকৰী শিক্ষা ব্যৱস্থা আৰু সমাজ

মঃ ইমদাদুল হক
স্নাতক তৃতীয় ষাণ্মাসিক

লিখা-পঢ়া শিকি নিজে শিক্ষিত হোৱাৰ লগতে নিজে পোৱা মহান জ্ঞান আদৰ্শ আনকো বিলাই দিব পাৰিলেহে প্ৰকৃত শিক্ষাৰ উচিত মূল্যায়ন কৰা হ'ব। অন্যথা ব্যক্তি কেন্দ্ৰিক শিক্ষাই সমাজৰ কোনো হিত সাধন কৰিব নোৱাৰে।

'শিক্ষাই জাতিৰ মূল, শিক্ষা নহ'লে যায় জাতি কুল।' শিক্ষা হ'ল জাতিৰ মেৰুদণ্ড। শিক্ষা অবিহনে পৃথিৱীৰ কোনো জাতিয়েই পোহৰৰ বাটলৈ আগবাঢ়িব নোৱাৰে। সেই কাৰণে এই পৃথিৱীত সুসভ্য জাতি হিচাপে জীয়াই থাকিবলৈ হ'লে শিক্ষাৰ অতীৱ প্ৰয়োজন।

প্ৰাচীন কালত ছাত্ৰই গুৰু গৃহত থাকি শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক ইত্যাদি জ্ঞানেৰে পৰিপক্ক হৈ গুৰু গৃহৰ পৰা শিক্ষা শেষ কৰি ওলাই আহিছিল। তেতিয়া ছাত্ৰসকলে গুৰুৰ শৃংগ সদৃশজ্ঞান ভাণ্ডাৰৰ ভিতৰলৈ প্ৰৱেশ কৰিব পাৰিছিল। আগৰ শিক্ষা ব্যৱস্থাই ছাত্ৰক জ্ঞানী কৰিছিল আৰু জীৱন নিৰ্বাহৰ পথ সূচল কৰি দিছিল।

কিন্তু বৰ পৰিতাপৰ বিষয় এই যে বৰ্তমান শিক্ষাৰ মাজত কোনো নৈতিকতাৰ স্থান নাই, মানৱত্ব বিকাশৰ শক্তি নাই, আছে মাত্ৰ ছাৰ্টিফিকেট লাভৰ বাবে পৰীক্ষাত পাছ কৰাৰ অন্তহীন আকাঙ্খা।

যাৰ ফলত আজিৰ সমাজ হৈছে কুলষিত। আজি আমাৰ অতি প্ৰয়োজন হৈছে কৰ্মমুখী শিক্ষা ব্যৱস্থাৰ। বৰ্তমান ছাত্ৰ সমাজৰ মাজত নৈতিকতা, মানৱীয়তা যেন নাইকীয়া হৈ পৰিছে। শিক্ষক আৰু অভিভাৱকৰ প্ৰতি যি ভক্তি শ্ৰদ্ধা কৰিব লাগে সেই খিনি আজিৰ ছাত্ৰ সমাজত দেখিবলৈ পোৱা নাযায়। ইয়াৰ এটা কাৰণো পৰিলক্ষিত হোৱা দেখা যায় অভিভাৱকসকলৰ মাজত। অৰ্থাৎ কোনো অভিভাৱকে ছাত্ৰ-ছাত্ৰীৰ আগত শিক্ষকৰ বিষয়ে সমালোচনা কৰা উচিত নহয়। তেনে কৰিলে শিক্ষকৰ প্ৰতি থকা ছাত্ৰ-ছাত্ৰীৰ ভক্তি কমি যায়। এই ক্ষেত্ৰত অভিভাৱকসকলে চোকা দৃষ্টি ৰখা উচিত। যাতে ছাত্ৰ-ছাত্ৰীসকলে বিপথগামী নহয়, তাৰ বাবে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো ক্ষেত্ৰতে অভিভাৱকসকলে নজৰ ৰখা উচিত। ধ্বংস গ্ৰাসত যেন ছাত্ৰ-ছাত্ৰীসকল নপৰে সেই বিষয়টোলৈয়ো অভিভাৱকে দৃষ্টি ৰাখিব লাগে। কুচিত্ৰ দৰ্শন, কুগ্ৰন্থ অধ্যয়ন, কুকথা আলোচনা আদি কৰিব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰাখিব লাগে।

ছাত্ৰ-ছাত্ৰীবিলাকে যাতে ভাল সমাজত থাকি দেশৰ সু-নাগৰিক হ'ব পাৰে তাৰ প্ৰতি প্ৰত্যেকজন অভিভাৱকে চকু দিয়া প্ৰয়োজন। এই ক্ষেত্ৰত মনোবিজ্ঞানী মেডাম মন্টেছৰীৰৰ এযাৰ কথা উল্লেখ কৰিব পাৰি। তেখেতৰ মতে 'ঘৰখনেই হ'ল শ্ৰেষ্ঠ স্কুল আৰু মাতৃয়েই হ'ল শ্ৰেষ্ঠ শিক্ষয়িত্ৰী' (Home is the best school and Mother is the best teacher.)

কিতাপ মুখস্থ কৰি পৰীক্ষাত পাছ কৰাই আচল শিক্ষা নহয় অৰ্থাৎ যি শিক্ষাই পৰিশ্ৰমৰ মৰ্যদা ৰক্ষা কৰি সু জীৱন-যাপনৰ প্ৰসস্থ পথ দেখুৱাব পাৰে, সেই শিক্ষাই হ'ল আচল শিক্ষা। ইয়াৰ বাবে ছাত্ৰ-ছাত্ৰীক লাগে দৈহিক, মানসিক আৰু আধ্যাত্মিকভাবে পৰিবেশ দিব পৰা সমাজ ব্যৱস্থা।

এই গতানুগতিক শিক্ষা ব্যৱস্থাৰ ফলত বৰ্তমান আমাৰ লগতে সমাজৰ সকলো মানুহ পৰশ্ৰীকাতৰ আৰু ঈৰ্ষা পৰায়ন হৈ পৰ চৰ্চা কৰি সময় বিনষ্ট কৰিছে। আজিৰ প্ৰতিযোগিতা প্ৰধান সমাজত অৰ্থনৈতিক কাৰণতো শিক্ষক, শিক্ষা আৰু ছাত্ৰৰ (Instructon Instrcution and students) মাজত সু-সম্বন্ধ নোহোৱা হৈছে।

বৰ্তমানৰ ছাত্ৰ সমাজৰ কাৰণে পুথিগত শিক্ষাৰ লগে লগে জীৱন নিৰ্বাহৰ কাৰণে উপযুক্ত পৰিবেশ সৃষ্টি কৰা নিতান্তই আৱশ্যক। সেই কাৰণে ছাত্ৰ-ছাত্ৰীক ভাল খেতি পথাৰ পৰিদৰ্শনৰ সুবিধা দিয়া সমবায় বেংক আৰু কুটীৰ শিল্প কৰ্মৰ অভিজ্ঞতা অৰ্জন কৰিব পৰা শিক্ষা দিয়া ইত্যাদিৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে। নিজৰ জীৱিকাৰ কাৰণে আত্ম সচেতনতা আৰু স্বাৱলম্বীতাৰ জ্ঞান আৰু অভিজ্ঞতা লাভ কৰাটো অতি আৱশ্যক।

এই ক্ষেত্ৰত মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাৰ নীতিকে দাঙি ধৰিব পাৰো। তেওঁৰ মতে- 'কামৰ মাজেৰে শিক্ষা দিয়া (Learning by doing) অৰ্থাৎ শিক্ষাৰ্থীক আত্মনিৰ্ভৰশীল কৰিবলৈ হ'লে কামৰ মাজেৰে শিক্ষা দিয়াটো অতি প্ৰয়োজনীয়। এইটো ঠিক যে, শিক্ষাদানৰ কৌশল যিমানে আধুনিক নাইবা উন্নত নহওঁক কিয় শিক্ষাৰ প্ৰকৃত সুফল পাবলৈ হলে পাঠ্যক্ৰম আৰু শিক্ষা ব্যৱস্থা তথা আঁচনিসমূহ হ'ব লাগিব কৰ্মমুখী।

শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীৰ মৌলিক সংস্কাৰ বিকাশ হোৱাটো বাঞ্চনীয় আজি আমাক এনে শিক্ষা লাগে যি শিক্ষাই জীৱন নিৰ্বাহৰ বাট মোকলাই দিব পাৰে। বৰ্তমান শিক্ষাক ফলৱতী কৰিবলৈ হলে শিক্ষকসকলে কাৰীকৰি শিক্ষা ক্ষেত্ৰ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰাৰ বাবে ব্যৱস্থা ল'ব লাগে।

□□□

# যিখন উপন্যাসৰ মোহ আজিও এৰিব পৰা নাই

মিছ মিৰজিনা বেগম
স্নাতক তৃতীয় ষাণ্মাসিক

আপুনি যদি মোক হঠাৎ সোধে যে আপোনাৰ আটাইতকৈ ভাল লগা অসমীয়া উপন্যাসখনৰ নাম কি? উত্তৰত মই বিনাদ্বিধাই কম যে 'সুবালা' - লেখক হোমেন বৰগোহাঞি। 'সুবালা' হ'ল হোমেন বৰগোহাঞিদেৱৰ বিখ্যাত উপন্যাস। ভাল লগাৰ কাৰণ - সুবালাৰ বাস্তবোচিত কাহিনী, পৰিবেশোচিত, চৰিত্ৰ-চিত্ৰন আৰু প্ৰাণস্পৰ্শী ভাষা, ঔপন্যাসিকৰ নিৰ্মোহ ক্ষুৰধাৰ বিশ্লেষণ আৰু কাহিনীৰ মাজে মাজে মুকুতাৰ দৰে উজলি থকা কেতবোৰ উক্তি, যি উক্তিত প্ৰতিভাত হয় একো একোটা বিশ্বজনীন সত্তা। তদুপৰি উপন্যাসখন লেখকৰ অভিজ্ঞতাৰ ভিত্তিত ৰচিত।

'সুবালা' নামৰ উপন্যাসখনৰ মূল চৰিত্ৰই হৈছে সুবালা। সুবালাক কেন্দ্ৰ কৰি সৃষ্ট পাৰ্শ্ব চৰিত্ৰসমূহ ক্ৰমে নৰেন, সুবালাৰ মাক, নৰেনৰ দেউতাক, কান্তি, সুবলাৰ ভায়েক বেঙা, জনৈক চৌধুৰী ইত্যাদি। এই উপন্যাসখনৰ কাহিনী সুবালাৰ জীৱনৰ কৰুণ কাহিনী। এই কাহিনীত লেখকে কেৱল সমাজৰ বঞ্চনা আৰু পেটৰ দায়ত বেশ্যাবৃত্তি অৱলম্বন কৰিবলৈ বাধ্য হোৱা সুবালাৰ জীৱনৰ কৰুণ কাহিনী বৰ্ণনা কৰিয়েই ক্ষান্ত থকা নাই, লগতে সাঙুৰিছে তথাকথিত সভ্য সমাজৰ সন্মানিত মহিলাসকলকো, যি সকলে ভদ্ৰ সমাজৰ মুখাপিন্ধি আধুনিক কল গাৰ্লৰ ৰূপত নিৰ্লজ্জভাৱে পৰপুৰুষত দেহ বিক্ৰী কৰে। আমাৰ সমাজত সুবালাৰ দৰে হতভাগিনীসকলে বেশ্যাবৃত্তি আকোৱালি ল'বলৈ বাধ্য হয় যেনিবা সমাজৰ প্ৰৱঞ্চনা আৰু নিজৰ গৰিবপীড়িত পেটৰ দায়ত। কিন্তু আধুনিক সভ্য সমাজৰ আঢ্যৱন্ত পৰিয়ালৰ শিক্ষিতা আৰু সন্মানিতাসকলে কিহৰ বাবে আধুনিক কল গাৰ্লৰ ৰূপত তেনে

এক নিকৃষ্ট কাম কৰে, কিহৰ তাড়নাত? ভালদৰে আমি যদি দেখো বুজাত অসুবিধা নহয় যে সেইসকলে পেটৰ দায়ত মুঠেই এই বৃত্তিক আদৰি লোৱা নাই, লৈছে মুখাপিন্ধা অভিজাত্য বৰ্তাই ৰখাৰ আৰু তাৰ সমান্তৰালভাৱে নিজৰ যৌৱনক উপভোগ কৰাৰ উদ্দেশ্যে। সুবালাৰ মাজে মাজে লেখকৰ এনেবোৰ বিশ্লেষণ পঢ়ি ভাবিবলৈ বাধ্য হওঁ যে আমাৰ সমাজৰ প্ৰকৃত বেশ্যাসকল কোন? সুবালাৰ দৰে হতভগিনীসকল নে ধনী পৰিয়ালৰ সন্মানিত কল গাৰ্লসকল? যিয়েই নহওক এই বৃত্তিত সুবালাক শুভালেও বাকী আনটো দলক নোশোভায়। ভদ্ৰতাৰ মুখাপিন্ধা এইসকল লোক যিমানেই আঢ্যৱন্ত, শিক্ষিত আৰু সমাজৰ মুধাফুটা নাৰী-পুৰুষ নহওক কিয় ইহঁত নিৰ্লজ্জ প্ৰকৃতিৰ লোক। দৰাচলতে এইসকলৰ বাবেই সৃষ্টি হয় আমাৰ সমাজত একো একোজনী সুবালাৰ।

এইবাৰ আহিছো সুবালা নামৰ উপন্যাসখনত লুকাই থকা দুটামান বিশ্বজনীন উদ্ধৃতি তথা সত্য উল্লেখ কৰিবলৈ।

'নপুংসকবোৰ যেনেকৈ মতাও নহয় মাইকীও নহয় বেশ্যাবোৰো ঠিক তেনেকৈ মানুহো নহয় জন্তুও নহয়।

পেটৰ জ্বালাত আমি নিজৰ দেহ বিক্ৰী কৰি খাইছো। কিন্তু পৃথিৱীত বেছিভাগ মানুহেই নিজৰ আত্মা বিক্ৰী কৰি খাইছে।

অন্য বজাৰৰ লগত নাৰী মাংসৰ বজাৰৰ পাৰ্থক্য কেৱল এটা ইয়াত সাধাৰণতে আটাইতকৈ কম ওজনৰ মাংস বেছি দামত বিক্ৰী হয়। 'সুবালা উপন্যাসখনৰ প্ৰতিটো শব্দৰ মাজত লুকাই আছে পাঠকৰ মন জয় কৰিব পৰা ক্ষমতা।

শেষত ইয়াকে কৈ সামৰিব খোজোঁ যে বৰগোহাঞিদেৱৰ সুবালা নামৰ উপন্যাসখন নিঃসন্দেহে অসমীয়া উপন্যাস সাহিত্যৰ এটা মাইলৰ খুঁটি, এখন সফল, পঠনযোগ্য আৰু সুখপাঠ্য উপন্যাস।

□□□

# সাম্প্ৰদায়িকতা, মানুহৰ চিন্তা, কিছু স্বাৰ্থপৰতা ইত্যাদি...

মঃ হাছেন আলী

প্ৰাক্তন ছাত্ৰ

**প্ৰস্তাৱনা ঃ** স্কুল-কলেজত পঢ়ি থাকোতে মাজে-সময়ে গল্প, উপন্যাস লিখিছিলো। দুই এটা কবিতাও লিখা মনত পৰে। প্ৰেম বিবাহ তথা সামাজিক ও সাংসাৰিক সমস্যাসমূহেই আছিল মোৰ লেখাৰ প্ৰধান চালিকা শক্তি। দিন বাগৰৰ লগে লগে বাতৰি কাকত তথা স্কুল কলেজৰ আলোচনীত সামাজিক সমস্যা সম্বলিত কিছু লেখনি লিখিবলৈ আৰম্ভ কৰিছিলো যদিও সেয়া যেন যথেষ্ট নাছিল। উৎসুক্য মনৰ উকমুকনিত কিবা এটা লিখাৰ আগ্ৰহ সততে জন্মে যদিও মন-মগজুৰ জড়তাৰ বাবে সেয়া সম্ভৱ হৈ নুঠে। তথাপিও কৰ্মৰ তাগিদাত বিভিন্ন ঠাই ঘূৰি ফুৰোতে এনে কিছুমান মানুহ তথা ঘটনা স্বচক্ষে প্ৰত্যক্ষ কৰা যায় যিসমূহ অনবৰতে মনটোত পাকঘূৰণি খাই থাকে। আচলতে আপোনাক সঁচা কথা ক'ব লাগিলে আপাত দৃষ্টিত সৰু হলেও কিছুমান ঘটনা মই সহজে হজম কৰিব নোৱাৰোঁ। এয়া সাধাৰণ নাগৰিক হিচাপে সমাজৰ প্ৰতি থকা দায়বদ্ধতা নে আন কিবা সেয়া আপোনালোকে বিচাৰ কৰি চাব পাৰিব।

পৰিবাৰ তথা দুই বছৰীয়া পুত্ৰ জুনাইদক লগত লৈ ওচৰৰে টাউনখনলৈ ওলাই আহিছিলো। নিত্য প্ৰয়োজনীয় বজাৰ কৰাৰ অৰ্থে। কিছু টকা ল'বলৈ বেংক এটাত সোমাবলৈ খটখটীৰে ওপৰ মহলাত গৈ দেখো গ্ৰাহকৰ উপস্থিতি তেনেই সেৰেঙা। আঠ-দহজন মানুহে টকা উঠাবলৈ থবলৈ বেংকৰ কাউন্টাৰত ভিৰ কৰিছে। গ্ৰাহকৰ বাবে সজাই থোৱা আসনসমূহত আত্ম সহায়ক গোট জাতীয় কামৰ বাবে অহা এজনী মহিলা তাৰ ওচৰতে বাৰ্দ্ধক্যৰ চাপ পৰা মলিয়ন কাপোৰ পিন্ধা এজনী বিধৱা বহি আছিল। পিছত গম পাই ছিলো বিধৱাজনী পেঞ্চন সংক্ৰান্তীয় কামত আহিছে। বেংকটোৰ এটা কোণত দালাল জাতীয় দুই চাৰিজন মানুহে ইফালে-সিফালে কাৰোবাৰ উপকাৰ কৰিব পাৰে নেকি ভাৱত ঘূৰা-ফুৰা কৰি আছিল। গ্ৰাহকৰ বাবে নিৰ্দ্দিষ্ট কৰি থোৱা আসনত পৰিবাৰ বহাৰ পাছত মোৰ ল'ৰাটোৱে তাৰ শিশুসুলভ ভাৱেৰে 'এইটো কি, সেইটো কি' আদি নামৰ প্ৰশ্ন কৰি আছিল। বেংকত সোমায়েই লক্ষ্য কৰিছিলো আটাইকেইজন মানুহৰ ভিতৰত স্থানীয় কলেজৰ প্ৰবক্তা এজন, প্ৰি-চিনিয়ৰ মাদ্ৰাছাৰ পৰা সদ্যশিক্ষা সমাপ্ত কৰি ওলাই অহা চফল ডেকা যিজন টেক্টৰৰ ঋণ সংক্ৰান্তীয় কামত আহিছে আৰু নাতি দূৰৈৰ গাঁৱৰ পৰা কেচিচিৰ খবৰ ল'বলৈ অহা দুজন কৃষকৰ সৈতে মোৰ চিনাকি আছিল যদিও ঘনিষ্টতা নাছিল। বেংকত মেনেজাৰকে আদি কৰি সকলো কৰ্মচাৰী কৰ্মত ব্যস্ত আছিল। পৰিবাৰৰ কাষত বহি থকা বিধৱাজনীয়ে অনৰ্গল কিবাকিবি কৈ আছিল। ভালদৰে লক্ষ কৰাত জানিব পাৰিছিলো যে কেইবাদিনো আগতে চৰকাৰৰ ফালৰ পৰা পোৱা বিধৱা পেঞ্চনৰ চেকখন বেংকত জমা হোৱা নাই বুলি কোৱাত তাই চকুৰে ধুৱলী-কুঁৱলী দেখিবলৈ আৰম্ভ কৰিছিল। বেংকত চেকৰ সন্ধানত ঘূৰি ঘূৰি তাই অতীষ্ঠ হৈ গৈছিল আৰু তাইৰ টকাটো ঘূৰাই পোৱাৰ নিশ্চয়তা নেদেখি বেংকৰ মেনেজাৰক তথা কৰ্মচাৰীৰ বিৰুদ্ধে বিষোদ্‌গাৰ প্ৰকাশ কৰিব ধৰিছিল। হঠাৎ জানো কি হ'ল আমি তৰ্কি বই নোৱাৰাকৈ বেংকৰ মেনেজাৰজন নিজৰ আসনৰ পৰা উঠি আহি বিধৱাজনীক চৰ, ভুকু, গোৰ সোধাবলৈ আৰম্ভ কৰিলে।

মহিলাজনী মজিয়াত পৰি যোৱাৰ পিছতো গুৰিয়াই গুৰিয়াই তাইক লেবেজান কৰি দিয়া হ'ল। মজিয়াতে পৰি থাকিয়েই তাই কান্দি কান্দি আউলী-বাউলী হৈ পৰিল। ঘটনাৰ আকস্মিকতাত মোক কণমানি পুত্ৰটোৱে ভয় খাই চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। বহু সময় চেষ্টা কৰিও তাৰ কান্দোন বন্ধ কৰিব পৰা নাছিলো। পৰিবাৰ খঙত অগ্নিগৰ্ভা হৈ মই নাথাকিলে 'তাইয়েই মেনেজাৰক এশিকনি' দিয়াৰ ভাব লৈ থাকিল। কলেজৰ প্ৰৱক্তা তথা আন গ্ৰাহকসকলও মেনেজাৰৰ প্ৰতি টু শব্দ এটা উচ্চাৰণ নকৰিলে। ইজনে সিজনৰ মুখলৈ চোৱাচুই কৰি থাকিল যদিও পৰিবাৰে 'আপোনালোকৰ দৰে মতা মানুহৰ কাম নাই' বুলি তীব্ৰ বাক্যবান এৰিবলৈ ধৰিলে। কোনেও একো নোকোৱাত ঘটনাটো সিমানতে ক্ষান্ত পৰিল।

সেইদিনা মেনেজাৰজনৰ শাস্তিৰ বহুত ৰাস্তা আছিল যদিও বাকীসকলক চাই মইয়ো স্বাৰ্থপৰ হৈ গলো যেন লাগে। আচলতে মোৰ কোনো স্বাৰ্থ নাছিল। না মই কোনো ঋণ ল'বলৈ গৈছিলো না ভৱিষ্যতত অন্য কোনো সুবিধা আদায়ৰ আশাত আছিলো। সঁচা কথা ক'ব গলে সেয়া মোৰ জীৱনৰ ডাঙৰ এটি ভুল আছিল। ইচ্ছা কৰাহেঁতেন বিধৱাজনীক মই ন্যায় দিয়াব পাৰিলোহেঁতেন। পৰিবাৰৰো সেয়া ইচ্ছা আছিল। কিন্তু মই পিছ হুহকি আহিলো। বিধৱাজনী ন্যায়ৰ পৰা বঞ্চিত হ'ল। এতিয়াও যেতিয়াই সেই বেংকটোৰ সন্মুখেদি মই যাওঁ বিধৱাজনীৰ অসহায় কৰুণ মুখখনৰ স্মৃতিয়ে মোক বৰকৈ আমনি কৰে। মই নিজকে ক্ষমা কৰিব নোৱাৰা হৈ যাওঁ। অন্যায়ৰ সতে সততে আপোছ নকৰা মোৰ মনটো অনুশোচনাত দগ্ধ হৈ পৰে। অন্যায়ৰ বিৰুদ্ধে মাত মাতিবলৈ আন দহজনৰ দৰে মই কিয় পলায়নবাদী ভূমিকা লৈছিলো? কেও কিছু নোহোৱা বিধৱাজনীৰ পক্ষত থিয় হৈ মই মেনেজাৰক কিয় জবাবদিহি কৰা নাছিলো? আচলতে মই ভয় খাইছিলো নেকি? এনে হাজাৰ প্ৰশ্নই মোৰ মনত এতিয়াও ডোলা দি যায়।

□□□

# ৰাষ্ট্ৰীয় সেৱা আঁচনি
## (Notional Service Scheme)

মঃ ইমৰাণ আলী
সহযোগী অধ্যাপক, আৰবী বিভাগ

**উদ্দেশ্য ও কাৰ্যৱলী ঃ**

আৰম্ভণীতে আমি জানিব লাগিব যে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ বিষয়ে আচলতে এই আঁচনি নো কি? ইয়াৰ কাৰ্যনো কি? এই ক্ষেত্ৰত ক'বলৈ হ'লে ৰাষ্ট্ৰীয় সেৱা আঁচনি হ'ল দেশ তথা ৰাষ্ট্ৰৰ হকে আগবঢ়োৱা সেৱা। ১৯৬৯ খ্ৰীষ্টাব্দত ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ আৰম্ভণী হয়। বিশেষকৈ স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কৰ্মৰ মৰ্য্যদা সম্পৰ্কে অৱগত কৰা, নিজৰ নিজৰ অঞ্চলৰ তথা সমাজৰ সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন সমস্যাসমূহ নিৰীক্ষণ কৰি মৰ্য্যদাবোৰৰ পৰা পৰিত্ৰাণৰ হকে স্বেচ্ছামূলকভাৱে নিজৰ সেৱা আগবঢ়াই সমাজতথা ৰাষ্ট্ৰৰ বিকাশত অৰিহণা যোগোৱাৰ লগতে এজন দেশৰ সু-নাগৰিক হিচাপে গঢ় দিয়া।

**ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্দেশ্য ঃ**

ভাৰতবৰ্ষৰ প্ৰায়বোৰ মহাবিদ্যালয়ৰ স্নাতক পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক এই আঁচনিত অন্তৰ্ভূক্ত কৰি নিজ নিজ মহাবিদ্যালয়/শিক্ষানুষ্ঠান তথা নিজৰ নিজৰ এলেকাৰ পৰিবেশ নিকা ও সুস্থ-সৱল কৰি ৰখা নিজকে স্বেচ্ছামূলক সেৱাৰ জৰিয়তে সমাজৰ পিছপৰা অঞ্চলৰ বিভিন্ন সমস্যাৰ বুজ লৈ সাধ্যানুযায়ী সেৱা আগবঢ়াই একোজন সামাজিক ব্যক্তি হিচাপে গঢ়ি তোলা। সেয়েহে দেশৰ সেৱাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিকাশকে (Development of the personality students through of Community Service) ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মুখ্য উদ্দেশ্য।

এই মহান উদ্দেশ্য সফলতাৰ ৰূপ দিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীসকলে কৰিবলগীয়া কৰ্মৰ কিছু আভাস তলত উল্লেখ কৰা হ'ল-

(ক) নিজকে মনে-প্ৰাণে এজন দেশৰ সু-নাগৰিক তথা সামাজিক ব্যক্তি হিচাপে গঢ় দিয়া।

(খ) নিজৰ অঞ্চলৰ সামূহিক সমস্যাবোৰ নিৰীক্ষণ কৰি সমাধানৰ চিন্তা-চৰ্চা তথা সেৱাৰ দ্বাৰা আত্ম নিয়োগ কৰা।

(গ) পাঠ্যপুথিৰ পৰা আহৰণ কৰা জ্ঞানবোৰ বাস্তৱত ৰূপ দি সমাজৰ জাতিৰ তথা ব্যক্তিৰ সমস্যা নিয়োগ কৰা।

(ঘ) নিজকে নেতৃত্ব দিবপৰা গুণৰ অধিকাৰী হৈ গণতান্ত্ৰিক চিন্তাধাৰাৰ বিকাশত নিজকে সচেতন কৰি তোলা।

(ঙ) নিজৰ মাতৃভূমিৰ জৰুৰীকালীন তথা বিপদ সংকুল অৱস্থা, বানপানী, ভূমিকম্প, মহামাৰী ইত্যাদিৰ সময়ত নিজকে সেৱাৰ বাবে প্ৰস্তুত কৰি ৰখা।

**ৰাষ্ট্ৰীয় সেৱাৰ মূল বাণী ঃ** ৰাষ্ট্ৰীয় সেৱাৰ মূল বাণী তথা মূল মন্ত্ৰ হ'ল- মোৰ বাবে নহয়, মই তোমাৰ বাবেহে' (Not me but you)। এই বাণী হৈছে ভাৰতীয় বিভিন্ন ধৰ্মৰ জীৱন পদ্ধতিৰ মূল নীতি। অদূৰ ভৱিষ্যতে আমাৰ মাতৃভূমি যাতে এখন দুৰ্নীতিমুক্ত সুস্থ-সৱল দেশ হিচাপে গঢ়ি উঠে তাৰেই সপোন বাস্তৱত ৰূপ দিবৰ বাবে ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে এই মূল নীতিটো গ্ৰহণ কৰি যুৱ ছাত্ৰ সমাজক অনুপ্ৰাণিত কৰাৰ প্ৰয়াস কৰিছে।

'মোৰ বাবে নহয়; মই তোমাৰ বাবেহে' এই মহৎ গুণটো হৃদয়ঙ্গম কৰিব পৰাজন সকলোৱে প্ৰতি সমতাৰ জ্ঞান কৰি নিঃস্বাৰ্থভাবে লোকসেৱাত ব্ৰতী হ'ব পাৰে। সমাজখনৰ সামগ্ৰিক উন্নতিৰ মাজেৰেহে ব্যক্তিৰ কল্যাণ সম্ভৱ হয়। গতিকে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অন্তৰ্ভূক্ত ছাত্ৰ-ছাত্ৰী তথা স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকলে উক্ত বিশেষ মন্ত্ৰৰ জৰিয়তে সততে অনুপ্ৰাণিত হ'ব পাৰে।

**N.S.S. ৰ প্ৰতীক ঃ** N.S.S. ৰ প্ৰতীক সম্পৰ্কে চমুকৈ ক'বলৈ হ'লে উৰিষ্যাৰ কোনাৰ্কৰ সূৰ্য্যমন্দিৰত থকা ৰথ চক্ৰটোকে ইয়াৰ প্ৰতীক হিচাপে



লোৱা হৈছে। ইয়াৰ কাৰণটো হ'ল মানৱ জীৱনৰ কাৰ্যময়তা আৰু গতিময়তাক বুজোৱা হৈছে।

**N.S.S. ৰ বেজ ঃ** N.S.S. ৰ বগা ৰঙৰ বেজটো স্বেচ্ছাসেৱকসকলে আঁচনিৰ কৰ্মৰত অৱস্থাত পৰিধান কৰাটো বাধ্যতামূলক কিয়নো ই স্বেচ্ছাসেৱক সকলৰ গুণগত বৈশিষ্ট্য প্ৰকাশ কৰে। এই বেজত থকা ৰঙা ৰংটোৱে শক্তি আৰু কৰ্মোদ্যমৰ পৰিচায়ক স্বেচ্ছাসেৱক সকলৰ তেজক বুজায়। পাতল সেউজীয়া ৰঙে ৰাষ্ট্ৰ আৰু মানৱতাৰ বাবে তেওঁলোকৰ একাগ্ৰতাক বুজায়।

**আঁচনি বিষয়াৰ কাৰ্যাৱলী ঃ**

আঁচনি বিষয়াজনেই হ'ল ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ অন্তৰ্ভূক্ত স্বেচ্ছাসেৱক। স্বেচ্ছাসেৱিকা সকলৰ লগতে আন ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলৰ মাজৰ প্ৰধান সূত্ৰধাৰ। এই গোটৰ তত্বাৱধানত হ'বলগীয়া কৰ্মসূচী ৰূপায়নত আঁচনি বিষয়াজনৰ ভূমিকা অতিকে প্ৰয়োজনীয়। আঁচনি সম্পৰ্কে সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি কৰা। চৰকাৰী বিভাগ, বিভিন্ন প্ৰতিষ্ঠান তথা বেচৰকাৰী সংস্থা আদিৰ সৈতে যোগাযোগ কৰি কৰ্ম আঁচনিসমূহৰ সফল ৰূপায়ণত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে লগতে ছাত্ৰ-ছাত্ৰীসকলকো অনুপ্ৰাণিত কৰি স্বাধীনভাৱে কৰ্মত ব্ৰতী হ'বলৈ আঁচনি বিষয়াজনে এই আঁচনিৰ উদ্দেশ্য, লক্ষ্য, কৰ্মৰ পদ্ধতি আদিৰ বিষয়ে বিষদভাৱে আত ধৰিব লাগিব।

**ৰাষ্ট্ৰীয় কৰ্ম আঁচনিৰ কাৰ্যৱলী ঃ** সাধাৰণতে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কৰ্ম দুই ধৰণে ৰূপায়ণ কৰা হয়। যেনে- (ক) নিয়মীয়া কৰ্ম আঁচনি আৰু (খ) বিশেষ শিবিৰ কৰ্ম আঁচনি।

**(ক) নিয়মীয়া কৰ্ম আঁচনি ঃ**

এই আঁচনিৰ জৰিয়তে ৰূপায়ণ কৰিব লগা অনুষ্ঠানবোৰ হ'ল যেনে- নিজৰ শিক্ষানুষ্ঠানখন সময়ে সময়ে পৰিষ্কাৰ পৰিচ্ছন্ন কৰি ৰখা, বিশেষ কোনো বিষয়ৰ ওপৰত আলোচনা চক্ৰ অনুষ্ঠিত কৰা, শাৰীৰিক ব্যায়ামৰ চৰ্চা কৰা ইত্যাদি। লগতে Adopted Village যতসময়েসময়ে স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা সকল গৈ গাঁওখনৰ বিভিন্ন অভাৱ-অভিযোগৰ বিষয়ে কিছু তথ্য সংগ্ৰহ কৰি তাৰ প্ৰতিকাৰৰ দিহা-পৰামৰ্শ কৰা, গাঁওখনৰ শিশুসকলৰ শাৰীৰিক, মানসিক তথা শৈক্ষিক দিশত নিজৰ পৰামৰ্শ আগবঢ়োৱা তথা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি সজাগতা সৃষ্টি কৰা ইত্যাদি।

**(খ) বিশেষ শিবিৰ কৰ্ম আঁচনি ঃ** এই বিশেষ আঁচনিৰ অধীনত পূৰ্বতে নিৰ্দ্ধাৰিত কৰা Adopted Village খনত কোনো এটা বিশেষ কাৰ্য সম্পাদনাৰ বাবে কমেও এসপ্তাহ অৱস্থান কৰা আৰু নিজৰ সেৱা আগবঢ়োৱা। এই আঁচনিখন ৰূপায়ণত আঁচনি বিষয়াই সমস্ত পৰিকল্পনা আৰু ব্যৱস্থাপনা কৰিব লাগে। লগতে স্বেচ্ছাসেৱক সকলৰ মাজৰ পৰা দক্ষতা অনুযায়ী কিছু সংখ্যক স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা বাচনি কৰি ল'ব লাগে। এই বিশেষ আঁচনিৰ ভিতৰত যেনে- বাট-পথৰ মেৰামতি, ক্ষেত্ৰভিত্তিক অধ্যয়নৰ বাবে গাঁওখনৰ প্ৰতিঘৰ মানুহৰ ঘৰত গৈ সাক্ষাৎকাৰ, প্ৰশ্নোত্তৰৰ জৰিয়তে স্থানীয় সমস্যাবোৰ উদ্‌ঘাটন কৰিব লাগিব। শিক্ষাৰ ক্ষেত্ৰত পিছ পৰা হ'লে নিৰ্দ্ধাৰিত দিনকেইটাত শিশুসকলৰ শিক্ষা প্ৰদানৰ দৰে অনুষ্ঠান ৰূপায়ণ কৰা হয় আৰু ই সজাগতা আনিবৰ বাবে স্বেচ্ছাসেৱক সকলে বাটৰ নাট, বক্তৃতা, বিভিন্ন, গীত-মাত আদি কৌশলবোৰ প্ৰয়োগ কৰা হয়।

**N.S.S. ৰ গোটৰ কাৰ্যালয় আৰু যাৱতীয় নথিপত্ৰ ঃ** বিশেষকৈ যুৱ সমাজক সামাজিকভাৱে অনুপ্ৰাণিত কৰি দেশ তথা মাতৃভূমিৰ সুযোগ্য সন্তানৰূপে গঢ়ি তোলাৰ বিভিন্ন সৎ মাধ্যম বিলাকৰে এটা মাধ্যম হ'ল এই N.S.S. Unit টো। এই গোটৰ কৰ্মৰ পদ্ধতিও অতিকে ব্যাপক হোৱা হেতুকে N.S.S. Unit অৰ এটি সুকীয়া কোঠাৰ প্ৰয়োজন কাৰণ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লগত জড়িত সকলো ধৰণৰ যাৱতীয় নথি-পত্ৰ সা-সজুঁলি ইত্যাদিবোৰ সযতনে ৰাখিব লাগে। যেনে -

১) নাম ভৰ্তিকৰণ/পঞ্জীয়ন বহী (Enrolment Register)

২) কৰ্ম আঁচনিৰ বহী (Project Register)

৩) নগদ/ৰোক বহী (Cash Book)

৪) হাজিৰা বহী (Record Book)

৫) সভাৰ কাৰ্যবিৱৰণী লিখি ৰখা বহী (Minute Book)

৬) সা-সজুঁলিৰ হিচাপ বহী (Stock Book)

৭) আঁচনি বিষয়াৰ ব্যক্তিগত দিনলিপি (Programme Book)

N.S.S. গোটৰ সমূহ স্বেচ্ছাসেৱক/স্বেচ্ছাসেৱিকা সকলৰ কিছুমান মহৎ দায়িত্ব তলত উল্লেখ কৰা ধৰণে অধিকাৰী হোৱাটো ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মূল উদ্দেশ্য -

১) গোটটো যিটো অনুষ্ঠানৰ অন্তৰ্গত, উক্ত অনুষ্ঠানৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰা।

২) মনোনীত কৰা এলেকাৰ সমস্যাবোৰ বুজিবলৈ চেষ্টা কৰা।

৩) গাঁওৰ ৰাইজে বিচৰামতে সহাৰি দিয়া।

৪) নিজৰ মাজত নেতৃত্বৰ গুণাৱলীৰ বিকাশ সাধন কৰা।

৫) নিজৰ চৰিত্ৰৰ সংশোধন কৰা।

৬) সকলো সময়তে সাধুতাৰ পৰিচয় দাঙি ধৰি সেৱা আগবঢ়োৱা।

নিজৰ মাতৃভূমি, তথা দেশৰ কল্যাণৰ হকে নিজকে অৰ্পিত কৰিব পাৰিলেহে জীৱন সাৰ্থক হ'ব। সেয়ে বৃহৎ যুৱ সমাজখনে আত্ম সংস্কাৰৰ দৰে সংস্কাৰ কৰিলে দেশে প্ৰগতিৰ পথত আগবাঢ়ি যাব পাৰিব। সেয়ে এই মহান কাম বাস্তৱত ৰূপ দিবলৈ হ'লে N.S.S ৰ দৰে গোটৰ মাধ্যমেৰে যুৱ সমাজক অনুপ্ৰাণিত কৰিব লাগিব। তেতিয়াহে আমাৰ দেশে প্ৰগতিৰ নতুন সাজেৰে সজ্জিত হ'ব পাৰিব।

□□□

# আন্তৰ্জাতিক নাৰী দিৱস

## (এক উপলব্ধি)

খন্দকাৰ দেলোৱাৰ হুছেইন
উচ্চ বৰ্গৰ সহায়ক

প্ৰতি বছৰে ৮ মাৰ্চ তাৰিখটো গোটেই বিশ্বৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত আন্তৰ্জাতিক নাৰী দিৱস হিচাপে পালন কৰা হয়। সেই উদ্দেশ্যেই খাৰুপেটীয়া মহাবিদ্যালয়ৰ মহিলাকোষে ৮ মাৰ্চ তাৰিখে আন্তৰ্জাতিক নাৰী দিৱস উদ্‌যাপন কৰে।

১৯৭৫ চনৰ ৮ মাৰ্চত বিশ্ব সংস্থাই প্ৰতি বছৰেই উক্ত দিনটো "আন্তৰ্জাতিক নাৰী দিৱস" ৰূপে পালন কৰা হ'ব বুলি স্বীকৃতি প্ৰদান কৰাৰ পিছৰে পৰাই বিশ্বৰ নাৰী সকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত বছৰৰ বাকী দিনবোৰত গুৰুত্ব নাপালেও এই বিশেষ দিনটোত গুৰুত্ব সহকাৰে লোৱা হয়।

আন্তৰ্জাতিক নাৰী দিৱসৰ মুখ্য উদ্দেশ্য হ'ল— ১। নাৰীৰ ওপৰত হোৱা অত্যাচাৰ, নিৰ্য্যাতন ৰোধ কৰা।

২। নাৰীৰ স্থিতি স্পষ্ট, উন্নত কৰা।

৩। সকলো নাৰীকেই আৰ্থিক ভাৱে আত্ম নিৰ্ভৰশীল কৰা।

৪। প্ৰতিগৰাকী নাৰীকেই আৰ্থিক ভাৱে শিক্ষিত কৰা আৰু সমাজত নাৰীয়েও পুৰুষৰ সমমৰ্য্যদা তথা অধিকাৰ পোৱা।

'Home is the best School, Mother is the best teacher' এই বাক্যশাৰীক কোনেও নুই কৰিব নোৱাৰে। সৰুতে শিশুৱে মাতৃ গৰাকীৰ পৰা যি শিক্ষা আহৰণ কৰে, সেই শিক্ষাই তেওঁলোকৰ জীৱনত প্ৰতিফলিত হয়। সু-সংস্কাৰ, সু-শিক্ষা কেৱল সেইগৰাকী মাতৃয়েহে দিব পাৰে, যি গৰাকী মাতৃয়ে এটা সুস্থ সামাজিক পৰিবেশত ডাঙৰ-দীঘল হয় আৰু প্ৰকৃতাৰ্থত সু-শিক্ষিত হৈ সাংসাৰিক বান্ধোনত সোমায়।

স্বভাৱজাত কাৰণত নাৰীসকল সহনশীল, ধৈৰ্য্যশীল, মৰমীয়াল, দয়াৱতী আদি গুণৰ সমাহাৰ। 'নাৰী' শব্দ উচ্চৰণৰ মানস পটত প্ৰেম, কৰুণা আৰু মমতাৰে ভৰা এটি কমনীয় প্ৰতিমূৰ্তি ভাঁহি আহে। নাৰী অবিহনে যেন পৃথিৱীৰ সৃষ্টিয়েই সম্ভৱ নহ'লহেঁতেন। পুৰণি কালৰ পৰাই নাৰীয়ে সমাজত বিশেষ স্থান দখল কৰি আহিছে। বৰ্তমান যুগত নাৰী পুৰুষতকৈ কোনো গুণেই কম নহয়। ৰাজনীতি, অৰ্থনীতি আদি নানা বিষয়ত আগস্থান দখল কৰি আহিছে।



আজিৰ কুৰি শতিকাতো নাৰীয়ে বিশ্বৰ বিভিন্ন বিভাগত উচ্চ স্থান দখল কৰাৰ উদাহৰণ আছে। উদাহৰণ স্বৰূপে বাংলাদেশৰ প্ৰধান মন্ত্ৰী শ্বেইখ হাছিনা, কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধী আৰু পাকিস্থানৰ প্ৰয়াত প্ৰাক্তন প্ৰধান মন্ত্ৰী বেনজীৰ ভূট্টো, হিনা ৰাব্বানী খায়েৰ আদিৰ নাম উল্লেখযোগ্য।

অসমৰ এজন চিকিৎসকে তামিল নাডুত চিকিৎসা কৰিবলৈ গৈছিল। বাছত গৈ থাকোতে এগৰাকী তামিল মহিলা থিয় হৈ থকা অৱস্থাত দেখা পাই তেওঁ নিজৰ আসন এৰি দি তেওঁক বহিবলৈ অনুৰোধ কৰিছিল। তেতিয়া মহিলা গৰাকীয়ে তামিল ভাষাত ভোৰ ভোৰাইছিল। তাৰ পিছত তেওঁ এজন মানুহক কি ক'লে বুলি সোধাত তেওঁ কৈছিল— 'আজিৰ যুগত মহিলা সকল দুৰ্বল নহয়, পুৰুষৰ সমানে ফেৰ মাৰিব পাৰে বুলিহে কৈছিল।'

পুৰুষ প্ৰধান সমাজত নাৰীৰ স্থান অৱহেলিত। 'আমাৰ অসম' কাকতত 'অৰ্চনা দত্ত' বাইদেউৰ ধাৰাবাহিক ভাৱে প্ৰকাশিত 'মলয়া মাতৃ হ'ল' শীৰ্ষক উপন্যাসৰ এটি খণ্ড পঢ়ি এগৰাকী মহিলাই কান্দি কান্দি কৈছিল— 'এটা সন্তানৰ মাতৃ হ'ব নোৱাৰা বাবেই সমাজত শহুৰ, শাহু আনকি স্বামীৰ পৰাও শাৰীৰিক, মানসিক যাতনা সহিবলগীয়া হৈছিল। নাৰী যেন সন্তান জন্ম দিয়া যন্ত্ৰহে। এই যন্ত্ৰটোত অক্ষমতা মানেই সমাজৰ বাবে এটি পেলনীয়া যন্ত্ৰহে।'

নাৰীয়ে আজিও অনিচ্ছাকৃত ভাৱে উন্মাদ, মদাহী স্বামীৰ আসুৰিক অত্যাচাৰ নীৰৱে সহি সমাজত বিবাহিতা স্ত্ৰী বুলি পৰিচয় দি জীয়াই থাকে। এবাৰ এগৰাকী বিধৱা মহিলাই কথা প্ৰসঙ্গত কৈছিল— স্বামীৰ মৃত্যু হোৱা দিনাখন ঘৰৰ আন সদস্য সকলে তেওঁক টানি আজুৰি বাহিৰত চোতাললৈ আনিছিল; যাতে তেওঁৰ কপালৰ সেন্দুৰৰ ফোঁটটো মৃত স্বামীৰ ভৰিৰ বুঢ়া আঙুলিৰে মোহাৰি দিয়া হয়। সেই মুহূৰ্তত তেওঁৰ সপ্তম শ্ৰেণীত পঢ়ি থকা ছোৱালী এজনীয়ে কৈছিল— তোমালোকে মাক কিয় এনেকৈ টনা আজোঁৰা কৰিছা। আহ! কি যে হৃদয় বিদাৰক দৃশ্য। বাছত অহা যোৱা কৰা বহু মহিলাই বিকৃত মানসিকতাৰ এচাম পুৰুষৰ দ্বাৰা অপমানিত হ'ব লাগে। আন এগৰাকী নাৰীয়ে অৰ্চনা দত্ত বাইদেউলৈ ফোনত কৈছিল— জলাতংক ৰোগীয়ে যিদৰে পানীলৈ ভয় কৰে; ঠিক সেইদৰে তেওঁৰ মদাহী স্বামী ঘৰলৈ অহাৰ পিছত যি পৰিস্থিতিৰ সৃষ্টি হয়, সেই কথা ভাবিয়েই দিনৰ দিনটো থৰ হৰি কম্পমান হৈ থাকে। সেই শিক্ষিত মহিলা গৰাকীয়ে কৈছিল— মা-দেউতাই মোক শিক্ষিত কৰিলে হয়, কিন্তু সাহিয়াল হবলৈ নিশিকালে।

পুৰুষ প্ৰধান সমাজত নাৰীয়েই যে কেৱল লাঞ্চিতা, বঞ্চিতা হয় সেয়াও নহয়। পুৰুষেও কেতিয়াবা কেতিয়াবা নাৰীৰ দ্বাৰা লাঞ্চিতা হোৱা দেখা যায়। যিসকল নাৰীয়ে চাকৰি কৰে; যদি পুৰুষে চাকৰি নকৰে তেন্তে সেই সকল পুৰুষো নাৰীৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয় আৰু তেতিয়া নাৰীয়ে তাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰে।

বিদুষী নাৰী এগৰাকীয়ে সমাজৰ বিভিন্ন নাৰীৰ লগত আলোচনা কৰাৰ পিছত তেওঁ অনুভৱ কৰিছে যে নাৰী শিক্ষিত স্বাৱলম্বী নোহাৱা তথা সৎ সাহসৰ অভাৱৰ বাবে নিজ ইচ্ছা অনিচ্ছা সকলো জলাঞ্জলি দি ওৰে জীৱন নীৰৱে যাতনা সহে। নীৰৱে সহা নাৰী সকল এদিন ওলাই আহিব। নিজকে দুৰ্কপলীয়া বুলি নিৰাশ নিঃসঙ্গতাৰ মাজেদি দিন পাৰ কৰা এই নাৰী সকলে অন্যায়ৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰাৰ সৎ সাহস এদিন নিশ্চয় দেখুৱাব।

সমগ্ৰ দেশতে নিৰ্বিচাৰে চলি থকা নাৰী নিৰ্যাতনৰ ঘটনাবোৰ ৰোধ কৰি নাৰীক সম্ভৱপৰ সকলো সুৰক্ষা আৰু নিৰাপত্তা দিবলৈ কেন্দ্ৰীয় চৰকাৰে ১৯৯২ চনত ৰাষ্ট্ৰীয় মহিলা আয়োগ গঠন কৰিছিল। নাৰীক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত এই স্বতন্ত্ৰ অনুষ্ঠানটো কিমান সফল হৈছে; সিও বিচাৰ্য্যৰ বিষয়। নাৰীয়ে সুৰক্ষিত অনুভৱ কৰিবলৈ নাৰী প্ৰকৃতাৰ্থত শিক্ষিত আৰু স্বাৱলম্বী হোৱাটো জৰুৰী হৈ পৰিছে।

*(এই লিখনিটো যুগুত কৰোতে "আমাৰ অসম" আৰু "অসমীয়া খবৰ" কাকতৰ সহায় লোৱা হৈছে।)*

□□□

গল্প —

# প্ৰেমৰ এক অবুজ শিহৰণ

ছাদ্দাম হুছেইন
স্নাতক পঞ্চম ষাণ্মাসিক

প্ৰায় দুবছৰমান আগৰ ঘটনা......। এদিনাখন ৰাতিপুৱা ৯ মান বজাত গুৱাহাটী অভিমুখে Interview দিবলৈ বাছেৰে ৰাওনা হ'লো। কিছু সময় গাড়ীখন যোৱাৰ পাছত আধা বাটত এজনী ছোৱালী মোৰ কাষতে থকা চিটত বহি ল'লে, তেতিয়া মই হাতত থকা বাহিৰা কিতাপ এখনত চকু ফুৰাই আছিলো। এনেতে ছোৱালী জনীয়ে ক'লে.....!

'Excuse me'

দাদা, আপোনাক ক'ৰবাত লগ পোৱা যেন লাগিছে। ছোৱালীজনীৰ পূৰ্ণিমাৰ জোনটোৰ দৰে উজ্জ্বল মুখৰফালে একেথৰে অলপ সময় চাই থাকিলো।

'Sorry'

মোৰ নামটো আপোনাক কোৱাই নাই নহয়।

মোৰ নাম মনালিছা।

আপোনাৰ নামটো কি?

মোৰ নাম পংকজ।

মনালিছা ঃ ক'ত যাব দাদা........!

পংকজ ঃ গুৱাহাটীলৈ যাম।

তুমি ক'লৈ যাবা?

মনালিছা ঃ মইয়ো গুৱাহাটীলৈ যাম। মই গুৱাহাটীত ওকালতি পঢ়ি আছো।

পংকজ ঃ Thank you!

প্ৰথম চিনাকিতে আমাৰ মাজত বহুতো কথা-বতৰাৰে বন্ধুত্ব গঢ়ি উঠিল আৰু অৱশেষত মোবাইল নাম্বাৰৰো আদান-প্ৰদান হ'ল। তথাপিও বাছখনৰ গতি একে আছিল, মাজে সময়ে মনালিছাই মোলৈ ফোন কৰে। মইয়ো সময় উলিয়াই তাইৰ লগত কথা-বতৰা পাতো। দিনবোৰ আগবঢ়াৰ লগে লগে মনালিছা আৰু মোৰ মাজৰ বন্ধুত্ব দিনক দিনে গভীৰ প্ৰেমলৈ পৰিণত হ'ল। দুটি শব্দ য'ত থাকে, সপোনত যিয়ে নেকি পাগল কৰি তোলে, য'ত হয় দুখৰ ধুমুহা য'লৈ নামি আহে বিষাদৰ নিজৰা সেয়াই হয়তো পৃথিৱীৰ বহুল চৰ্চিত সেই শব্দটি আবেগৰ পাগ্‌লামিয়েই হ'ল প্ৰেম।

কিন্তু মনালিছা হ'ল ধনী ঘৰৰ ছোৱালী মই হ'লো দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা পৰিয়ালৰ। "মনালিছা, আমাৰ জানো সপোন বাস্তৱত পৰিণত হ'ব? আমি জানো উচ্চ-নীচৰ দেৱাল খন ভাঙিব পাৰিম? মই কিন্তু তোমাক জীৱন লগৰী হিচাপে পাব বিচাৰোঁ। উচ্চ-নীচৰ দেৱাল ভাঙিব পাৰিবানে? তুমি...?"

এইবোৰ কি কোৱা তুমি। পংকজ, আমি চবে মানুহৰ জীৱন লৈ পৃথিৱীলৈ আহিছো। সময়ৰ প্ৰয়োজনত সকলো কৰিব পাৰিম। তোমাৰ বাবে মই অতিক্ৰম কৰিব পাৰো সমস্ত ভয়, বিপদ, তুচ্ছ, তাচ্ছিল্যক অগ্ৰাহ্য, মৃত্যুক কৰিব পাৰো অপেক্ষা। এনেতে চাকৰিটো পালোঁ। দুখৰ সাগৰত যেন সুখৰ জোন দেখা পালো। অভিযন্তা হিচাপে Posting হ'ল শিৱসাগৰত কথাষাৰ মনালিছাই শুনাৰ লগে লগে অলপ সময় নিৰৱ হৈ ৰ'ল। কিছু সময় পিছত কুমলীয়া মাতেৰে ক'লে চকুৰ আঁতৰ হোৱাৰ লগে লগে মনৰ আঁতৰ নহবা পংকজ....। প্ৰথমতে মনালিছাৰ পৰা আঁতৰত থাকিব লগা হোৱাত মই বহুতো কষ্ট পাইছিলো। কিন্তু কৰ্তব্যৰ খাতিৰত থাকিব লগা হ'ল। কিছুদিন পাছত মনালিছাই ওকালতি পাছ কৰি আহিল। মনালিছাৰ বাবে ভাল ভাল সম্বন্ধ আহিবলৈ ধৰিলে। সেই বিষয়ে মনালিছাই মোক একো কোৱা নাছিল। লাহে লাহে মোলৈ ফোন কমালে।

এবছৰমান পিছত পূজাৰ বন্ধত মই ঘৰলৈ আহিলো। পিছদিনা গধূলি সময়ত গাড়ীখন লৈ মনালিছাহঁতৰ ঘৰৰ ফালে ফুৰিবলৈ ওলাই গ'লো। এনেতে মনালিছাহতঁৰ ঘৰত জাক্ জমকেৰে ৰভা সজোঁৱা দেখা পোৱাত গাড়ীখনৰ গতিবেগ কমালো। পিছফালৰ পৰা মোৰ বন্ধু এজনে মাত লগালে....।

হাৰে, কেতিয়া আহিলি অ'



দখল কৰি আহিছে।

আজিৰ কুৰি শতিকাতো নাৰীয়ে বিশ্বৰ বিভিন্ন বিভাগত উচ্চ স্থান দখল কৰাৰ উদাহৰণ আছে। উদাহৰণ স্বৰূপে বাংলাদেশৰ প্ৰধান মন্ত্ৰী শ্বেইখ হাছিনা, কংগ্ৰেছ সভানেত্ৰী ছোনিয়া গান্ধী আৰু পাকিস্থানৰ প্ৰয়াত প্ৰাক্তন প্ৰধান মন্ত্ৰী বেনজীৰ ভূট্টো, হিনা ৰাব্বানী খায়েৰ আদিৰ নাম উল্লেখযোগ্য।

অসমৰ এজন চিকিৎসকে তামিল নাডুত চিকিৎসা কৰিবলৈ গৈছিল। বাছত গৈ থাকোতে এগৰাকী তামিল মহিলা থিয় হৈ থকা অৱস্থাত দেখা পাই তেওঁ নিজৰ আসন এৰি দি তেওঁক বহিবলৈ অনুৰোধ কৰিছিল। তেতিয়া মহিলা গৰাকীয়ে তামিল ভাষাত ভোৰ ভোৰাইছিল। তাৰ পিছত তেওঁ এজন মানুহক কি ক'লে বুলি সোধাত তেওঁ কৈছিল— 'আজিৰ যুগত মহিলা সকল দুৰ্বল নহয়, পুৰুষৰ সমানে ফেৰ মাৰিব পাৰে বুলিহে কৈছিল।'

পুৰুষ প্ৰধান সমাজত নাৰীৰ স্থান অৱহেলিত। 'আমাৰ অসম' কাকতত 'অৰ্চনা দত্ত' বাইদেউৰ ধাৰাবাহিক ভাৱে প্ৰকাশিত 'মলয়া মাতৃ হ'ল' শীৰ্ষক উপন্যাসৰ এটি খণ্ড পঢ়ি এগৰাকী মহিলাই কান্দি কান্দি কৈছিল— 'এটা সন্তানৰ মাতৃ হ'ব নোৱাৰা বাবেই সমাজত শহুৰ, শাহু আনকি স্বামীৰ পৰাও শাৰীৰিক, মানসিক যাতনা সহিবলগীয়া হৈছিল। নাৰী যেন সন্তান জন্ম দিয়া যন্ত্ৰহে। এই যন্ত্ৰটোত অক্ষমতা মানেই সমাজৰ বাবে এটি পেলনীয়া যন্ত্ৰহে।'

নাৰীয়ে আজিও অনিচ্ছাকৃত ভাৱে উন্মাদ, মদাহী স্বামীৰ আসুৰিক অত্যাচাৰ নীৰৱে সহি সমাজত বিবাহিতা স্ত্ৰী বুলি পৰিচয় দি জীয়াই থাকে। এবাৰ এগৰাকী বিধৱা মহিলাই কথা প্ৰসঙ্গত কৈছিল— স্বামীৰ মৃত্যু হোৱা দিনাখন ঘৰৰ আন সদস্য সকলে তেওঁক টানি আজুৰি বাহিৰত চোতাললৈ আনিছিল; যাতে তেওঁৰ কপালৰ সেন্দুৰৰ ফোঁটটো মৃত স্বামীৰ ভৰিৰ বুঢ়া আঙুলিৰে মোহাৰি দিয়া হয়। সেই মুহূৰ্তত তেওঁৰ সপ্তম শ্ৰেণীত পঢ়ি থকা ছোৱালী এজনীয়ে কৈছিল— তোমালোকে মাক কিয় এনেকৈ টনা আজোঁৰা কৰিছা। আহ! কি যে হৃদয় বিদাৰক দৃশ্য। বাছত অহা যোৱা কৰা বহু মহিলাই বিকৃত মানসিকতাৰ এচাম পুৰুষৰ দ্বাৰা অপমানিত হ'ব লাগে। আন এগৰাকী নাৰীয়ে অৰ্চনা দত্ত বাইদেউলৈ ফোনত কৈছিল— জলাতংক ৰোগীয়ে যিদৰে পানীলৈ ভয় কৰে; ঠিক সেইদৰে তেওঁৰ মদাহী স্বামী ঘৰলৈ অহাৰ পিছত যি পৰিস্থিতিৰ সৃষ্টি হয়, সেই কথা ভাবিয়েই দিনৰ দিনটো থৰ হৰি কম্পমান হৈ থাকে। সেই শিক্ষিত মহিলা গৰাকীয়ে কৈছিল— মা-দেউতাই মোক শিক্ষিত কৰিলে হয়, কিন্তু সাহিয়াল হবলৈ নিশিকালে।

পুৰুষ প্ৰধান সমাজত নাৰীয়েই যে কেৱল লাঞ্ছিতা, বঞ্চিতা হয় সেয়াও নহয়। পুৰুষেও কেতিয়াবা কেতিয়াবা নাৰীৰ দ্বাৰা লাঞ্ছিতা হোৱা দেখা যায়। যিসকল নাৰীয়ে চাকৰি কৰে; যদি পুৰুষে চাকৰি নকৰে তেন্তে সেই সকল পুৰুষো নাৰীৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয় আৰু তেতিয়া নাৰীয়ে তাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰে।

বিদুষী নাৰী এগৰাকীয়ে সমাজৰ বিভিন্ন নাৰীৰ লগত আলোচনা কৰাৰ পিছত তেওঁ অনুভৱ কৰিছে যে নাৰী শিক্ষিত স্বাৱলম্বী নোহাৱা তথা সৎ সাহসৰ অভাৱৰ বাবে নিজ ইচ্ছা অনিচ্ছা সকলো জলাঞ্জলি দি ওৰে জীৱন নীৰৱে যাতনা সহে। নীৰৱে সহা নাৰী সকল এদিন ওলাই আহিব। নিজকে দুৰ্কপলীয়া বুলি নিৰাশ নিঃসঙ্গতাৰ মাজেদি দিন পাৰ কৰা এই নাৰী সকলে অন্যায়ৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰাৰ সৎ সাহস এদিন নিশ্চয় দেখুৱাব।

সমগ্ৰ দেশতে নিৰ্বিচাৰে চলি থকা নাৰী নিৰ্যাতনৰ ঘটনাবোৰ ৰোধ কৰি নাৰীক সম্ভৱপৰ সকলো সুৰক্ষা আৰু নিৰাপত্তা দিবলৈ কেন্দ্ৰীয় চৰকাৰে ১৯৯২ চনত ৰাষ্ট্ৰীয় মহিলা আয়োগ গঠন কৰিছিল। নাৰীক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত এই স্বতন্ত্ৰ অনুষ্ঠানটো কিমান সফল হৈছে; সিও বিচাৰ্য্যৰ বিষয়। নাৰীয়ে সুৰক্ষিত অনুভৱ কৰিবলৈ নাৰী প্ৰকৃতাৰ্থত শিক্ষিত আৰু স্বাৱলম্বী হোৱাটো জৰুৰী হৈ পৰিছে।

*(এই লিখনিটো যুগুত কৰোতে "আমাৰ অসম" আৰু "অসমীয়া খবৰ" কাকতৰ সহায় লোৱা হৈছে।)*

□□□

**গল্প —**

# প্ৰেমৰ এক অবুজ শিহৰণ

ছাদ্দাম হুছেইন
স্নাতক পঞ্চম ষাণ্মাসিক

প্ৰায় দুবছৰমান আগৰ ঘটনা...... । এদিনাখন ৰাতিপুৱা ৯ মান বজাত গুৱাহাটী অভিমুখে Interview দিবলৈ বাছেৰে ৰাওনা হ'লো। কিছু সময় গাড়ীখন যোৱাৰ পাছত আধা বাটত এজনী ছোৱালী মোৰ কাষতে থকা চিটত বহি ল'লে, তেতিয়া মই হাতত থকা বাহিৰা কিতাপ এখনত চকু ফুৰাই আছিলো। এনেতে ছোৱালী জনীয়ে ক'লে..... !

'Excuse me'

দাদা, আপোনাক ক'ৰবাত লগ পোৱা যেন লাগিছে। ছোৱালীজনীৰ পূৰ্ণিমাৰ জোনটোৰ দৰে উজ্জ্বল মুখৰফালে একেথৰে অলপ সময় চাই থাকিলো।

'Sorry'

মোৰ নামটো আপোনাক কোৱাই নাই নহয়।

মোৰ নাম মনালিছা।

আপোনাৰ নামটো কি?

মোৰ নাম পংকজ।

মনালিছা ঃ ক'ত যাব দাদা........!

পংকজ ঃ গুৱাহাটীলৈ যাম।

তুমি ক'লৈ যাবা?

মনালিছা ঃ মইয়ো গুৱাহাটীলৈ যাম। মই গুৱাহাটীত ওকালতি পঢ়ি আছো।

পংকজ ঃ Thank you!

প্ৰথম চিনাকিতে আমাৰ মাজত বহুতো কথা-বতৰাৰে বন্ধুত্ব গঢ়ি উঠিল আৰু অৱশেষত মোবাইল নাম্বাৰৰো আদান-প্ৰদান হ'ল। তথাপিও বাছখনৰ গতি একে আছিল, মাজে সময়ে মনালিছাই মোলৈ ফোন কৰে। মইয়ো সময় উলিয়াই তাইৰ লগত কথা-বতৰা পাতো। দিনবোৰ আগবঢ়াৰ লগে লগে মনালিছা আৰু মোৰ মাজৰ বন্ধুত্ব দিনক দিনে গভীৰ প্ৰেমলৈ পৰিণত হ'ল। দুটি শব্দ য'ত থাকে, সপোনত যিয়ে নেকি পাগল কৰি তোলে, য'ত হয় দুখৰ ধুমুহা য'লৈ নামি আহে বিষাদৰ নিজৰা সেয়াই হয়তো পৃথিৱীৰ বহুল চৰ্চিত সেই শব্দটি আবেগৰ পাগলামিয়েই হ'ল প্ৰেম।

কিন্তু মনালিছা হ'ল ধনী ঘৰৰ ছোৱালী মই হ'লো দৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰা পৰিয়ালৰ। "মনালিছা, আমাৰ জানো সপোন বাস্তৱত পৰিণত হ'ব? আমি জানো উচ্চ-নীচৰ দেৱাল খন ভাঙিব পাৰিম? মই কিন্তু তোমাক জীৱন লগৰী হিচাপে পাব বিচাৰোঁ। উচ্চ-নীচৰ দেৱাল ভাঙিব পাৰিবানে? তুমি... ?"

এইবোৰ কি কোৱা তুমি। পংকজ, আমি চবে মানুহৰ জীৱন লৈ পৃথিৱীলৈ আহিছো। সময়ৰ প্ৰয়োজনত সকলো কৰিব পাৰিম। তোমাৰ বাবে মই অতিক্ৰম কৰিব পাৰো সমস্ত ভয়, বিপদ, তুচ্ছ, তাচ্ছিল্যক অগ্ৰাহ্য, মৃত্যুক কৰিব পাৰো অপেক্ষা। এনেতে চাকৰিটো পালোঁ। দুখৰ সাগৰত যেন সুখৰ জোন দেখা পালো। অভিযন্তা হিচাপে Posting হ'ল শিৱসাগৰত কথাযাৰ মনালিছাই শুনাৰ লগে লগে অলপ সময় নিৰৱ হৈ ৰ'ল। কিছু সময় পিছত কুমলীয়া মাতেৰে ক'লে চকুৰ আঁতৰ হোৱাৰ লগে লগে মনৰ আঁতৰ নহবা পংকজ.... । প্ৰথমতে মনালিছাৰ পৰা আঁতৰত থাকিব লগা হোৱাত মই বহুতো কষ্ট পাইছিলো। কিন্তু কৰ্তব্যৰ খাতিৰত থাকিব লগা হ'ল। কিছুদিন পাছত মনালিছাই ওকালতি পাছ কৰি আহিল। মনালিছাৰ বাবে ভাল ভাল সম্বন্ধ আহিবলৈ ধৰিলে। সেই বিষয়ে মনালিছাই মোক একো কোৱা নাছিল। লাহে লাহে মোলৈ ফোন কমালে।

এবছৰমান পিছত পূজাৰ বন্ধত মই ঘৰলৈ আহিলো। পিছদিনা গধুলি সময়ত গাড়ীখন লৈ মনালিছাহতঁৰ ঘৰৰ ফালে ফুৰিবলৈ ওলাই গ'লো। এনেতে মনালিছাহতঁৰ ঘৰত জাক্ জমকৰে ৰভা সজোঁৱা দেখা পোৱাত গাড়ীখনৰ গতিবেগ কমালো। পিছফালৰ পৰা মোৰ বন্ধু এজনে মাত লগালে.... ।

হাৰে, কেতিয়া আহিলি অ'



পৰা মনালিছা চুৰি হ'ল আৰু তাৰ পিছৰে পৰা মনালিছা যেন পৃথিৱী বিখ্যাত হৈ পৰিল। ২০০৩ চনত মেৰী আৰু যিচু নামৰ লিওনাৰ্ডৰ এখন ছবি চুৰি স্কটলেণ্ডৰ পৰা হেৰাই যোৱা দুবছৰ পিছত ইটালীত উদ্ধাৰ হ'ল — মনালিছা। ইটালিয়ান লোক এজনে লুঁড চিত্ৰশালাৰ পৰা কষ্টৰে চুৰ কৰিছিল। তেওঁৰ দাবী অনুসৰি সেয়া ইটালীৰ সম্পত্তি। ফ্ৰান্সে সেই ছবি ৰাখি থোৱাৰ কোনো অধিকাৰ নাই। শেষত লুঁড়লৈ মনালিছা উভতি আহিল। মনালিছা উভতি অহাৰ দিনা সমগ্ৰ ফ্ৰান্সতে উৎসৱ পালন কৰা হয়।

১৫১৬ চনত লিওনাৰ্ডই ফ্লোৰেন্স ত্যাগ কৰি ফৰাচী ৰজাৰ অতিথি হৈ পতেন ক্লোচলৈ গুচি যায়। তাতেই ১৫১৯ চনৰ দুই মে'ৰ দিনা এই মহান শিল্পীজনাই শেষ নিশ্বাস ত্যাগ কৰে।

সঁচাকৈয়ে মনালিছাই ইমান জনপ্ৰিয়তা লাভ কৰিলে কিয়? ছবিখন কিন্তু জীৱন্ত আৰু প্ৰতিমূৰ্ত্তি গৰাকীৰ হাঁহিটো সঁচাকৈয়ে যেন বৰ ৰহস্যময়ী। পৃথিৱীৰ প্ৰতিজন মানুহৰ বুকুতে মনালিছা অক্ষম শিলালিপি হৈ বহি ৰৈছে। হয়তো অদূৰ ভৱিষ্যতে মনালিছা চিৰদিন, চিৰকাললৈ সজীৱ হৈ ৰ'ব। এই পৃথিৱীৰ চিত্ৰপ্ৰেমী তথা মানুহৰ মনৰ মাজত।

□□□

**গল্প —**

# মোৰ বন্ধু-বান্ধৱী

মঃ মফিদুল ইছলাম খলিফা
স্নাতক চতুৰ্থ ষাণ্মাসিক

ঈশ্বৰক ধন্যবাদ যে মই মোৰ বন্ধু-বান্ধৱী সকলক নিৰ্বাচিত কৰিব পাৰো। দুজন ব্যক্তিৰ মাজত গঢ়ি উঠা আত্মিক সম্বন্ধই জন্ম দিয়ে বন্ধু-বান্ধৱৰ। 'বন্ধুত্ব' মৰমৰ এনাজৰীৰে বন্ধা এক মিঠা সম্বন্ধ। যি জন বন্ধু-বান্ধৱীয়ে বিনা স্বাৰ্থত আন বন্ধু-বান্ধৱীক বিপদৰ পৰা উদ্ধাৰ কৰে, তাকহে প্ৰকৃত বন্ধু-বান্ধৱী বুলিব পাৰি। কিন্তু বৰ্তমান যুগত তেনে বন্ধু-বান্ধৱী খুব তাকৰ।

প্ৰতিজন মানুহৰেই কম-বেছি পৰিমাণে বন্ধু-বান্ধৱী থাকেই। জীৱনৰ বাটত লগ পোৱা বিভিন্ন জনৰ লগত মই বন্ধুত্ব স্থাপন কৰোঁ যদিও ইয়াৰ অধিকাংশই সময়ৰ সোঁতত হেৰাই যায়। আনবোৰ সম্বন্ধতকৈ বন্ধুত্বই আমাৰ জীৱনত অধিক প্ৰভাৱ পেলায়। এজন বন্ধুক মই ইমানেই বিশ্বাস কৰো যে তেওঁলোকৰ আগত মোৰ জীৱনৰ অতি গোপনীয় সত্য প্ৰকাশ কৰিবলৈ অলপো সংকোচ নকৰোঁ। বন্ধু-বান্ধৱীৰ প্ৰতি থকা অগাধ বিশ্বাসৰ বাবেই মোৰ জীৱনৰ প্ৰতিটো পৃষ্ঠা কোনো লুক-ঢাক নকৰাকৈ তেওঁৰ আগত মেলি দিওঁ। অইন মানুহৰ লগত কোনোবা এজনৰ বন্ধুত্ব স্থাপন হ'লে কেনেকুৱা ভাব জাগে, মই ক'ব নোৱাৰিলেও কিছু কথা জানো, যেনেদৰে- কেতিয়াবা কোনোবা এজন ল'ৰা আৰু ছোৱালীৰ মাজত বন্ধুত্ব স্থাপন হৈ যায়, তেতিয়া তেওঁলোকে দুয়োজনৰ মাজত ভালপোৱাৰ সৃষ্টি হয় (প্ৰেম আকাৰে) মোৰ মতে সেইটো প্ৰকৃত বন্ধুৰ চিন নহয়। আনহাতে তেনেকুৱা বন্ধু-বান্ধৱীক মই সমৰ্থন নকৰোঁ।

মোৰ লগত কোনোবা এজনৰ বন্ধুত্ব স্থাপন হ'লে সেই বন্ধু বা বান্ধৱীজনী মোৰ ইমানেই আপোন হৈ পৰে যে তেওঁৰ সুখত সুখী আৰু তেওঁৰ দুখত দুখী হৈ পৰো। মোৰ যিবিলাক বন্ধু-বান্ধৱী আছিল তেওঁলোকক মই বহুতো ধৰণৰ সহায় কৰিছিলো। বিশেষকৈ মই বান্ধৱী সকলক সন্মানৰ চকুৰে চাওঁ। বান্ধৱী সকলক মই কেতিয়াও অশালীন ব্যৱহাৰ নকৰো। কিন্তু আজিৰ সমাজত তেনেকুৱা মানুহ খুব তাকৰ যিয়ে 'নাৰী' জাতিক সন্মানৰ চকুৰে চায়। মই এইবাবেই 'নাৰী' জাতিক সন্মানৰ চকুৰে চাওঁ যে আমি আটায়ে নাৰীৰ কোলাত জন্ম লৈছো। বৰ্তমানৰ নাৰী ভৱিষ্যতে গৈ একো একোটা পৰিয়ালক শিক্ষিত কৰিব। পণ্ডিত জৱাহৰলাল নেহৰুৱে কৈছিল, 'এজন ল'ৰাক শিক্ষা দিয়া মানে এজন

ব্যক্তিক শিক্ষা দিয়া, আনহাতে এগৰাকী নাৰীক শিক্ষাদান কৰা মানে সমগ্ৰ পৰিয়ালক শিক্ষিত কৰা'। নাৰী শিক্ষা সম্পৰ্কে শিক্ষাবিদ ডঃ ৰাধাকৃষ্ণণৰ মত আছিল দৃঢ়। তেওঁ কৈছিল, "শিক্ষিতা নাৰী অবিহনে শিক্ষিত পুৰুষ হ'ব নোৱাৰিব।' কিন্তু বৰ পৰিতাপৰ কথা যে যুগ যুগ ধৰি চলি অহা সামাজিক লিঙ্গ বৈষম্যতাৰ প্ৰভাৱৰ ফলত আজি নাৰী জাতি চৰম নিৰ্যাতনৰ বলি হৈছে, লাঞ্চিতা, ধৰ্ষিতা, অপমানিত হৈছে নিজৰ বন্ধু তথা পিতৃসম, পুত্ৰসম, ভাতৃসম লোকৰ হাতত। আনকি অকালতে মৃত্যুক সাবটি লবলগীয়া হৈছে। 'হৰিণাৰ মাংসই বৈৰী' হোৱাৰ নিচিনাকৈ বান্ধৱী সকলৰ নিজৰ ৰূপ-সৌন্দৰ্যৰ বাবেই বন্ধু সকলৰ হাতত নিৰ্যাতনৰ বলি হ'বলগীয়া হৈছে। গতিকে মই বিনম্ৰ অনুৰোধ কৰি বন্ধু সকলক আহ্বান কৰো যে বান্ধৱী সকলক অসৎ ব্যৱহাৰ, অপমান যাতে কৰা নহয়, আমাৰ মাতৃসম এই বুলি যদি আমি এবাৰ ভাবো তেনেহ'লে ই আমাৰ সমাজৰ কু-সংস্কাৰৰ পৰা মুক্তি পোৱাত কিঞ্চিত পৰিমাণে সহায়ক হ'ব।

এতিয়া আহিছোঁ মোৰ কথালৈ। মোৰ আনন্দ বা দুখৰ প্ৰতিটো মুহূৰ্তত মই বন্ধু-বান্ধৱীক কাষত বিচাৰো। আনন্দৰ মুহূৰ্তত বন্ধু-বান্ধৱীজনৰ কাষত থাকিলে সঁচাকৈ মোৰ আনন্দ যেন দুগুণ হৈ পৰে। আনহাতে দুখৰ সময়ত বন্ধু-বান্ধৱীজনৰ সান্নিধ্যই মোৰ দুখ পাতল হোৱাত সহায় কৰে। জীৱনলৈ অহা চৰম হতাশাক জয় কৰিবলৈ বন্ধু-বান্ধৱী এজনেই প্ৰেৰণা যোগাব পাৰে। সেয়েহে আমাৰ প্ৰত্যেকৰে জীৱনত এজন প্ৰকৃত বন্ধুৰ বা বান্ধৱীৰ প্ৰয়োজন অতি বেছি। কিন্তু দুৰ্ভাগ্যৰ কথা যে মোৰ লগত যিবিলাকৰ বন্ধুত্ব স্থাপন হৈছিল। সেই সকলক মই প্ৰকৃত বন্ধু বুলি ক'ব নোৱাৰো, কিয়নো সিহঁতৰ ব্যৱহাৰ তথা আচৰণ মোৰ নিচিনা নহয় সিহঁত স্বাৰ্থলোভী আৰু কু-কাৰ্যৰ প্ৰতি আসক্ত। যিয়েই নহওঁক প্ৰকৃত বন্ধু-বান্ধৱীয়ে আমাক অনাবিল আনন্দ উপহাৰ দিয়াৰ দৰেই কেতিয়াবা চৰম দুখো দিব পাৰে আৰু বন্ধু-বান্ধৱীৰ প্ৰতাৰণাই হৃদয় ভাগি থানবান কৰি দিব পাৰে। বন্ধু-বান্ধৱীজনৰ পৰা পোৱা দুখৰ বোজাটো কঢ়িওৱা মোৰ বাবে হৈ পৰে অসহনীয়। মোৰ প্ৰতি বিশ্বাসী তথা প্ৰিয় বন্ধু-বান্ধৱীজনে যেতিয়া তেওঁৰ জীৱনৰ অতি আনন্দৰ মুহূৰ্তত মোক পাহৰি যায় তেতিয়া মোৰ হৃদয়ে এক বুজাব নোৱাৰা আঘাত পায়। বন্ধু-বান্ধৱীৰ তেনে কাৰ্যত মই বেয়া নাপাওঁ, কিন্তু হৃদয়ত দুখ পাওঁ। বন্ধু-বান্ধৱীৰ পৰা পোৱা এনে আঘাতে হৃদয়ত ধুমুহাৰ সৃষ্টি কৰি মোক দিশহাৰা কৰি তুলিব পাৰে নতুবা সলনি কৰিব পাৰে মোৰ জীৱনৰ গতি। আনবোৰতকৈ বন্ধুত্বৰ সম্বন্ধ অধিক প্ৰগাঢ় হোৱাৰ বাবেই ইয়াৰ পৰা পোৱা বিষাদো গধুৰ হয়। কাৰণ বন্ধু-বান্ধৱীজনক যে মই নিৰ্বাচন কৰি লৈছো আৰু হৃদয়েৰে তেওঁৰ লগত বান্ধ খাই পৰিছো। সেয়েহে বন্ধু-বান্ধৱীজনে মোক আঘাত দিলে তাক সহ্য কৰাটো মোৰ বাবে বৰ কঠিন হৈ পৰে।

এজন বন্ধুৰ বিশ্বাস ঘাতকতাই মোক বন্ধুত্বৰ সম্বন্ধৰ প্ৰতিয়েই সন্দিহান কৰি তোলে আৰু পুনৰ এনে সম্বন্ধ কাৰোবাৰ লগত গঢ়িবলৈ মোৰ হৃদয়ে মোক অনুমতি নিদিয়ে, জানোচা পুনৰ আঘাত হানে। আনহাতে এজন বন্ধু-বান্ধৱীৰ শত্ৰুতা হ'ব পাৰে ভয়াবহ। ইয়াৰ মূল কাৰণ হ'ল বন্ধুজনে মোৰ জীৱনৰ প্ৰতিটো কথাই জানে, মোৰ দুৰ্বলতাখিনিও তাৰ জ্ঞাত, সেয়েহে অতি সহজেই তেওঁ মোক বিপদত পেলাব পাৰে। বন্ধুত্ব এক মধুৰ সম্বন্ধৰ নাম। এই সম্বন্ধই দুজন ব্যক্তিক হৃদয়ৰ কাষ চপাই আনিব পাৰে। এজন বন্ধু-বান্ধৱীৰ প্ৰেৰণাই কাৰোবাক নৱ-জীৱন দিব পাৰে কিন্তু বিশ্বাস ঘাতকতাই এই পবিত্ৰ সম্বন্ধক কলংকিত কৰিবও পাৰে। সেয়েহে সকলোৰে যত্ন কৰা উচিত যাতে বন্ধুত্বৰ সম্বন্ধ সদায়েই চিৰ সেউজ আৰু অমৰ হৈ থাকে। জীৱনত প্ৰায় বস্তু অনায়াসে পোৱা যায়, কিন্তু এজন প্ৰকৃত বন্ধুৰ মৰমৰ উম বিচাৰি পোৱাটো ইমান সহজ নহয়।

গতিকে সাৱধান ! বন্ধুত্ব স্থাপন কৰাৰ আগতে ভাবি-চিন্তি কৰিব (অচিন কাঠৰ থোৱা নলগাব)। যাৰ-তাৰ লগত বন্ধুত্ব স্থাপন নকৰিব। আনহাতে বৰ্তমান যুগত প্ৰকৃত বন্ধুকো নিজৰ আত্মাৰ অতি গোপনীয় সত্য কথা নক'ব, কাৰণ মই বিপদত পৰিছিলো। প্ৰকৃত বন্ধু-বান্ধৱীৰ লগত কথা পাতিবলৈ হ'লে কেতিয়াও অনৰ্থক (বাজে কথা) কথা নাপাতিব, এৰিষ্টটলে কৈছে যে যি কথা ক'লে তোমাৰ বা আনৰ একো উপকাৰ নহয় তেনে কথা নক'ব। তুচ্ছ অৰ্থহীন কথা কৈ সময় নষ্ট নকৰিব। ☐☐



# গোৱালপৰীয়া লোকগীতত পৰকীয়া প্ৰেম

শ্ৰীকনকলতা শইকীয়া
মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

প্ৰেম হৈছে মানুহৰ অন্তৰ্নিহিত এক মধুময় অনুভূতি। প্ৰেম কণমানি শিশুৰ পৰা জেষ্ঠ্যজনৰ মাজতো বিদ্যমান। বয়স, লিঙ্গ অনুসৰি প্ৰেমৰ অনুভূতি বেলেগ বেলেগ হয়। এই প্ৰেমেই আকৌ কাৰোবাৰ জীৱনলৈ শান্তি, আনন্দ আকৌ কাৰোবাৰ জীৱনলৈ অমানিশা মাতি আনে। প্ৰেমক মৌ-ৰসৰ লগত তুলনা কৰা হয়। যিমানে সাঁহখিনি চেপা যায় সিমানে ৰস ওলাই থাকে। কিন্তু এই প্ৰেম যদি পৰকীয়া প্ৰেমলৈ ৰূপান্তৰিত হয় তেনেহ'লে সাংসাৰিক জীৱন বিষময় হৈ পৰে।

বিবাহিত নাৰী-পুৰুষে যদি নিজৰ স্বামী বা স্ত্ৰীৰ অজানিতে পৰ নাৰী-পুৰুষৰ সতে প্ৰেমত পৰে সিয়েই পৰকীয়া প্ৰেম। পৰকীয়া প্ৰেমত হাবু-ডাবু খাই বহুতৰে সোণৰ সংসাৰ ভাগি যোৱা দৃষ্টান্ত আজিৰ সমাজত বহুত আছে। পৰকীয়া প্ৰেমে কোনো জাতি-ভেদ নামানে।

গোৱালপৰীয়া লোকগীতত পৰকীয়া প্ৰেমৰ প্ৰভাৱ পৰা দেখা যায় আৰু এই প্ৰেম সত্য, শাশ্বতঃ। তাৰ প্ৰমান তলৰ গীত ফাঁকিত পোৱা যায়-

"বালিতে ৰান্ধিলু বালিতে বাঢ়িলু সই
জলে ভাসেয়া দিনু হাড়ী,
মোৰ বিয়াৰ স্বোৱামী মৰিলে
মাছ ভাত মুই খাইম ৰে,
বন্ধুৱা মৰিলে হইম মুই ৰাৰী।।"

হিন্দুধৰ্ম মতে স্বামী মৰিলে বিধৱা বা ৰাৰী হয় আৰু পত্নীয়ে আমিষ এৰি নিৰামিষ আহাৰ গ্ৰহণ কৰে। ওপৰত উদ্ধৃতি দিয়া গীতৰ শাৰীতে কোনোবা নাৰীয়ে পৰকীয়া প্ৰেমত মতলীয়া হৈ নিজৰ বিবাহিত স্বামী ঢুকালেও বিধৱা সাজ নিপিন্ধে আৰু মাছ, মাংস সকলো ভক্ষণ কৰিব কিন্তু প্ৰেমিক বন্ধুৰ যদি মৃত্যু হয় তেনেহ'লে বিধৱা সাজ পিন্ধাৰ উপৰি নিৰামিষভোজী হ'ব বুলি কৈছে।

সমাজত থকা নীতি-নিয়মৰ বাবে বহু প্ৰেমিক-প্ৰেমিকাৰ মিলন নহয়। কেতিয়াবা আকৌ ধৰ্ম, জাতি, ধন-সম্পত্তিৰ প্ৰাচীৰখনে দুয়োকে বিচ্ছেদ ঘটায়। শুভ মিলনৰ ৰঙীন সপোন দেখি সোণৰ সংসাৰ গঢ়িব খোজা প্ৰেমিক-প্ৰেমিকাৰ জীৱন থানবান হৈ যায়। মনে বিচৰা ডেকাজনৰ পৰা বিচ্ছেদ ঘটি অজান ডেকা এজনক জীৱনৰ সংগী হিচাপে অগ্নিক সাক্ষী কৰি ল'লেও কিন্তু সেই মনৰ মানুহজনৰ সান্নিধ্য পোৱাৰ হাবিয়াস অহৰহ থাকি যায়।

পৰকীয়া প্ৰেম ৰস-ঘন আৰু মাদক-মধুৰ। কাৰণ নোপোৱাৰ বেদনাতকৈ পাই হেৰুৱাৰ বেদনা অতি অসহ্যকৰ। হেৰুৱাই পাবলৈ দুৰ্বাৰ অভিলাস আৰু ভাবিব নোৱাৰা ধৰণৰ অভিসাৰ। বিবাহিত জীৱনৰ সকলো থাকিও যেন হৃদয় শূণ্য, উদাস মন আৰু অশান্তিকৰ দিনবোৰ। গোৱালপৰীয়া লোকগীতবোৰত পৰকীয়া প্ৰেমত জৰ্জৰিত হোৱা নাৰী-পুৰুষৰ বিচ্ছেদ-বিৰহৰ কান্দোন অতি স্পষ্ট। এই প্ৰেমে নাৰী বা পুৰুষজনক সাহসীৰ পৰা দুঃসাহসী কৰি মিলনৰ বাট নিষ্কণ্টক কৰিবলৈ হত্যাৰ নিচিনা দুস্কাৰ্য কৰিবলৈকো আগবঢ়াই নিয়ে। গোৱালপৰীয়া লোকগীতত পোৱা যায় যে পৰকীয়া প্ৰেমৰ যন্ত্ৰনা সকলোতকৈ শ্ৰেষ্ঠ নিদৰ্শন ঃ

"আৰ তোৰ বন্ধুৰ পীৰিতিৰ জ্বালায়,
বিয়াৰ স্বোৱামীৰ কাটিলু গলা ;
সিতাৰ সিন্দুৰ মুই মুচিনু আপোন
হাতে
ছাৰিনু মুই কোলাৰ ছায়া ৰে ;
কান্দে ছাওৱা মোৰ পৰাৰ দুৱাৰে"।

বাস্তৱত নাপাই সপোনতে সঙ্গ লাভ কৰা প্ৰেমিকক চেতনা পোৱাৰ পিছত নেদেখি কান্দিছে-

"চেতন হইয়া প্ৰাণ বন্ধুক না দিখি
বুকু ভিজিল মোৰ দুই নয়নেৰে জলে
দিদিৰে, বুকু ভিজিল মোৰ দুই
নয়নেৰে জলে।"

পাতিত স্বামী, সন্তান যিয়েই নাথাকক তালৈ খিয়াল নাই। কেৱল বন্ধুৰ বিচ্ছেদৰ জ্বালাই দেহ-মন চাবুকৰ কোৰ খোৱা ঘোঁৰাটোৰ দৰে আস্ফালন

করিছে। সপোন-বাস্তৱৰ দোধোৰ-মোধোৰত প্ৰেমিক-প্ৰেমিকাই নিজৰ অস্তিত্ব পাহৰি ইজনে-সিজনৰ ভাৱনাত নিমজ্জিত হৈ ঘৰৰ শাহু, দেওৰ, ননদৰ পৰা গালি-গালাজ খোৱা বহু দৃষ্টান্ত আছে। পৰিয়ালৰ সদস্যৰ চোকা নজৰৰ পৰা নাৰী গৰাকী ওলাব পৰা নাই-

"আই মুই কেমন বাইৰা যাং
ঘৰে মোৰ শশুৰ
বাইৰা মোৰ ভাশুৰ
শিয়ঁৰে ননদী জাগে
আই মুই কেমন কৰিয়া বাইৰা যাং।"

কেতিয়াবা নাৰী গৰাকীৰ অন্যমনস্কতা পৰিয়ালৰ কোনোবাই ধৰা পেলাই আৰু গৃহ কন্দল লাগি পতিৰ ঔকিল পিঠিত পৰে। তেনে অৱস্থাত প্ৰেমিকক এবাৰ চাই যাবলৈ নাৰী গৰাকীয়ে গাইছে-

একবাৰ আসিয়া
সোণাৰ চান্দ মোৰ যাও দেখিয়াৰে।।

পৰকীয়া প্ৰেমত পৰি স্বামীয়ে নাৰীক অকথ্য নিৰ্যাতন দিয়া দেখা যায়। স্ত্ৰীয়ে প্ৰাণ উজাৰি ভাল পালেও বা কোনো ত্ৰুটি নোহোৱাকৈ আলপৈচান ধৰিলেও তাই 'চকুৰ কুটা, দাঁতৰ হুল' হৈয়ে থাকে। তেওঁৰ দৃষ্টিত নাৰীগৰাকী শত্ৰু স্বৰূপ। কথাই কথাই বা খোজে খোজে গালি কিল থাকেই। কোনো নাৰীয়ে স্বামীজন আনৰ হোৱা কামনা নকৰে। ভালে বেয়াই বিয়াৰ স্বামী। এনে ক্ষেত্ৰত গোৱালপৰীয়া লোকগীতত পোৱা যায়।

"পৰেৰ লগত পীৰিতি কৰিয়া
তোমাৰ বৰ গলা,
মোক দেখিলে কথা নাকন
দেখিলে হয় জালা
ও মোৰ পতিৰে।
মুই হনু তোৰ বিষ ফুলেৰ মালা।।"

"নাৰীনাং চৰিত্ৰ দেবাপি ন জানন্তি" নাৰীৰ চৰিত্ৰ দেৱতাইও নাজানে। তাতে আকৌ নৰ-মনিষে কেনেকৈ জানিব? সতী নাৰী বুলি বিয়া পাতি আনি পিছত যেতিয়া স্বামীয়ে গম পায় যে তেওঁৰ স্ত্ৰী আনৰ দ্বাৰা অনুৰক্তা সেই স্বামীজন হয় অতি দুৰ্কপলীয়া আৰু দুৰ্ভগীয়া পুৰুষ। এগৰাকী সতী-সাবিত্ৰী প্ৰত্যেক পুৰুষে কামনা কৰে। কিন্তু সতীত্ব নষ্ট হোৱা নাৰীক কোনো স্বামীয়ে সহজে ল'ব নোৱাৰে। এনে নাৰীয়ে বাহিৰত অতি পতিভক্তি দেখুৱালেও ভিতৰি সেই প্ৰাক্তন প্ৰেমিকৰ সান্নিধ্য লাভৰ বাঞ্ছা মনত পুহি ৰাখে।

গোৱালপৰীয়া লোকগীতত চহা সমাজত সংঘটিত পৰকীয়া প্ৰেমৰ কথা গীতিকাৰ সকলে সুন্দৰ ভাৱে ফুটাই তুলিবলৈ সক্ষম হৈছে। বৌয়েকে ককায়েকক ঠগাই পৰ-পুৰুষৰে প্ৰেম কৰে। বৌয়েকৰ চাল চলনত সন্দেহ কৰি দেৱৰেকে নজৰ দিয়ে আৰু তেওঁৰ আচৰণত অস্বাভাৱিকতা দেখি কথাটো ধৰিব পাৰি গাইছে- "কেশকোনো কেশকোনো তোৰ আউলা-বাউলা ও ভাওজী! পিঠিত কেনে মাটি?
কোন ৰসিয়াই ৰস কৰিছে,
চিৰছে গালৰ কাটি ভাওজী ও।।"

পৰকীয়া প্ৰেমৰ উৎপত্তিঃ বিভিন্ন কাৰণত পৰকীয়া প্ৰেম হ'ব পাৰে -

১। প্ৰেমত পৰা ডেকা-গাভৰুৱে যদি আনৰ লগত বিবাহত বহে তেনেহ'লে পূৰ্বৰ সম্পৰ্ক ৰাখিবলৈ চেষ্টা কৰে।

২। দৈহিক আৰু মানসিকভাৱে অমিল হ'লেও পৰকীয়া প্ৰেমৰ জন্ম হ'ব পাৰে।

৩। চাকৰী বা জীৱিকাৰ সূত্ৰত স্বামী বহুদিন স্ত্ৰীৰ পৰা আঁতৰি থাকিলেও এনে হোৱা দেখা যায়।

ওপৰত উল্লেখ কৰা পিছৰ দুবিধ প্ৰধানকৈ জৈৱিক দাবীৰ তাড়নাত পৰি জন্ম হয় বুলি ক'ব লাগিব। গোৱালপৰীয়া লোকগীত এতিয়া গোৱালপাৰাৰ সীমা পৰিধি ভাঙি বাহিৰলৈ ওলাই গৈছে। এই গীতসমূহ সকলো ফালৰ পৰা চহকী। গীতসমূহ ভাগ কৰি উলিয়ালে কেইবাটাও দিশ পোৱা যায়। সেই দিশ সমূহৰ ভিতৰত পৰকীয়া প্ৰেমৰ গীতেও দৰ্শকক আকৃষ্ট কৰে। বিৰহ-বিচ্ছেদ, আনন্দ-নিৰানন্দ, সুখ-দুখ মানৱ জীৱনৰ লগৰী। ইংৰাজ কবি Shelley য়ে কৈছে -

"We look before and after,
And Pine for what is not;
Our sincere laughter,
What some pain is fraught,
Our sweetest songs are those
That tell of saddest thought."

□□□



# পাহৰিব নোৱাৰো

মঃ হামিদুল ইছলাম
স্নাতক দ্বিতীয় ষাণ্মাসিক

ফুলনিত কোনে নিশা নাচিছিল
ছিঙি ৰই গ'ল মনি
ৰঙিলীৰ ভাৱ হাঁহি নাচোনৰ
ৰ'ল চিন এইকনি....। (চন্দ্ৰ কুমাৰ আগৰৱালা)

মই ২০১০-১১ চনত এইখন মহাবিদ্যালয়ত প্ৰথমতে একাদশ শ্ৰেণীত নাম ভৰ্তি কৰো। সেই সময়েত মই প্ৰয়াত ৰূপজ্যোতি প্ৰসাদ দত্ত ছাৰক লগ পাওঁ। মই মোৰ জীৱনত দত্ত ছাৰৰ ৰাজনীতি বিজ্ঞানৰ ক্লাছ কৰো এ. টি. ৭ নং কোঠাত। মোৰ লগত কোন বহিছিল সঁচাকৈ মোৰ মনত নাই। ছাৰ ক্লাছত সোমোৱাৰ লগে লগে মোৰ এনেকুৱা লাগিছিল যে মই লিখি প্ৰকাশ কৰিব নোৱাৰো। ছাৰৰ কুমলীয়া মনৰ মিচিকিয়া হাঁহিলৈ চাই। কেইমাহমান ক্লাছ কৰিলো ছাৰৰ। মোৰ যে কি কপাল মই আৰু ছাৰৰ ক্লাছ কৰিব নোৱাৰিলো। কাৰণ কোন যে পাষাণে আমাৰ মহাবিদ্যালয়খন ২০১০ চনৰ ২০ নৱেম্বৰত ৰাতি জুই লগাই দি বাম্পিত কৰিছিল। খেলি-মেলিকৈ আমি পৰীক্ষা দিলো, পৰীক্ষাৰ পিছত মই কলেজত গ'লো আৰু মোৰ লগৰ ল'ৰাবিলাকক সুধিলো মই তো ৰূপজ্যোতি প্ৰসাদ দত্ত ছাৰক দেখা নাপালো। সিহঁতে ক'লে যে- ছাৰতো ২০ ডিচেম্বৰত ঢুকাল। মই মাজে-সময়ে তেওঁৰ ফটোগ্ৰাফখন আলোচনীত চাওঁ আৰু মই চোৱাৰ লগে লগে দেখা পাওঁ ছাৰে মোৰ পিনে চায় কুমলীয়া মনে যেন হাঁহিহে আছে....। □□

# 'মা'ৰ সৌন্দৰ্য

শ্ৰীকুঞ্জলতা ডেকা
স্নাতক প্ৰথম ষাণ্মাসিক

'মা' শব্দটোৰ গভীৰতা ইমান যে ইয়াৰ মাজত নিহিত হৈ আছে পবিত্ৰতা, সহানুভূতি আৰু মৰম-স্নেহ। 'মা'ৰ সৌন্দৰ্য কোনো দিনে ম্লান হ'ব নোৱাৰে। ই পবিত্ৰ গংগাৰ দৰে নিৰ্মল। 'মা'ৰ মৰম-স্নেহ শীতলতাত কেতিয়াও অনুভৱ নহয় সুখ-দুখৰ ব্যঞ্জনা। জীৱনৰ চমৰ আশা-আকাংক্ষাৰ মাজতে থাকে কেৱল 'মা'। সেই কাৰণে মানুহৰ জীৱনত একেবাৰে প্ৰয়োজনীয় অধ্যায় হৈছে 'মা' গৰাকী। 'মা'ৰ হৃদয় সাগৰৰ বুকুতকৈও বহল, যাৰ নেকি কাৰো লগত তুলনা নাই। 'মা'ৰ হৃদয় পবিত্ৰ মৰম ভালপোৱা আদিৰ দ্বাৰা পৰিপূৰ্ণ। মাকৰ ভালপোৱা আৰু যৌৱনৰ প্ৰেমৰ মাজত আকাশ-পাতাল পাৰ্থক্য। 'মা'ৰ প্ৰেম হ'ল এক কষ্টোপাৰ্জিত, যাৰ মাজত নিহিত হৈ আছে সৃষ্টিৰ অংকুৰ আদৰি অনাৰ দুৰ্বাৰ আনন্দ। মাতৃ হৃদয়ৰ মাজত থাকি ডাঙৰ দীঘল হৈ নিজকে নিজে গঢ়ি তোলা মানেই তেওঁৰ জীৱনটো এটা সাৰ্থক জীৱন লাভ কৰিবলৈ সক্ষম হৈছে।

হিংসা, কপটতা আদি মাতৃ হৃদয়ৰ পৰা বহু আঁতৰত যদিও প্ৰতিশোধ, প্ৰতিহিংসাৰ ভাৰধাৰাই মাতৃ হৃদয়ৰ সৰলতাক কেতিয়াও নিঃশেষ কৰিব নোৱাৰে। ঘাত-প্ৰতিঘাতৰ মাজতে আৱদ্ধ হৈ থাকে 'মা' শব্দটো। 'মা'ৰ সৌন্দৰ্য কহানীও লোপ নাপায়। ঘাত-প্ৰতিঘাতবোৰৰ লগতে গভীৰভাবে সম্পৰ্ক ৰাখিয়েই অনুভূত হয় মাতৃ হৃদয়ৰ গভীৰতা আৰু সৃষ্টি। 'মা' ভিন্নসুৰী অভিব্যক্তি। 'মা গৰাকীয়ে যে অকল সন্তান জন্ম দি সিহঁতক লালন-পালন কৰি ডাঙৰ-দীঘল কৰিব সেয়াই নহয়, এই কৃত কৰ্মৰ মাজেদি নিজৰ সন্তানক নিজ গুণেৰে এজন গুণী ব্যক্তি কৰি গঢ়ি তুলি সমাজত প্ৰতিষ্ঠা কৰা। মাতৃ হৃদয়ৰ চৰম আকাংক্ষা যদি সঠিক ৰূপক ফলৱতী হয়, তেতিয়াহ'লে সেই গৰাকী মাতৃৰ দৰে সৌভাগ্যৱতী আৰু কোনো নাই। যদি সঁচাকৈয়ে মাতৃ হৃদয়ৰ চৰম আকাংক্ষা ফলপ্ৰসু হয়। 'মা'ৰ চকুত চকুপানী ওলালেও ওঁঠত বিৰিঙি উঠিব পাৰে হাঁহি। হাঁহি-কান্দোনৰ মাজতে থাকে 'মা'ৰ অসীম বাসনা আৰু হিয়াৰ আকাংক্ষা সফল হৈ উঠাৰ আনন্দ। যদি তেওঁৰ সন্তানজন এজন পথভ্ৰষ্ট পথিক হয় তেতিয়াহ'লে সেই মাতৃগৰাকীৰ দুচকুত চকুপানীৰে উপচি পৰে। নিৰানন্দই তেওঁক আগুৰি ধৰে প্ৰতিক্ষণতে।

□□□

> সত্যৰ কাৰণে সকলো ত্যাগ কৰিব পাৰি, কিন্তু কোনো কাৰণতে সত্যক ত্যাগ কৰিব নোৱাৰি।
>
> — স্বামী বিবেকানন্দ



# ম'বাইল টাৱাৰৰ বিকিৰণ আৰু ইয়াৰ প্ৰভাৱ

**মঃ ফাৰুক ইজাজ**
স্নাতক প্ৰথম ষাণ্মাসিক

এইটো সৰ্বজনবিদিত যে অপৰিসীম গৱেষণাৰ ফলত বৰ্তমান যুগত বিভিন্ন যন্ত্ৰাদিৰ আৱিষ্কাৰ হোৱাৰ বাবে আমাৰ দৈনন্দিন জীৱন অতি সহজ সাধ্য কৰি আৰামদায়ক আৰু বিলাসবহুল কৰি তুলিছে। যি, কি নহওক, বিজ্ঞানৰ উল্লেখনীয় প্ৰযুক্তিবিদ্যাৰ অন্যতম ম'বাইল ফোনে কেৱল আমাৰ দেশতে নহয়, সমগ্ৰ বিশ্বতে এক বিপ্লৱৰ সূচনা কৰিলে। এই ম'বাইল ফোনটোত এণ্টেনা আৰু টাৱাৰৰ ওপৰত ভিত্তি কৰি দেখা আৰু শুনাৰ এক শক্তিশালী যন্ত্ৰ আছে। ম'বাইল ফোনৰ হেণ্ডচেট্‌টো দেখাত সৰু হোৱাৰ বাবে আমি প্ৰত্যেকেই পকেটত ৰাখিব পাৰো। কিন্তু ইয়াৰ কাৰ্যকাৰিতা বিভিন্ন ধৰণৰ ম'বাইল ফোনৰ জৰিয়তে আমি যিকোনো ঠাইৰ মানুহৰ লগত বাৰ্তালাপ, ঘৰতে বহি ট্ৰেইন বা বিমানৰ টিকট, আৰ্থিক লেনদেন (নেটৰ যোগেদি) আৰু অন্যান্য প্ৰয়োজনীয় সুবিধা বিলাক হোৱাৰ বাবে মানৱ জাতিৰ এটা অংগ হিচাপে যেন পৰিগণিত হৈছে আৰু আমাৰ জীৱন যাত্ৰা যথেষ্ট সুষম কৰি তুলিছে।

এই প্ৰসংগতে মই কব বিচাৰিছো যে দূৰ সংযোগ সেৱাৰ দ্ৰুত উন্নয়নৰ নামত যতে-ততে গঢ় লৈ উঠা ম'বাইল টাৱাৰ বিলাকে কথাটো জটিল কৰি তুলিছে। অৱশ্যে বৰ্তমান টাৱাৰ স্থাপনৰ ক্ষেত্ৰত কিছুমান বিধি নিষেধ টেলিকম বিভাগে জাৰি কৰিছে।

বৰ্তমান আন্তৰ্জাতিক আৰু জাতীয় বাতৰি কাকতৰ যোগেদি জানিব পৰা হৈছে যে ভাৰত তথা সমগ্ৰ বিশ্বত বিভিন্ন ম'বাইল কোম্পানীৰ টাৱাৰ স্থাপন কৰি সমগ্ৰ দেশৰ লগতে পাৰিপাৰ্শ্বিকতাৰ ওপৰত চৰম ভাবুকিৰ সৃষ্টি কৰিছে। এটা সমীক্ষাৰ পৰা জনা গৈছে যে সমগ্ৰ ভাৰতবৰ্ষত বৰ্তমান ৫০ কোটিৰ অধিক ম'বাইল ফোন ব্যৱহাৰকাৰী আছে আৰু ৫ লাখ টাৱাৰ নিৰ্মাণ কাৰ্যৰ সমাপ্ত কৰা হৈছে। ম'বাইল ফোন আৰু টাৱাৰৰ পৰা নিৰ্গত হোৱা বিকিৰণৰ প্ৰভাৱ দুটা ভাগত ভগোৱা হৈছে।

(১) Thermal (তাপ উৎপন্নকাৰী)
(২) Non-thermal (তাপ উৎপন্ন নকৰাকৈ)

তাপ বিকিৰণৰ বিস্তাৰৰ প্ৰভাৱ ঃ

বিকিৰণৰ তাপ উৎপন্নকাৰী হ্ৰস্বম্যাদী কম্পনৰ দ্বাৰা উৎপন্ন হয়। আনহাতে Non-thermal প্ৰভাৱ সমূহ এতিয়াও সম্পূৰ্ণকৈ আয়ত্ত কৰিব পৰা হোৱা নাই। কিন্তু ইয়াৰ অপকাৰিতা তাপ উৎপন্ন নোহোৱাকৈ ৩ ৰ পৰা ৪ গুণ অধিক বুলি কব

পাৰি।

এই প্ৰস্তাৱ বিভিন্ন টেলিকম (telicom) কোম্পানীৰ টাৱাৰ সমূহে নিৰ্গত কৰা বিকিৰণক 869-894 $MH_2$, 935-960 $MH_2$ আৰু 1410-1440 $MH_2$ ভাগত ভাগ কৰা হৈছে। আনহাতে 3G নেটৱৰ্কৰ বাবে ম'বাইল ফোনৰ টাৱাৰ বিলাকে 2110-2170 $MH_2$ বিকিৰণ নিৰ্গত কৰে। নিৰ্গত হোৱা বিকিৰণ সমূহে শক্তিৰ ঘনত্ব (Power density) অনুসাৰে অপকাৰী, কম অপকাৰী হিচাপত ভাগ কৰা হৈছে। আৰু সেই অনুসৰি 450 মিলিৱাট/বৰ্গ মিটাৰ Power density ভাৰতবৰ্ষত মান হিচাপে বিকিৰণৰ অনুমতি দিয়া হৈছে। কিন্তু এই কোম্পানী সমূহে 1000 MH পৰ্যন্ত নিৰ্গত কৰিছে। অৰ্থাৎ মাত্ৰাতকৈ অধিক পৰিমাণে বিকিৰণ নিৰ্গত কৰাৰ কাৰণে মানৱ জাতিৰ স্বাস্থ্য সুৰক্ষিত নহয়।

অতিৰিক্ত বিকিৰণৰ ফলত আমাৰ ৰাজ্য অসম আৰু উত্তৰ-পূৰ্বাঞ্চল তথা বিশাল ভাৰতৰ মানৱ জাতিয়ে স্বাস্থ্যৰ ভয়ানক ক্ষতিৰ সন্মুখীন হৈছে। এই প্ৰসংগত প্ৰশ্ন হৈছে যে ভৱিষ্যত প্ৰজন্মৰ স্বাস্থ্য কেনেকৈ সুৰক্ষিত কৰা হ'ব? এই সম্পৰ্কত প্ৰয়োজনীয় পদক্ষেপ লোৱা সময় সমাগত। চৰকাৰ আৰু বিভিন্ন টেলিকম কোম্পানীৰ কৰ্তৃপক্ষই বিকিৰণৰ মাত্ৰা হ্ৰাস কৰাৰ ব্যৱস্থা হাতত লোৱা উচিত। ম'বাইল টাৱাৰৰ বিকিৰণে মানৱ দেহত কেনে ধৰণে বিভিন্ন ৰোগৰ সৃষ্টি কৰিব পাৰে সেয়া হ'ল এনে ধৰণৰ —

(ক) Telicom Regulatory Authority ৰ নীতি-নিয়ম উলংঘা কৰি আৱাসীক এলেকাৰ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত স্থাপন কৰা এই টাৱাৰসমূহে অঞ্চলটোৰ মানৱ দেহৰ লগতে পাৰিপাৰ্শ্বিকতাৰ প্ৰতি চৰম ভাবুকিৰ সৃষ্টি কৰিছে।

(খ) মানৱ দেহত 70% পানী হোৱাৰ কাৰণে ম'বাইল টাৱাৰৰ পৰা নিৰ্গত হোৱা বিকিৰণ শোষণ কৰাৰ সম্ভাৱনা থাকে। আৰু এই বিকিৰণে মানুহৰ শৰীৰৰ ভিতৰতে উত্তাপ উৎপন্ন কৰাৰ উপৰিও ..........., মগজু, হাড়ৰ মজ্জা, হৃৎপিণ্ড, পেট আদি শুকুৱাই দিব পাৰে। আনকি মগজু 90% পানী হোৱাৰ কাৰণে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয়। সৰু ল'ৰা-ছোৱালী আৰু গৰ্ভৱতী মহিলা অধিক ক্ষতি হোৱাৰ ভয় থাকে। এতিয়া চিন্তনীয় বিষয় হৈছে যে এই ধৰণৰ বিকিৰণে পুৰুষ বন্ধ্যাত্ব বিপদজনক ভাবে বৃদ্ধি কৰিছে। আনকি ম'বাইল টাৱাৰ বিকিৰণে কেৱল মানুহ দেহতে প্ৰভাৱ বিস্তাৰ কৰে সেয়া নহয়, উদ্ভিদ আৰু প্ৰাণী জগতৰ ওপৰতো সাংঘাতিক অশুভ প্ৰভাৱ বিস্তাৰ কৰে। এই সংক্ৰান্তত মই কওঁ যে, বিজ্ঞানে বিশ্বত ধ্বংসৰ ভয়াৱহতা বৃদ্ধি কৰাৰ ফলতে আজিৰ মানুহক আতংকিত কৰি তুলিছে। মোৰ মতে, WHO য়ে ঘোষণা কৰিব লাগে যে, ম'বাইল ফোনৰ ব্যৱহাৰৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ দৈনন্দিন পঢ়া-শুনাত বাধাগ্ৰস্ত হোৱাৰ প্ৰবল আশংকা থাকে। 12 বছৰৰ তলৰ শিশুসকলৰ ম'বাইল ফোন ব্যৱহাৰৰ ফলত মগজুৰ ক্ষতি সাধন হয়। গতিকে বিশেষকৈ WHO য়ে কেৱলৰ দ্বাৰা পৰিচালিত ফোনহে যেন ছাত্ৰ-ছাত্ৰীসকলে ব্যৱহাৰ কৰে তাৰ প্ৰতি কঠোৰতা অৱলম্বন কৰিব লাগে। যেনেকৈ ............

ICO (International Censar Organaizer) য়ে ম'বাইল টাৱাৰ বা বিভিন্ন উৎসৰ পৰা বিকিৰণ হ্ৰাস কৰাৰ ক্ষেত্ৰত মানৱ জাতিৰ নিৰাপত্তাৰ বাবে নিম্নোক্ত সতৰ্কতামূলক নিৰ্দেশ বিলাক অৱলম্বন কৰাৰ নিৰ্দেশ দিছে।

(ক) মগজুত বিকিৰণ হ্ৰাস কৰাৰ ক্ষেত্ৰত (Hands Free) ম'বাইল ফোন ব্যৱহাৰ কৰক।

(খ) দেহৰ পৰা ম'বাইল ফোন দূৰত ৰাখক।

(গ) বহিৰ্ভূত (External) এন্টনা অবিহনে গাড়ীত ফোন ব্যৱহাৰ নকৰিব।

এই প্ৰসংগতে ICO য়ে পৰামৰ্শ দিব বিচাৰিছে যে ম'বাইল টাৱাৰ বিকিৰণৰ পৰা নিৰাপত্তাৰ ক্ষেত্ৰত চেল ফোনৰ সলনি লেণ্ডলাইন ফোন ব্যৱহাৰ নিৰাপদ।

এই ক্ষেত্ৰত ম'বাইল টাৱাৰ বিকিৰণৰ সংস্পৰ্শৰ পৰা মানৱ জাতিৰ নিৰাপত্তাৰ স্বাৰ্থত ম'বাইল ফোন ব্যৱহাৰকাৰীৰ ওপৰত উল্লেখ কৰা দিহা-পৰামৰ্শ বিলাক অনুসৰণ কৰা উচিত আৰু আনকো সকিয়াই দিয়া আমাৰ কৰ্তব্য হ'ব।

□□□



# প্ৰেম

মোজাম্মিল হক
স্নাতক ষষ্ঠ ষান্মাসিক

জোনাক ৰাতি। আকাশৰ তৰা তিৰবিৰাই আছে। কিচ কিচ পোক পোৰুৱাৰ মাত। ইফালে মোজাম্মিলৰ ভাটৌটোৱে Its time to get up, Its time to get up বুলি মাতি আছে। মোজাম্মিল উঠি Morning Walk অৱ পিছত ঘৰত উভতিল। ইপিনে মাকে চাহ বনাই মোজাম্মিলক মাত লগালে।

অ' বোপাই ক'ত আছ চাহ খাই যাহ।

অ' গৈ আছো।

ব্ৰেক ফাষ্ট কৰি মোজাম্মিল Study আৰম্ভ কৰিলে। তেওঁ ইমান মনোযোগেৰে পঢ়ি আছিল যে, ইপিনে কলেজৰ সময় হৈ গৈছে তাৰ খবৰ নাই। এনেতে তেওঁৰ Class friend ফকৰউদ্দিন আৰু আমিৰে দুয়ো ভাই ককাই আহি বাইকৰ হৰ্ণ বজাইছে। ফকৰউদ্দিনে মাত লগায় কিহে মোজাম্মিল, ইমান পলম কৰিছা কিয়?

অ' ফকৰউদ্দিন নেকি, মোক ক্ষমা কৰিবি, I am sorry ততালিকে হাত-ভৰি ধুই ভাত এমুঠি খাই বাইক লৈ বাহিৰ হয়। বাটত ৰুহুল আৰু জেহেৰুল সিহঁতৰ লগ লয়। পাঁচ বন্ধু মিলি কলেজত আলোচনা কৰিবলৈ ধৰে।

হামিদ মজুমদাৰ এজন ৰাজনীতিবিদ। তেখেত এইবাৰ বিধান সভাত নিৰ্বাচিত হৈছে। তেখেতৰ একমাত্ৰছোৱালী হ'ল ৰাবিয়া খাতুন। মজুমদাৰে বাতৰি কাকত পঢ়ি থকা অৱস্থাত সুধিলে—

অ' ৰাবিয়া মোৰ আইটি মোক একাপ কফি বনাই দিয়াচোন।

অ' দেউতা দি আছোঁ।

ৰাবিয়াই কফি আনি দিয়ে।

Science অৱ কিতাপ কেনেকুৱা লাগে আইটি? টান লাগেনে?

অ' নহয়, ভালেই লাগে। পিছে দেউতা মোৰ Tution ল'ব লাগিছিল।

কি Tution লবা মোৰ আইটি? Math, Chemistry ভাল কথা। দেউতাই জেপৰ পৰা দুশমান টকা উলিয়াই মৰম যাচে।

ৰাবিয়া আৰু তাইৰ বান্ধৱী ছামচুন নেহাৰ এইবাৰ Science বিভাগৰ H.S. 1st Year ত নাম লগাইছে। আজিহে প্ৰথম কলেজত যাব। এনেতে ছামচুন নেহাৰ আহিল।

অ' ৰাবিয়া সোনকালে ওলাই আহ সময় হ'ল।

অ'ছামচুন নেহাৰ এক মিনিট গৈ আছো। দুয়ো কলেজলৈ ভৰি দিলে।

কলেজ আৰম্ভণিৰ সময়। ৰেগিং পুৰা চলি আছে। ৰাবিয়া আৰু ছামচুন নেহাৰ কলেজত ভৰি দিওঁতেই ফকৰউদ্দিন, জেহেৰুল, আমিৰ আৰু ৰুহুলে হাত বাউলি দি মাতিলে।

Hello Beautiful, come here what is your name?

ৰাবিয়া আৰু ছামচুন নেহাৰ ঘৰ ক'ত?

খাৰুপেটীয়াত।

আমি তোমাৰ ঘৰত গ'লে আমাক টিপিবলৈ দিবানে?

দুয়ো তল মুৰ কৰে।

Hello Nice নামাতা কিয়?

আচলতে সিহঁতে প্ৰশ্নটো বুজা নাই। টি মানে হ'ল চা আৰু পি মানে হ'ল পি খোৱা। কথাটোৰ অৰ্থ হ'ল চাহ খুৱাবানে। এনেতে মোজাম্মিল আহি দেখিলে সিহঁতে এজনী ধুনীয়া ছোৱালীক বিৰক্ত কৰি আছে। মোজাম্মিলৰ মনত মৰম উপজিল।

এই ফকৰউদ্দিন, এই বিলাক কি কৰিছা?

হেৰা বেয়া নাপাবা, তোমালোকে যাব পাৰা। (মোজাম্মিলে কয়)

পিছদিনা ছামচুন নেহাৰ কলেজত নাহিব। ঘৰত আলহী আহিছে। ইপিনে ৰাবিয়াই ছামচুন নেহাৰৰ বাবে ৰৈ আছে। ছামচুন নেহাৰৰ বাবে ৰৈ

থকাৰ কাৰণে ৰাবিয়াৰ কলেজ আহোতে ১১ টা বাজিল। হানিফ ছাৰৰ ক্লাছ। হানিফ ছাৰ ধেমেলীয়া ধৰণৰ। তাইক আজি জোকাই মাৰিব।

তাই মনে মনে হাঁহি আছে। দুৱাৰত ভৰি ৰাখি

May I come in Sir?

Yes, come in, but why are you late?

I am sorry sir, ছামচুন নেহাৰৰ কাৰণে পলম হ'ল।

ছামচুন নেহাৰ কি ল'ৰা নেকি যে তাইক লৈ পাৰ্কত গৈছিলা।

নহয় ছাৰ পাৰ্কত ক'ত?

অ মই ভাবিছিলো কোনোবা ল'ৰাৰ লগত পাৰ্কত গৈছিলা নেকি। অ যিয়ে নহওঁক পিছে কি কৰিলা?

O, Sir?

O, No I am Sorry.

আদৰণিৰ আৰু মাথোন পোন্ধৰ দিন মান বাকী। ইপিনে মোজাম্মিলে ৰাবিয়াক দেখাৰ পৰাই মনে মনে ভাল পোৱাৰ সপোন দেখি আছে। তেওঁৰ ইচ্ছা যে তেওঁ কথাটো বন্ধুবৰ্গৰ ওচৰত ব্যক্ত কৰিলে।

কিহে তোমালোকে শুনিছানে। মোজাম্মিলে সেই ছোৱালী জনীৰ প্ৰেমত পৰিছে দে (আমিৰে কলে)। তেওঁৰ বন্ধু সকলে ক'লে চাবি আকৌ প্ৰেম দৰিয়াত হাবু-ডাবু নাখাবি। আমি উঠাব নোৱাৰিম। এইবুলি আটায়ে মোজাম্মিলৰ লগত ধেমালী কৰিলে। আদৰণিৰ দুই তিনিদিন মান আগ্ৰৰ কথা। কলেজ ছুটী হৈছে। ৰাবিয়াই অকলে শ্ৰেণী কোঠাত সোমাই ছাৰে দিয়া ত্ৰিকোণোমিতিৰ কেইটামান সূত্ৰ লিখি আছে। এনেতে তিনিজন বদমাচ ল'ৰাই ৰাবিয়াক অকলে ৰোমত থকা দেখা পালে।

Hello darling অকলে অকলে কি লিখি আছা? এই বুলি কৈ হাতত ধৰিলে।

You ruscal

Hello, sweet heart খং কৰিছা কিয়?

ৰাবিয়া সহ্য কৰিব নোৱাৰি এজনক চৰ মৰাত সিহঁতে তাইৰ আত্ম সন্মানত হস্তক্ষেপ কৰিব বিচাৰে। তাই লগে লগে বচাওক বচাওক বুলি চিঞৰে। ভাগ্য ভাল সিদিনা Principal অহাত পলম হৈছিল। তেওঁ ততালিকে ৰোমৰ দুৱাৰখন এক লাথিৰে ভাঙি সিহঁতৰ নাক মুখত ঘোচাবলৈ ধৰে। সিহঁতে এখন চকীৰে মোজাম্মিলৰ মূৰত মাৰিবলৈ ধৰে।

মোজাম্মিলে সেই টো কোনোমতে হাততেৰে ফিৰাই সিঁহত তাৰ পৰা পলাই সাৰিল।

ভয় নাপাবা আৰু কোনো ভয় নাই।

আপুনি মোৰ পৰম উপকাৰ কৰিলে। যিটো ঋণ মই কেতিয়াও পৰিশোধ কৰিব নোৱাৰিম।

নহয় হেৰি, সেইটো নহয়। এইটোতো মোৰ কৰিবলগীয়া কাম।

অনুগ্ৰহ কৰি আপোনাৰ নামটো কবনে?

মাজাম্মিল হক।

আৰু মোৰ নাম ———।

ৰাবিয়া খাতুন

আপুনি কেনেকৈ জানিলে?

কোনো কোনো নাম হৃদয়ত এনেই থাকে।

মোৰ লগত Friendship কৰিবানে?

অ' নিশ্চয় এই বুলি কৈ মোজাম্মিলে হাতখন আগবঢ়াই দিলে।

ঠিক আছে, তেন্তে আজি আহোঁ।

অ' ঠিক আছে।

ৰাবিয়া গুচি যায়। মোজাম্মিলৰ অন্তৰত নতুনকৈ জোৱাৰ ভাঁহি উঠিল। আনন্দত ইমান আত্মাহাৰা হৈছে যে বোধহয় শচীন তেণ্ডুলকাৰেও ডাবল ছেন্সুৰি মাৰি সিমান উৎসাহিত হোৱা নাছিল। বন্ধুহঁতে তেওঁৰ ওচৰত আহিল।

কিহে মাজাম্মিল তোক যে আজি ৰঙা ৰঙা দেখা গৈছে? (ফকৰউদ্দিনে ক'লে)

এক নতুন গছত ফুল ফুলিব ধৰিছে।

কিহে মোজাম্মিল, পিছে সেই ছোৱালীজনী নেকি? (ৰাহুলে ক'লে)

হয় তাই আজি মোৰ লগত বন্ধুত্ব কৰিলে।

হাত নেমেলোতেই আকাশৰ জোন আহি হাতত পৰিছে, পাৰ্টি কিন্তু দিব লাগিব। (ফকৰউদ্দিন আৰু জেহেৰুলে ক'লে)

অ' সেইটো পিছৰ কথা।

আদৰণিৰ সময় আহিল কলেজত আদৰণি হ'ল। বহু ল'ৰা-ছোৱালীয়ে নৃত্য-গীত কৰিলে। মোজাম্মিলে ৰাবিয়াৰ কাৰণে ধুনীয়া ফুল এথোপা কিনিছে। দুয়ো পাৰ্কত গ'ল। কথোপকথন কৰিছে। মোজাম্মিলৰ মনত ভাল পোৱাৰ প্ৰবল



টো উঠিছে।

মনৰ কথা তাইৰ আগত ব্যক্ত কৰে কেনেকৈ? হঠাৎ ফুলজোপা যাচিলে আৰু কলে— I love you ৰাবিয়া নিমাত হৈ ৰ'ল। তাই ততালিকে তাৰ পৰা বিষাদ মনে গুচি গ'ল। কিয়নো ৰাবিয়া ৰাকিব নামৰ ল'ৰা এজনক ভাল পায়। পিছে ল'ৰাটো বদমাচ, কিন্তু ৰাবিয়াই নাজানে। তাই মোজাম্মিলৰ লগত বন্ধুত্বহে কৰিছে। বেলেগ কিবা সম্পৰ্ক গঢ়া নাই! তেতিয়াৰ পৰা মোজাম্মিলৰ ওপৰত ঘিন উপজিল।

হিৰ হিৰ বতাহ বলি আছে। মোজাম্মিল ঘৰত আহিল। চোলা সলালে। আইয়ে মাত লগায়।

অ' বোপাই আহিলি?

অ' আহিলো

ভাত ৰান্ধি থৈছো। খাই ল

মোজাম্মিলে ভাত খাই মজনহঁতৰঘৰত গ'ল। তেওঁৰ মনত কোনো টেনশ্বন নাই। তেওঁ কেৱল এইখিনিয়ে জানে যে তেওঁ ৰাবিয়াক ভাল পায় ৰাবিয়া তেওঁৰ। তেওঁ সদায় ৰাবিয়া ৰাবিয়া কৰে। সকলো সময়ত ৰাবিয়াৰ কথা। ৰাবিয়া য'তেই যায় তেওঁ তাইৰ পিছে পিছে লগ লয়। নিজেও টোপনি নাহে লগৰীয়াবোৰকো টোপনি মাৰিবলৈ নিদিয়ে।

এমাহমান হৈ গ'ল। ৰাবিয়াইঁতে পিকনিকত যাব। মোজাম্মিলে খবৰটো শুনিছে। মোজাম্মিলক আৰু ৰাখে কোনে। ৰাবিয়াৰ পিছে পিছে মোজাম্মিলও গ'ল।

Hello Rabia I am Mozammil, I come also .

ঐ ৰাবিয়া, তুমি নুবুজা কিয়, মই তোমাক ভাল পাওঁ।

মোক দিগদাৰ নিদিবা গুচি যোৱা।

ঐ ৰাবিয়া মোক আঁতৰাই নিদিবা, তুমি মাথো

মোৰ বাবেই।

What? Non sence go away.

এনেকৈয়ে মোজাম্মিলে পাগলৰ দৰে বকি থাকে আৰু ৰাবিয়াই তেওঁক অপমান কৰে। তেওঁৰ লগৰীয়া বোৰেও বৰ বিপদত পৰিছে। সিহঁতনো কি কৰিব, কিমান বুজাইছে মোজাম্মিলে সেইবিলাক কান পাতেই নকৰে। হাঁহি ধেমালিৰে উৰুৱাই দিয়ে।

আব্দুৰ ৰহমান মোজাম্মিলৰ ডাঙৰ ককাইদেউ। তেওঁ এজন ইলিকট্ৰিক ইঞ্জিনিয়াৰ। কলকতাত থাকে। তেওঁ Family লৈ ঘৰত আহিছে। তেওঁ মোজাম্মিলক বৰ মৰম কৰে। মোজাম্মিলৰ মানসিকতা দেখি ককাইদেউৰ মনত সন্দেহ উপজিল। তেওঁ ফকৰউদ্দিনক মাতি নি মোজাম্মিলৰ বিষয়ে সুধিলে।

ফকৰউদ্দিন মোজাম্মিলক আজিকালি যেন কেনেকুৱা লাগিছে?

হয়, ককাইদেউ। ফকৰউদ্দিনে সকলো বিৱৰি কলে।

মোজাম্মিলক কলকতালৈ লৈ গ'লে কেনেকুৱা হ'ব?

বৰ ভাল হ'ব ককাইদেউ, তাত গলে অলপ পৰিৱৰ্তন হব পাৰে। ফকৰউদ্দিনে মোজাম্মিলক মাতি আনিলে।

মোজাম্মিলে পৰহি দিনা তুমি মোৰ লগত কলকতা যাব লাগিব।

নাযাওঁ ককাইদেউ।

নাযাও কলে নহ'ব। ৰেডি হৈ থাকিবা।

বচ পৰহি দিনা আটায়ে কলকতালৈ গ'ল। এসপ্তাহমান হ'ল মোজাম্মিল ককাইদেউৰ লগত কলকতাৰ পৰা দিল্লী আৰু আগ্ৰা যাত্ৰ কৰিলে। তাত তেওঁ তাজমহল, লালকিল্লা, কুতুব মিনাৰ, জামে মছজিদ, ময়ুৰ সিংহাসন, ৰাষ্ট্ৰপতি ভৱন আদি ভ্ৰমণ কৰিলে। পিছত মুম্বাইত এমাহমান কটালে।

মোজাম্মিল মুম্বাইৰ পৰা আহিল। তেওঁৰ মনৰ একনো পৰিৱৰ্তন হোৱা নাই। বহুদিন হৈ গ'ল মোজাম্মিল আৰু ৰাবিয়াক দেখা নাই। দুয়ো কলেজত আহিল। কলেজত জৰ্জ ফিল্ডত মুখা-মুখি হ'ল। ৰাবিয়াৰ লগত ৰাকিব নামৰ সেই বদমাচ ল'ৰাজন আছে।

Hello Rabia, How are you? মই কিমান দিন ধৰি তোমাক দেখা নাপাওঁ। তুমি ভাল আছানে? আৰু বহুত কিবা-কিবি কৈ এটা ৰঙা গোলাপ যাচিলে। ৰাবিয়া নিমাত হৈ ৰয়। তাই বিৰক্তি পাই আছে। তাইনো মোজাম্মিলক আৰু কি কৰিব। তাই মোজাম্মিলক কঠিন শাস্তি দিবলৈও নিবিচাৰে। কিয়নো তেওঁতো এসময়ত তাইৰ বন্ধু আছিল তাইৰ আত্ম সন্মান ৰক্ষা কৰিছিল। কিন্তু তাইৰ লগত থকা বদমাচ ৰাকিবে ৰাবিয়াৰ দেউতা M.L.A. হামিদ মজুমদাৰক মোবাইলৰ

জৰিয়তে গোচৰ জনালে। লগে লগে মজুমদাৰে কলেজৰ Principal মিঃ দত্তক ফোন কৰিলে।

Hello, Mr. Dutta?

Yes, Dutta Speaking.

I am M.L.A. Mazumdar.

M.L.A. চাহাবে মোজাম্মিলক কলেজৰ পৰা বহিস্কাৰ কৰি দিব কোৱাত Principalয়ে মোজাম্মিলক অফিচত মাতি নি বহিস্কাৰ কৰি দিলে। ফকৰউদিন, আমিৰে মোজাম্মিলক লৈ ঘৰলৈ আহিল।

বসন্ত কাল। কুলিয়ে কুউ কুউ মাতি আছে। মোজাম্মিল বিছনাত শুই আছে। এতিয়ানো সি কি কৰিব। কলেজ নাই। ঘৰত সৰু সৰু ভতিজা-ভতিজী, ভাগিন-ভাগিনীয়েকৰ লগত ক্ৰিকেট কেৰম আদি খেলি থাকে। মুঠতে এতিয়া তেওঁৰ মন মানসিকতা সৰু ল'ৰা-ছোৱালীৰ দৰে হৈ গৈছে। এদিন কেৰম খেলি থকা অৱস্থাতে ফকৰউদিন আৰু জেহেৰুল আহিল। সিহঁতক দেখি দীৰ্ঘশ্বাস পেলালে। হায়, কি ল'ৰা কি হ'ল। প্ৰেমে মানুহক কিমান দুৰ্গম বাটলৈ ঠেলি নিয়ে।

মোজাম্মিল, তই আৰু কিমান নিজকে নষ্ট কৰিবি? কিহে তইঁতে কি কয়? যা, মোক খেলিবলৈ দে। নহয় মোজাম্মিল তই?

অলপ বুজিবলৈ চেষ্টা কৰ। তই ধ্বংসৰ পথত ভৰি দিছ। জীৱনৰ কথা অলপ ভাবচোন।

মোজাম্মিলৰ সেই বিলাক কথাৰ প্ৰতি কোনো কানসাৰেই নাই। সি তেনেকৈ খেলি আছে।

মেইনৰোড্‌ত, গাড়ী-মটৰ বাইক আদি সচাৰচৰ চলিয়েই থাকে। মোজাম্মিলে বাইক লৈ মেইনৰোড্‌ৰ দাতিত থিয় হৈ থাকে আৰু ৰাবিয়াক দেখা পালে ইতিকিং কৰি মাতে। কিয়নো তেওঁ এতিয়া কলেজৰ পৰা বহিস্কাৰ হৈ গৈছে। এতিয়াতো কলেজত গৈ দেখা কৰিব নোৱাৰে সেয়েহে। কিন্তু যতে বাঘৰ ভয় তাতে ৰাতি হয়। হঠাৎ এদিন M.L.A. মজুমদাৰৰ চকুত পৰিল। Police Station অত ফোন লগালে। Hello, Police Station, I am M.L.A. Mazumdar speaking....

Ok Sir ........

M.L.A. চাহাবৰ কথা অনুযায়ী পুলিচে মোজাম্মিলক ধৰি নি জেলত ভৰাই পাৰে মানে কোবালে। পিছত ফকৰউদিনহঁতে জামিনত তেওঁক লৈ আহিল।

পিছৰ বছৰৰ আগষ্ট মাহ। মোজাম্মিলৰ সেই ফুটফুটীয়া মুখত আৰু তেনে হাঁহি নাই চমৰ পৰাজিতে তেওঁৰ জীৱনক বিষাদ বেদনাৰে জৰ্জৰিত কৰিছে। ফকৰউদিন, জেহেৰুল, আমিৰহঁতে বুজনি দি নতুনকৈ কলেজত এডমিশ্বন হবলৈ কলে। অৱশেষত মোজাম্মিল মান্তি হ'ল। মোজাম্মিল কলেজত আহিল। কলেজত ভৰি দিওঁতেই ৰাবিয়াক দৌৰি গৈ থকা দেখা পালে। তেওঁ লাহে লাহে ৰাবিয়াৰ পিছে পিছে গ'ল। ৰাবিয়া এটা সৰু কোঠালীত সোমাল। মোজাম্মিল খিৰীকিৰ এটা সৰু বিন্ধাইদি দেখে যে ৰাকিবে কেইটামান ছোৱালীৰ লগত বেয়া ব্যৱহাৰত লিপ্ত হৈ আছে। ৰাবিয়া সোমাওতেই সিহঁতে চক খাই উঠিল।

বদমাচ, প্ৰতাৰক, লমপট, চৰিত্ৰহীন, অসভ্য (ৰাবিয়া কলে)

O Darling কি হৈছে, খং কৰিছা কিয়?

ধোকাবাজ মোৰ লগত ইমানদিন এনেকুৱা ব্যৱহাৰ কৰিলি কিয়?

O Sweet heart কেৱল তুমিয়েই নহয়, মই সকলো ছোৱালীৰ লগত এনেকুৱা ব্যৱহাৰ কৰো। হাঃ হাঃ হাঃ ৰাবিয়াই সহ্য কৰিব নোৱাৰি তেওঁক এটা চৰ মাৰি কান্দি কান্দি উভতি আহে। মোজাম্মিলে এটা দীৰ্ঘ নিশ্বাস পেলালে। তেওঁৰ মূৰত যেন আকাশৰ সৰগ ভাঙি পৰিল। মোজাম্মিলেও উভতি আহিল।

চেপ্তেম্বৰ মাহ। অলপ অলপ বতাহ আৰু ৰিম-ঝিম, ৰিম-ঝিম বৰষুণ পৰি আছে। ৰাবিয়া খিড়িকীখন খুলি বহি উচুপি উচুপি কান্দি আছে। আৰু ভাবি আছে মই কি কৰিলো। কিমান বেয়া ল'ৰাক ভাল পাইছিলো আৰু মোজাম্মিলৰ লগত কিমান বেয়া ব্যৱহাৰ কৰিছো। মোজাম্মিলে মোক কেতিয়াও ক্ষমা নকৰিব। তাই এতিয়া মোজাম্মিলৰ কথাই ভাবে আৰু লাহে লাহে মোজাম্মিলক ভাল পাবলৈ ধৰিলে।

চেপ্তেম্বৰ গ'ল। অক্টোবৰ, নবেম্বৰ মাহ পাৰ হৈ গ'ল। নতুন বছৰ। শীতকাল, কুৱলী পৰিছে। মোজাম্মিলে নদীৰ দাঁতিত গহীন ভাবে থিয় হৈ আছে। মৃদু বতাহ বলি আছে। বতাহত নদীৰ ঢৌৱে প্ৰকৃতিৰ মনোৰমা দৃশ্য ফুটাই তুলিছে। এনেতে মোজাম্মিলে তিনিটা মধুৰ শব্দ শুনিবলৈ পালে।

I love you Mozammil.

মোজাম্মিলে চাই দেখিলে ৰাবিয়াক। তাইৰ হাতত এপাহ ৰঙা গোলাপ। তেওঁ দুখৰ হাঁহি এটা মাৰি ক'লে তোমাৰ এই তিনিটা শব্দ শুনাৰ কাৰণে মই অপমানিত হ'ব লগা হৈছে। এই তিনিটা শব্দ শুনাৰ কাৰণে মই কলেজৰ পৰা বহিস্কাৰ হ'ব লগা হৈছে। এই তিনিটা শব্দৰ বাবে মই পাগলৰ দৰে জীৱন অতিবাহিত কৰিছো। মাথোন এই তিনি শব্দই মোৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত থান-বান কৰি দিছে।

ৰাবিয়া নিমাত হৈ ৰয়। চাইৰ চকু দুটা চলচলীয়া হৈ পৰিল। ৰাবিয়া নামাতা কিয়? এতিয়া তোমাৰ ৰাকিব ক'ত গ'ল? ক'ত গ'ল তোমাৰ আগৰ অহংকাৰ। মই যেতিয়া তোমাক ভাল পাই ছিলো তুমি ৰাকিবক ভাল পাইছিলা। এতিয়া সি তোমাক এৰি দিছে আৰু তুমি মোৰ ওচৰত আহিছা? আচলতে প্ৰেম ভালপোৱা এনেকুৱাই ল'ৰাই হওঁক বা ছোৱালীয়েই হওঁক এজনৰ পিছত আনজন আনজনৰ পিছত আকৌ আন এজন ক্ৰমাগত ভাৱে চলি থাকে।

ৰাবিয়া বেয়া নাপাবা। মোক ক্ষমা কৰিবা। মই আচলতে এতিয়া প্ৰেম বোলা বস্তুটোক ঘিন কৰো। মই যেতিয়া প্ৰেমক ভাল পাইছিলো, তেতিয়া তোমাক ভাল পাইছিলো। এতিয়া প্ৰেমক ভাল নাপাও তোমাক কেনেকৈ ভাল পাম বা তোমাৰ প্ৰতি মোৰ মৰম কেনেকৈ হ'ব? সেইটো মোৰ ফালৰ পৰা অসম্ভৱ।

মই আল্লাহৰ ওচৰত দোৱা মাগো আৰু আশা কৰো এই দুৰ্গম বাটত যেন কোনেও ভৰি নিদিয়ে।

□□□

* মানুহ শিকলিবদ্ধ হৈ জন্ম গ্ৰহণ কৰে, কিন্তু তেওঁ মুক্ত হ'ব পাৰে।

— ৰুছো

* যিজনে নিজকে জ্ঞানী বুলি ভাৱে, তেওঁতকৈ মুৰ্খ লোক পৃথিৱীত নাই।

— ভল্টেয়াৰ

# নেদেখা বাহীৰ সুৰ

মিচ ছাইমা বেগম

স্নাতক চতুৰ্থ ষান্মাসিক

কিমান আন্তৰিকতা হলে আত্মীয়তা গঢ় লৈ উঠে সেই কথা মৌচুমীয়ে নাজানে। হয়তো নাজানে কোনেও। কিন্তু এদিনতে মাত্ৰ তাৰ লগত মৌচুমীয়ে আত্মীয়তা গঢ়ি উঠিছিল।

সেইদিনা আছিল দেওবাৰ। দেওবৰীয়া ব্যস্ততাৰ মাজত বুৰ গৈ থাকোতে মৌচুমীৰ চেলোফোনটোত বাৰে বাৰে মিছ কল আহিছিল। কামৰ ব্যস্ততাৰ মাজত এনেদৰে কোনেনো মিছকল দি আমনি কৰি আছে, সেই কথা ভাবি মৌচুমীৰ ভীষণ খং উঠিছিল। তাই কল বেক কৰিছিল। ৰিং হোৱাৰ লগে লগে সিমূৰত এক পুৰুষ কণ্ঠই সঁহাৰি জনাইছিল— হেল্ল' কোনে কৈছে?

তাই কৈছিল— এই নাম্বাৰটোৰ পৰা মোলৈ কেইবাবাৰো মিছকল আহিছিল। নাম্বাৰটো কাৰ বাৰু?

ঃ অ, এইটো মোৰ মানে মৃন্ময় তালুকদাৰৰে নাম্বাৰ। আচলতে আপোনাৰ নাম্বাৰটো মোৰ বন্ধু এজনৰ নাম্বাৰৰ লগত মিল আছে। মানে তেওঁৰ ফোনৰ নাম্বাৰ কেইটা হ'ল ......৬১২ আৰু আপোনাৰ হ'ল....৬২১। মই বন্ধুৰ নাম্বাৰটো পাহৰি আপোনাৰ নাম্বাৰটোত মিছকল দিলো। ছৰি, বেয়া নাপাব।

ঃ ইট্‌ছ অ'কে। হৈ যায় কেতিয়াবা এনেকুৱা। তাই কৈছিল।

ঃ বাৰু বেয়া নাপায় যদি আপুনি ক'ব পৰা কৈছে জনাব নেকি?— মৃন্ময়ে সুধিছিল।

ঃ যোৰহাটৰপৰা কৈছো। আপুনি ক'ব পৰা কৈছে?— অনিচ্ছা স্বত্বেও সুধি পেলাইছিল তাই।

ঃ মই লখিমপুৰৰপৰা কৈছো। আপোনাৰ নামটো জানিব পাৰোনে? মৌচুমীৰ কথা বঢ়োৱাৰ ইচ্ছা নাছিল। কিন্তু মৃন্ময় নামৰ ল'ৰাটোৰ সৰলতা আৰু সুন্দৰ কথা বতৰাই তাইক আকৃষ্ট কৰিছিল। সেয়ে তাইৰ নামটো তাক জনাইছিল। তাৰ পিছত কব নোৱাৰাকৈয়ে দুয়োটাই বহু কথাই পাতি পেলাইছিল।

মৃন্ময়ে কৈছিল— আপোনাৰ লগত কথা পাতি ভাল লাগিল। যদি আপুনি বেয়া নাপায় মাজে মাজে কথা পাতিম।

ঃ নিশ্চয় পাতিব। মোৰো আপোনাৰ লগত কথা পাতি বেয়া নালাগিল।— মৌচুমীয়ে কৈছিল।

মৃন্ময়ে হাঁহিছিল লগতে মৌচুমীয়েও। সেয়াই আছিল আৰম্ভণি। তাৰ পিছত মৌচুমীয়ে মৃন্ময়ৰ এটা কলৰ বাবে ব্যাকুলতাৰে বাট চোৱা হৈছিল আৰু মৃন্ময়েও মৌচুমীৰ লগত কথা পাতিবলৈ আকুল হৈ থকা হৈছিল। অনুৰাগে ৰঞ্জিত মন.............

নাম নজনা অনুভূতি কিছুমানে মৌচুমীক আমনি কৰিছিল। সকলো থকাৰ পিছতো কিবা এক শূণ্যতাই যেন তাইক খেদি ফুৰিছিল। অনবৰতে মৃন্ময়ৰ লগত চেল ফোনত কথা পাতি থাকিবলৈকে মন গৈ থকা হৈছিল। তাৰ লগত কথা পাতি থকাৰ সময়তে তাইৰ বুকুৰ ধপধপনি ইমানেই বৃদ্ধি পাইছিল যে, তাই যেন বহুদূৰ দৌৰিহে আহিছে। কিয় এনে হৈছে বাৰু? তাই মৃন্ময়ৰ প্ৰেমত পৰিছে নেকি? তাই নিজৰ মনতে ভাবিছিল। আকৌ নিজেই নিজক কৈছিল— ধেৎ, তাই বাৰু কি ভাবিছে? তাইতকৈ তিনি বছৰৰ সৰু ল'ৰা এটাৰ বিষয়ে এনেদৰে ভাবিব লাগেনে? সি গম পালে কি বুলি ভাবিব তাইক। কিন্তু মৌচুমীৰ নিজৰ মনটো শান্ত কৰিব পৰা নাছিল। মৃন্ময় নামৰ সত্তাটোৱে তাইৰ হৃদয়ৰ গভীৰৰ পৰা গভীৰলৈ অধিকাৰ কৰিছিল।

এদিন মৃন্ময়ে এটা এচ.এম.এছ. দিছিল তাইক— "I just feel that mised u lots. But don't know why feel so..."

এইএছ.এম.এছ.টোৱে তাইৰ মনৰ কথাবোৰকে যেন সি কৈ পেলাইছিল। মৌচুমীয়েও খুলি দিছিল ইমানদিনে জোৰকৈ বন্ধ কৰি ৰখা হিয়াৰ অগল।

নেদেখা বাহীঁৰ সুৰ....

মৌচুমী আৰু মৃন্ময়, ইটোৱে সিটোক লগ পোৱা নাই কোনোদিনে। কিন্তু কাষত নোপোৱাকৈয়ে দুয়োটা যে একেবাৰে ওচৰৰ।

মৌচুমীয়ে কেতিয়াবা ভাবে কিয় এনে হ'ল বাৰু? এনেতো হব নালাগিছিল। স্বামী আৰু এজনী পাঁচ বছৰীয়া কন্যাৰ সৈতে তাইৰ ভৰা সংসাৰ। তাৰ পিছতো তাই কোনোদিন নেদেখা আচিনীকি ল'ৰা এটাৰ প্ৰেমত পৰিল? কেনেকৈ সম্ভৱ এয়া?

তাৰ উত্তৰো তাই নিজেই বিচাৰি পায়। তাইৰ স্বামী নিলয়ে তাইক অলপো কষ্ট নোপোৱাকৈ প্ৰাচুৰ্য্যৰ মাজত ৰাখিছে, কিন্তু প্ৰাচুৰ্য্যৰ মাজত থাকিও তাই যেন কিবা এটা পোৱা নাছিল। মৌচুমীৰ স্বামী নিলয়ে কেৱল নিজৰ ব্যৱসায়ক লৈয়ে ব্যস্ত হৈ থাকে। মৌচুমীক অলপ সংগ দিবলৈও তেওঁৰ হাতত সময় নাথাকে। ভালদৰে এষাৰ কথা পাতিবলৈ যে তেওঁৰ আহৰি নাই। আনকি ৰাতি যেতিয়া মৌচুমীয়ে সিহঁতৰ কণমানি তনয়াই দিনটোত কি কি কাণ্ড ঘটালে সেই কথা নিলয়ক আগ্ৰহেৰে ক'ব বিচাৰে তেতিয়াও তেওঁ বিৰক্তি প্ৰকাশ কৰে। সেয়ে মৌচুমীয়ে একো কথা নকয় নিলয়ক। তাইৰ মনৰ কথাবোৰ নিজৰ মনৰ ভিতৰত সাঁচি ৰাখে। মৌচুমীয়ে ভাৱে সেই বিশেষ মুহূৰ্তটোৰ বাবেহে যে তাইক নিলয়ৰ প্ৰায়োজন। তাৰ বাহিৰে যে তাইৰ কোনো প্ৰয়োজনেই নাই। অকথিত দুখ আৰু ক্ষোভে তাইক হেঁচি ধৰে।

এজনী নাৰীয়ে স্বামীৰ পৰা কেৱল শাৰিৰীক সংগই নহয়, মানসিক সংগও বিচাৰে। তেনেদৰে তায়ো বিচাৰিছিল। কিন্তু নিলয়ে তাইক মানসিক সংগ দিব পৰা নাছিল।

সেয়ে তাইৰ বুকুৰ খালি হৈ থকা কোনটোক মৃন্ময়ে আহি থিতাপি ললেহি। মৃন্ময়ে তাৰ মানসিক সাহচৰ্য্যৰে তাইৰ বুকুৰ শূণ্যতাখিনি দূৰ কৰি পঠিয়ালে।

মৌচুমীয়ে ভাৱে, তাই বাৰু পাপ কৰিছে নেকি? কিন্তু এয়াতো পাপ নহয়। কাৰণ ইজনে সিজনক কোনোদিন লগ পোৱা নাই আৰু লগ কৰিবও নিবিচাৰে। ভালপোৱা মানেই কাষত পোৱা নহয় এই কথাত দুয়ো একমত। তথাপি লগ নোপোৱাকৈয়ে ইজনে সিজনক মানসিক ভাৱে বুৰাই ৰাখিছে। শাৰিৰীক বাসনা নথকা সিহঁতৰ সম্পৰ্ক যে বহু উৰ্ধত।

খৰাং বতৰত এজাক বৰষুণে যেনেকৈ শুষ্ক বসুন্ধৰাক জীপাল কৰি তোলে ঠিক তেনেকৈ মৌচুমীকো তৰংগৰ মাজেদি ভাহি অহা মৃন্ময়ৰ এষাৰ মাতেই জীয়াই থকাৰ প্ৰেৰণা দিয়ে। তাইৰ বাবে মৃন্ময়ৰ মানসিক সাহাৰ্য্য হ'ল পৰম প্ৰাপ্তি। অন্ততঃ তেনেকৈ ভাৱে মৌচুমীয়ে। সেয়ে নেদেখা বাঁহীৰ সুৰৰ মূৰ্চ্ছনাত চিৰদিন মগণ হৈ থাকিব বিচাৰে তাই।

□□□

# বাস্তৱ

হামিদুৰ ৰহমান
বি.কম. পঞ্চম যান্মাসিক

সুন্দৰপুৰী এখন মনোৰম গাঁও। গাঁওখনত মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ লগতেই দুখীয়া শ্ৰেণীৰ মানুহো বিৰাজমান। দুখীয়াবোৰৰ বেছিভাগেই বিদেশত কাম কৰি পেট পোহে। গাঁওখনৰ এচুকতেই অৱস্থিত খগেন বৰুৱাৰ ঘৰ। সাতজনীয়া সদস্যৰে গঠিত পৰিয়ালক লৈ পেটে ভাতে চলি থাকে। বাপেক মহতীয়াই দুপুৰা মাটিতে খেতি কৰি কৰ্মকে ধৰ্ম কৰি লৈছে।

ঘৰৰ ডাঙৰ ল'ৰা ৰমেনৰ বয়স ১৬ বছৰ। দেউতাকৰ বুকু ভৰা সপোন যে ৰমেনে পঢ়া-শুনা কৰি চাকৰি এটা পাই পৰিয়ালটোলৈ এক সুখৰ আধাৰ আনিব। ৰমেণ পঢ়াতো ভাল। সকলোৰে পৰাই তেওঁ আগৰণুৱা ছাত্ৰ। ভাল ছাত্ৰ হিচাপে বেছ নামো আছে তাৰ। হলে কি হ'ব, এফালে যেনেকৈ শিক্ষিত সমাজে তেওঁক পঢ়া-শুনাৰ বাবে উদ্‌গনি দিয়ে, আনফালে তেনেকৈ তেওঁৰ সমকক্ষ সমাজে উপাৰ্জন কৰি দেউতাকক তথা পৰিয়ালক সহায় কৰিবলৈ নিৰ্দেশ দিয়ে।

সকলোকে কাতি কৰি ৰমেনে মেট্ৰিক পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ দেউতাকৰ সপোনক দ্বিগুণ জীপাল কৰিলে। শিক্ষাগুৰু তথা বিজ্ঞজনৰ পৰামৰ্শমতে বৰপেটা চহৰৰ এম.চি. কলেজত বিজ্ঞান শাখাত একাদশ শ্ৰেণীত নামভৰ্তি কৰিলে। কলেজত ভৰ্তিৰ মাচুলৰ পৰা আৰম্ভ কৰি বিভিন্ন খৰচ বহন কৰোতে দেউতাকৰ কষ্ট তিনিগুণ বাঢ়িল।

চহৰৰ পৰিৱেশ। কি জাকজমক তাতে আকৌ হোষ্টেলৰ খৰচ, দামী পোছাক, উন্নত ধৰণৰ বন্ধু, টিউচনৰ খৰচ সেই সকলোতে সমযোজনা কৰিবলৈ ৰমেনৰ টকাৰ চাহিদা বাঢ়িল। দেউতাকে সপোন পূৰণৰ বাবে বাপেক মহতীয়াই অলপ সম্পত্তি বন্ধকো থব লগা হ'ল।

মাইকেল, ৰবি, টনি, ৰাহুল আজিকালি ৰমেনৰ প্ৰিয় বন্ধু হৈ পৰিল। বন্ধুৰ সৈতে বিভিন্ন নতুন ব্যস্ততা, চিনেমা চোৱা, টুৰত যোৱা আদি কৰিবলগীয়াত পৰিল। যেনে দেশ তেনে ভেশ মতে দেউতাকৰ পৰা লোৱা টকাৰে প্ৰয়োজনীয়তাবোৰ পূৰণ কৰাৰ উপৰিও মোবাইলত বন্ধুসকলৰ দৰে ইণ্টাৰনেটো ব্যৱহাৰ কৰিব ধৰিলে। Facebook, Whatsapp, twitter আদিৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিল।

অনামিকা; ৰমেনৰ সহপাঠী। সেই চহৰৰে এখন ডাঙৰ শিল্পপতিৰ ছোৱালী। দেখাত যেন অপশ্বেৰী, মুখত লাজুক হাঁহি। দুয়োজনে ইজনে সিজনক প্ৰাণ ভৰি ভাল পায়। যৌৱনৰ কোবাল সোঁতৰ ঢৌত দুয়োজনে উটি যাবলৈ ধৰিলে।

এনেকৈয়ে সপোনৰ দিন বাগৰি প্ৰথম বাৰ্ষিক পৰীক্ষা পাৰ হ'ল। এইবাৰ ৰমেনে উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষত উঠিল। আগৰ বন্ধুৰ ঘনিষ্ঠতা, Google ৰ চাহিদা, প্ৰেম আদি আৰু বাঢ়ি গ'ল। ফলত লাহে লাহে টকাৰ প্ৰয়োজনো বাঢ়ি গৈ থাকিল। সময়ৰ সোঁত বাগৰি চূড়ান্ত পৰীক্ষাৰ দিন চাপি আহিল।

দিন বাগৰিল। আজি ৰমেনৰ প্ৰথম পৰীক্ষা। হঠাৎ যেন মনত এক অস্বস্তিকৰ অনুভৱ কৰিলে। পৰীক্ষাত বহিল। ঘণ্টা পাৰ হ'ল। কিন্তু তেওঁ লিখিব নোৱাৰিলে। কিয়নো প্ৰশ্নবোৰৰ উত্তৰ তেওঁ নেজানে। চাৰিওপিনে চাই দেখে সকলোৱে লিখি আছে। আজি এই অদ্ভুত সময়ত বন্ধুবোৰ তেওঁৰ ওচৰত নাই। প্ৰেমিকা; যাৰ লগত প্ৰায় গোটেই দিন পাৰ হৈছিল তাকো বিচাৰি নাপালে। মাথো মাজে মাজে পৰীক্ষকৰ গৰ্জন শুনা যায়। 'নিজে যি পাৰা সেয়াই লিখি থাকা' কিন্তু বেচেৰা ৰমেনে একো লিখিব নোৱাৰিলে মাথো তেওঁ চকুলো টুকি থাকিল। পৰীক্ষা



শেষ হোৱাত তেওঁৰ মাথো অনুতাপ বাঢ়িল। তেওঁ যেনেকৈ সময়ক অপব্যয় কৰিছিল তেনেকৈ আজি সময়ে তেওঁক অপব্যয় কৰিছে। বাকী থকা বিষয়বোৰ পঢ়িবলৈ ললে যদিও তেওঁৰ বাবে বিষয়বোৰ কঠিন শিলাময় পৰ্বতৰ দৰে হৈ'ৰ'ল।

এনেকৈয়ে পৰীক্ষা পাৰ হ'ল। ঘৰলৈ উভতি আহিল। তেওঁ সকলো সময়তে মন মাৰি থাকিব ধৰিলে। পৰীক্ষাৰ চিন্তাত যেন থাকিবলৈ ঠাই নোপোৱা হ'ল। আনৰ লগত কথা নপতা, খোৱা-বোৱা নকৰা হ'ল। কিন্তু তেওঁৰ এই সময়ৰ বাবে কোনো বন্ধুৱেই নোহোৱা হ'ল।

মাহ তিনিচেৰেক পাৰ হ'ল। পৰীক্ষাৰ ফলাফল আহিল কিন্তু প্ৰেমিক ৰমেন উত্তীৰ্ণ হ'ব নোৱাৰিলে। তেওঁৰ মূৰত যেন সৰগ ভাগি পৰিল। দেউতাকে কান্দি কান্দি তেওঁৰ কষ্টৰ বৰ্ণনা, টকাৰ বৰ্ণনা কৰিবলৈ ধৰিলে। মাকেও কান্দোন মিশ্ৰিত কণ্ঠে প্ৰায়ে কবলৈ ধৰিলে— 'আমাৰ সপোন সপোন হৈয়েই ৰ'ল। কপালত এয়াই আছিল। ইত্যাদি ইত্যাদি...। গাঁৱৰ শিক্ষক আগৰ সৎ চিন্তকবোৰৰ পৰাও পৰিত্ৰাণ নোপোৱা হ'ল। তেওঁলোকৰ মুখত শুনা যায়। 'তই ভাল ছাত্ৰ আছিলি, পঢ়িছিলি নে অইন কিবা কৰিছিলি? আনজনে কয় ছোৱালীৰ পিছে পিছে ঘূৰি ফুৰিছে। আনজনে কয় ইয়াতকৈ যদি দেউতাকৰ কামত সহায় কৰিলেহেতেন দেউতাই কিমান সুখ পালেহেতেন; কাঞ্চনৰ ল'ৰাই বিদেশত থাকি টকা আনি সুন্দৰ ঘৰ সাজিছে কিন্তু তেওঁৰ দেউতাকৰ মাটি বন্ধকৰ ফল কি হ'ল ইত্যাদি ইত্যাদি...।

ই ফালে এই বাৰ বৰষুণ নোহোৱাত সকলোৱে মেচিনেৰে পানী দি ধান ৰুইছিল কিন্তু খগেনে টকাৰ অভাৱত নোৱাৰিলে। এই সকলো পৰিস্থিতিৰ সন্মুখীন হোৱাত ৰমেণৰ মূৰৰ ওপৰত আকাশ খহি পৰিল। এই সকলো চিন্তাত ৰমেনে নিজকে হেৰুৱাই পেলালে। ভৎসনা আচৰণৰ চিন্তাত মানসিক ভাৰসাম্য হেৰুৱাই পেলালে। আজিকালি সেই ৰমেণক ৰেলৰ আলিৰ কাষত ফুটপাথত দেখা যায়। তাৰ কাষত এতিয়া পুৰণি বন্ধুবোৰ, প্ৰেমিকা, মোবাইল আদি একোৱেই নাই। ফটা কাপোৰ, বস্তা আদি পৰিহিত ৰমেনৰ দাড়িৰে ভোবোৱা মুখত এক নিৰ্লিপ্ত নিৰ্বিকাৰ চাৱনি।

□□□

* নজনাটো সিমান ডাঙৰ কথা নহয়, শিকিবলৈ ইচ্ছা কৰাটোহে বেছি ডাঙৰ কথা।

—বেঞ্জামিন

* শ্ৰমেই উন্নতিৰ মূল।

— ডঃ বাণীকান্ত কাকতি

# নাটক —

## কৃত্ৰিম প্ৰেমৰ পৰিণাম

মঃ আবিজুল হক
স্নাতক পঞ্চম ষাণ্মাসিক

<u>নাটকৰ চৰিত্ৰসমূহ</u> ঃ

বন্দিতা ঃ চতুৰ প্ৰেমিকা, পিছত ৰামৰ পত্নী
ৰাম ঃ কলেজৰ এজন ভাল ছাত্ৰ। ঘৰখনৰ একমাত্ৰ সন্তান আশাৰ প্ৰদীপ।
ৰমেন ঃ ৰামৰ চক্ৰান্তকাৰী বন্ধু
হৰি ঃ ৰামৰ গাঁওখনৰ ল'ৰালিকালৰ বন্ধু। ৰামৰ শুভাকাংক্ষী।

বন্দিতাৰ লগত ৰামৰ চিনাকী হয় কলেজ সপ্তাহত। তাৰ পৰাই প্ৰথম প্ৰেমৰ পাতনি মেলে। এদিনাখন...

বন্দিতা ঃ অ, ৰাম দা আপুনি ৰাজনীতি বিজ্ঞানৰ ছাত্ৰ নহয় নে? মোক এটা সহায় কৰি দিব নেকি? নে বেয়া পাব?

ৰাম ঃ নাই নাই কিয় বেয়া পাম। তোমাক সহায় কৰিব পাৰিলে মই ভালহে পাম।

বন্দিতা ঃ মিচিকিয়া হাঁহি, আপোনাৰ যে কথা।

ৰমেন ঃ অই ৰাম, ছোৱালীক সহায় কৰিলে ভালেই লাগিব।

বন্দিতা ঃ তই অভদ্ৰামি কৰিবলৈ ঠাই নাপালি। ৰাম দা, আপুনি এই বদমাচটোৰ লগ এৰি দিবচোন। ব'লক এতিয়া আমি কেন্টিনলৈ যাওঁ। (কেন্টিনত বহি কথা পাতো)

ৰাম ঃ বন্দিতা তোমাৰ ৰমেনৰ লগত আগতে কিবা চিনাকি, মানে.. কিবা সম্পৰ্ক থকা যেন লাগিছে খুব ফ্ৰি দেখোন।

বন্দিতা ঃ মই কৈছো নহয়, এই জগতত আপোনাতকৈ মোৰ অতি আপোন আৰু প্ৰিয় কোনো হ'ব নোৱাৰে। আপোনাক মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰিম। শপত খাই কৈছো।

ৰাম ঃ ময়ো তোমাক সকলোতকৈ প্ৰাণ ভৰি ভাল পাওঁ আৰু হেৰুৱাব নোখোজো। তোমাৰ কাৰণে মই বহু দূৰলৈ আৰু বহু দিনলৈ অপেক্ষাত থাকিম। তুমি কেৱল আনৰ মৰমত ভোল নগলৈই হ'ল। মোৰ সৰ্বনাশ হ'ব।



(এনেতে ৰমেন কেন্টিনলৈ সোমাই আহে)

ৰমেন ঃ ৰাম তহঁতৰ কৃত্ৰিম পাৰ্টী আমাক নুখোৱালি দেখোন। বাৰু... তেন্তে বিয়া কেতিয়া? (বন্দিতা খং মনে কেন্টিনৰ পৰা ওলাই যায়।)

ৰাম ঃ অই ৰমেন তাই দেখোন মোক খুব ভাল পায় অ, তাই বোলে মোৰ জীৱনলৈ একেবাৰে আহিব। কিন্তু তাইৰ প্ৰতি মোৰ যেন বেলেগ সন্দেহ এটা আহে তাই কিবা...

ৰমেন ঃ ধেৎ নাই নাই একো নাই। তই আকৌ কি ভাবিছ তই তাইক বিয়া পাতি ল সোনকালে। ব'ল... (চিগাৰেট এটা জ্বলোৱা যাওঁক) (ৰমেন হোষ্টেলৰপৰা ঘৰত গৈ মন মাৰি বহি থাকে মাক-দেউতাকৰ লগতো ভালকৈ কথা নকয়।)

ৰাম ঃ দেউতা মোক এইবাৰ টকা দহ হাজাৰ বেছিকৈ দিব লাগিব।

দেউতা ঃ ইমান টকা তোক কৰ পৰা দিম আৰু কিয় লাগে কি কৰিবি তই খুলি ক কিবা কৰি হলেওঁ... (কান্দি কান্দি) একমাত্ৰ মোৰ ল'ৰা কি কৰো।

ৰাম ঃ দেউতা মই বিয়া পাতিব লাগে নহ'লে মই ঘৰতো নাথাকো কলেজলৈও নাযাওঁ।

দেউতা ঃ সৰ্বনাশ কৰিলি মোক। মোৰ সকলো আশা, ঘৰৰ সকলো আশা পানীত পেলালি তই, কি কৰিলি বেপা, কি চক্ৰত পৰি তই কি কৰিলি। (কান্দি কান্দি.... কপালত হাত দি) হায় মোৰ কপাল (এনেতে গাঁৱৰ বন্ধু হৰি, ৰাম অহাৰ খবৰ পাই ফুৰিবলৈ আহে)

হৰি ঃ অ খুৰা, ৰাম ক'ত?

ৰামৰ দেউতাক ঃ অ' হৰি কি কৰিবা তাৰ খবৰ লৈ, সিটো ধ্বংসৰ পথত।

হৰি ঃ অই ৰাম কি হ'ল তোৰ। তোৰ বোলে ফাইনেল পৰীক্ষা, ঘৰলৈ কিয় আহিলি তই। তই মোৰ বাল্য বন্ধু সকলো খুলি কচোন।

ৰাম ঃ হৰি, মই বন্দিতাক বিয়া পাতিম নহলে মই তাইক হেৰুৱাব লাগিব। তাই বিয়া হৈ গুচি যাব আৰু মই জীয়াই থাকিব নোৱাৰিম। হৰি মই সোনকালে বিয়া নাপাতিলে তাই আত্মহত্যা কৰিব।

হৰি ঃ অ তই এই বদমাচ, ৰমেনৰ মতে ঘৰখনক অশান্তি কৰি

মাৰ ঃ দেউতাৰক অশান্তি দি এই কাম নকৰিবি। মই কৈছো তোৰ ভাল নহব আৰু তাই ৰমেনক হে ভাল পাইছিল। তোক কেনেকৈ বিয়া পতিব?

ৰাম ঃ তই এই চব কথা বাদ দে। দেউতাক ক নহলে মই কিবা বেলেগ ব্যৱস্থা কৰিম।

হৰি ঃ তেন্তে তোৰ যি ইচ্ছা তাকে কৰ মোৰ একো কবলগা নাই।

(কিছুদিন পিছত ৰাম আৰু বন্দিতাৰ বিয়া হ'ল।)

বন্দিতা ঃ মই কৈছো নহয় এইখন ঘৰত নাথাকো তোমাৰ মূৰ্খ মা-দেউতাৰ লগত মই গাঁৱলীয়া হৈ চলিব নোৱাৰিম। আমি টাউনলৈ গৈ ঘৰ ভাড়া লৈ থাকিম।

ৰাম ঃ মোৰ এতিয়া একো উপাৰ্জন নাই। টাউনলৈ গৈ কি কৰিম, কি খাম, কেনেকৈ চলিম? ঘৰত মা-দেউতাক কোনে চাব? ঘৰখনো আছে।

বন্দিতা ঃ তোমাৰ কেৱল মা-দেউতা, ঘৰখন আৰু মই কৰপৰা আহিলো। মোৰ কিবা অধিকাৰ নাই নেকি? তেন্তে মই গুচি যাম তুমি তোমাৰ মা-দেউতাৰাক লৈ থাকা।

(এদিন কাজিয়া কৰি বন্দিতা ৰামক এৰি থৈ গুচি যায়)

ৰাম ঃ মই এতিয়া কি কৰো বন্দিতাকো পাহৰি থাকিব নোৱাৰো। মই এতিয়া নিচা খাই চহৰে নগৰে ঘূৰি ফুৰি দিন কটাব লাগিব। এয়ে মোৰ জীৱন..... এয়ে মোৰ কৃত্ৰিম প্ৰেমৰ পৰিণাম।

(ৰাম এতিয়া মদ ভাং খায় মাতাল হৈ পাগলৰ দৰে ঘূৰি ফুৰিছো। কিন্তু বন্দিতাৰ একো খবৰ নাই। ৰামৰ জীৱন ধ্বংসৰ একমাত্ৰ কাৰণ (তাৰ কৃত্ৰিম প্ৰেমৰ) নাৰী।

নাৰী সৃষ্টিৰো মূল আনকি ধ্বংসৰো মূল।

# মনৰ বেদনা

অবিৰ আলী
চতুৰ্থ বৰ্গৰ কৰ্মচাৰী

মই তেতিয়া চতুৰ্থ শ্ৰেণীত পঢ়ি আছিলো। মোৰ লগত মোৰ দেউতা মা আৰু ডাঙৰ বাইদেউ এজনী আছিলে। তেতিয়া মোৰ বাইদেউজনী নৱম মান শ্ৰেণীত পঢ়ি আছিল। আমাৰ ঘৰ ধুবুৰী জিলাৰ হাটশিঙিমাৰী ভাৰত বাংলা প্ৰায় সীমাতে আছিল। দেউতাই বহুত কষ্ট কৰি আমাক পোহ-পাল দিছিল। আমাৰ গাঁৱৰ ওচৰতে এটা সীমা সুৰক্ষা বাহিনীৰ কেম্প আছিল। সীমান্ত বাহিনীৰ জোৱানে কিবা অজুহাত লৈ প্ৰায়ে আমাৰ ঘৰলৈ অহা-যোৱা কৰিছিল। এদিনাখন আমি সকলোৱে খাই-বই ৰাতি টোপনি গৈছো। হঠাৎ মই চিঞৰ বাখৰ আৰু গুলিৰ শব্দ শুনি আতংকিত হৈ মা-দেউতাক মাতি আছিলো। মোৰ দেউতাক আৰু মাক ইতিমধ্যে গুলিয়াই মাৰিছিল। মোৰ বাইদেউক সীমান্ত সুৰক্ষা বাহিনীয়ে বল পূৰ্ব্বক ঘৰৰ পৰা উঠাই লৈ গৈছিল। মই চিঞৰি চিঞৰি কান্দি কান্দি বাইদেউক মাতিছিলো। তেতিয়া সিহঁতৰ এজনে মোৰ মূৰত বন্দুকেৰে কোব দিলে আৰু লগে লগে মোৰ মূৰৰ পৰা তেজ ওলাই আহিল আৰু মই অচেতন হৈ পৰিলো। পিচদিনা মই চেতনা ঘূৰাই পাই গম পালো মই মানকাচৰ চিকিৎসালয়ত আছো।

গাঁৱৰ মানুহৰ পৰা মই জানিলো বাইদেউৰ মৃত দেহ ধানখেতিৰ মাজত পৰি আছিল বুলি। মোৰ বাহিৰে মোৰ পৰিয়ালৰ এজন সদস্যও জীয়াই নাথাকিল। কোনোবা অচিনাকী বন্দুক ধাৰীয়ে সকলোকে মাৰি পেলাইছিল। তেতিয়া মোৰ বয়স মাত্ৰ দহ বছৰ। মোৰ গাঁৱৰ মানুহে মোক সান্তনা দিলে। স্থানীয় এম.এল.এ. আহি সমবেদনা আৰু মোৰ কাৰণে নগদ এক লাখ টকাৰ সাহাৰ্য্য পুঁজিৰ চেক দিলে। মোৰ মামাই মোৰ দায়িত্ব ললে আৰু তেতিয়াৰ পৰা মই মামাৰ ঘৰত থাকি ডাঙৰ-দীঘল হলো। মই যেতিয়া ২০ বছৰীয়া ডেকা তেতিয়া মই মনে মনে মোৰ পৰিয়ালৰ ঘাতকৰ প্ৰতিশোধ লোৱাৰ সংকল্প কৰিলো আৰু মই মামাৰ ঘৰৰ পৰা পলায়ন কৰিলো। অসমৰ নামনিৰ পৰা আহি আহি মই মঙলদৈৰ পৰা উত্তৰ ফালে টংলা নামৰ ঠাই এখন পালো। তাতে এখন গেলামালৰ দোকানীৰ ঘৰত থাকিবলৈ ললো আৰু মানুহজনৰ দোকানৰ বেচা-কিনা কামত সহায় কৰিব ধৰিলো।

এজন ল'ৰা প্ৰায়েই এই দোকানলৈ আহে বয়-বস্তু কিনিবলৈ আৰু কালক্ৰমত সেই ল'ৰাজনৰ লগত মোৰ ঘনিষ্ঠতা বাঢ়িবলৈ ধৰে।

এদিনাখন সেই ল'ৰাজন আহি দোকানৰ পৰা খাদ্য-সামগ্ৰী কিনি থাকোতে হঠাৎ তেওঁ কাপোৰৰ তলৰ পৰা পিষ্টল এটা উলিয়াই মোক দেখুৱালে আৰু ফুচফুচাই মোক সুধিলে "এই নৰেণ তই গান চলাব পাৰ নেকি? তেতিয়া মই বন্দুক চলাব নোৱাৰো বুলি কওঁ আৰু আজিহে মই প্ৰথম পিষ্টল দেখিলো বুলি কলো। তেতিয়া তেওঁ কলে 'তই যদি মোৰ লগত যাব বিচাৰ তেতিয়াহ'লে তই এইবোৰ পাবি আৰু টকাও পাবি কিছু। বৰ্তমান সদস্য ভৰ্তিৰ কাম চলি আছে। তেতিয়া মই যাবলৈ অস্বীকাৰ কৰিলো। তেতিয়াৰ পৰা ল'ৰাজন প্ৰায়ে মোৰ দোকানলৈ আহে আৰু সংগঠন সম্পৰ্কে ভিতৰুৱা বহুত কথা পাতে। দিন গৈ আছে এনেকৈয়ে এদিন হঠাৎ মই সংগঠনত যোগ দিবলৈকে থিৰাং কৰিলো আৰু ভাবিলো এই ল'ৰাজনৰ লগত গৈ মোৰ কামনা পূৰ্ণ কৰিম। তিনিমাহ পিছত সেই চিনাকী বন্দুকধাৰী ল'ৰাজনৰ লগত গুছি গলো। তেওঁ মোক লগত লৈ ভূটিয়া চাং হৈ ভৈৰৱ কুণ্ডৰ গভীৰ হাবিৰ মাজলৈ লৈ গ'ল। তাতে মোক এটা নিষিদ্ধ ঘোষিত সংগঠনৰ মুখ্য



কামানডেণ্ট প্ৰিয় বসুমতাৰীৰ ওচৰত হাজিৰ কৰালে। উগ্ৰপন্থীৰ ছীফ কামানডেণ্টজনে মোৰ পৰিচয় ললে।

ঃ তোৰ নাম কি?
ঃ মোৰ নাম নৰেণ কলিতা
ঃ তোৰ ঘৰ ক'ত?
ঃ ধুবুৰী জিলাৰ হাটশিঙিমাৰীত।
ঃ তই কিয় আমাৰ লগত চামিল হব বিচাৰিছ ইত্যাদি।

তেতিয়া মই মোৰ জীৱনত ঘটি যোৱা ঘটনাৰ বিষয়ে বিৱৰি কলো। তেতিয়া উগ্ৰপন্থীৰ ছীফ কামানডেণ্টজনে কলে তোৰ আৰু চিন্তা নাই। এতিয়াৰ পৰা তোৰ মা, দেউতা আৰু বাইদেউৰ প্ৰতিশোধ লবি চৰকাৰী পুলিছ বাহিনীৰ ওপৰত। তোৰ পৰিয়ালৰ বাবে আমিও প্ৰতিশোধ লম। তেখেতে এজন কেডাৰক মাতি কলে যে আজিৰ পৰা নৰেণ কলিতাৰ খোৱা, বোৱা, থকা আৰু ট্ৰেইনিং এক মাহৰ ভিতৰত কমপ্লিট কৰি দিবি। তেতিয়াৰ পৰা মোক বন্দুক চলোৱা আৰু বোমা বাৰুদ বনোৱাৰ ট্ৰেইনিং দিব ধৰিলে। এক মাহমান পিছত মই আৰু মোৰ লগৰবোৰৰ সৈতে সৰু সুৰা কুটাঘাত যেনে— অপহৰণ, ধনদাবী আদি কাম কৰিব দিলে। প্ৰায়ে মই মোৰ বন্ধু সকলৰ লগ লাগি হত্যা, অপহৰণ আৰু চৰকাৰী পুলিছ বাহিনীক বন্দুক আৰু বোমাৰে আক্ৰমণত লাগি গলো। মাজে সময়ে মোৰ মনটো বেয়া লাগে কিয়নো মই এই জানোৱাৰবোৰৰ লগত হাত মিলালো। কিন্তু মা দেউতাৰ কথা মনত পৰিলে মন প্ৰৱল প্ৰতিশোধ লোৱাৰ বাবে জাগ্ৰত হয়।

এদিনাখন ওদালগুৰিৰ পৰা প্ৰায় বিশজন চি.আৰ.পি. বাহিনীৰ এটা দল ভূটিয়াচাঙলৈ আহি আছে বুলি গম পালো। আমাৰ ছীফ কামানডেণ্টজনে আমাৰ আঠজন কেডাৰক হুকুম দিলে যে তেওঁলোক আহি থকা ৰাস্তাৰ কালভাৰ্টৰ তলত লেন মাইন বোমা থব লাগে আৰু তেওঁলোকক উৰুৱাই দিব লাগে। আমি আটায়ে গৈ উক্ত ৰাস্তাত লেন মাইন বোমা থৈ তাতে হাবিৰ মাজত লুকাই থাকিলো। দিনৰ চাৰি বজাত জনশূণ্য ৰাস্তায়েদি চি.আৰ.পি. বাহিনী এখন গাড়ীৰে আহি আছিল। উক্ত ঠাই পাওঁতে সন্ধিয়া ছয় বাজিছিল। চি.আৰ.পি. বাহিনীত দুজন কামানডেণ্ট অফিচাৰ আৰু তিনিজনী মহিলা চি.আৰ.পি. আৰু বাকী কেইজন জেনেৰেল কামানডেণ্ট। উক্ত ঠাই পোৱা মাত্ৰেই মই ৰিমোটৰ ছুইচ দবাই দিলো। লগে লগে চি.আৰ.পি. বাহিনীৰ গাড়ীখন বিকট শব্দ কৰি দহ ফুট ওপৰলৈ ছিটিকি গৈ সৰি পৰিল। মোৰ চকুৰ আগতে উক্ত ঘটনাটো দেখি মোৰ চকুৰেদি নিজৰাৰ দৰে পানী বৰলৈ ধৰিলে। কিন্তু এজনী মহিলা চি.আৰ.পি.ৰ ভৰি ছিঙি মাটিত পৰি ছটফটাই আছিল। সকলোৰে মৃত্যু হৈছিল কিন্তু তাইৰ মৃত্যু হোৱা নাছিল। দূৰৈৰ পৰা তাই দেখি মোক মাতিছিল মোক বচোৱা বুলি। লগত কেডাৰবোৰে মোক টানি লৈ গুচি গ'ল আমাৰ কেম্পলৈ। সেই মহিলা চি.আৰ.পি. জনীৰ আৰ্তনাদে বেয়াকৈ মোক আঘাত দিব ধৰিলে। মই থিৰাং কৰিলো মহিলা চি.আৰ.পি.জনীক বচাব লাগিব। সিহঁতৰ লগত খোৱা বোৱা কৰি শুবলৈ গলো। সকলো শোৱাৰ পিছত মোৰ হাতত থকা দহ হাজাৰ টকা লৈ মই তাৰপৰা পলায়ন কৰিলো। দৌৰি দৌৰি মহিলা চি.আৰ.পি জনীৰ ওচৰ পালো। চাৰিওফালে মানুহৰ হাত, ভৰি, মূৰ আদি পৰি আছে। মই এইবোৰ চাই হিয়া ভাঙি কান্দিলো। আজি মোৰ কাৰণে এই নিৰপৰাধী মানুহ কেইজনৰ মৃত্যু হ'ল। তাৰ পিছত মই আগুৱাই গলো মহিলা চি.আৰ.পি. জনীৰ ওচৰলৈ। তাই যেতিয়া ঠাণ্ডাৰ মাজত অচেতন হৈ পৰি আছিল মই তাইৰ বুকুৰ মাজত কান থৈ তাই জীয়াই থকাৰ উমান পালো। আৰু দেৰি নকৰি মই তাইক কান্ধত তুলি লৈ হাবিৰ মাজেৰে দৌৰিব ধৰিলো। দুৰ্ঘটনা ঘটা ঠাইখিনি আছিল অতি দুৰ্গম। আশে পাশে নাছিল এখনো ঘৰ, দোকান, বজাৰ আৰু চিকিৎসালয়। মই সেই ৰাতি দৌৰি দৌৰি পাঁচ কিঃ মিঃ দূৰত থকা এখন চিকিৎসালয়ত ভৰ্তি কৰাই চিকিৎসালয়ত থকা ডাক্তৰক উক্ত দুৰ্ঘটনাৰ সকলো কথা বিৱৰি কলো। অকল মই কামটো কৰা বুলি নকলো। ডাক্তৰে প্ৰাথমিক চিকিৎসা দি মঙলদৈ অসামৰিক চিকিৎসালয়লৈ পঠাই দিলে। তাত বহুত পুলিছ বাহিনী আৰু সাংবাদিকে মোক প্ৰশ্ন কৰিব ধৰিলে। মই আগতে ডাক্তৰক কোৱাৰ দৰে সকলো কথা বিৱৰি কলো। মানুহে মোক ধন্যবাদ দিলে আৰু ফটোসহ মোৰ নাম পিছিদিনা বাতৰি কাকতত ওলাল। মোক এচ.পি. মহোদয়ে চাৰিদিনৰ বাবে নিজৰ জিন্মাতে

ৰাখিলে। উক্ত দিন কেইটা যোৱাৰ পাছত মই অ.চি. মহোদয়ক কলো যে মোক মহিলা চি.আৰ.পি. জনীৰ ওচৰলৈ লৈ যাব লাগে। লগে লগে মোক তাইৰ ওচৰলৈ লৈ গ'ল। মই মনে মনে ভয় কৰিছিলো যে যদি মোক তাই চিনি পায়। এজন পুলিছে তাইক কলে যে এই বীৰজনে আপোনাক পুনৰ জীৱন দিলে। তাইৰ দুই চকুৰেদি পানী ওলাই আহিল। তাই মোক চিনি পোৱা নাছিল তেতিয়াহে গম পালো। মোক মাতি নি কলে আপোনাক মই কি বুলি ধন্যবাদ দিম মোৰ মুখত ভাষা নাই। তাইৰ দেউতাকে মোক সাৱটি ধৰিলে। আপোনাৰ কাৰণে মোৰ অনিতা আজি জীয়াই আছে। অনিতাৰ দেউতাই তেওঁলোকৰ সম্পূৰ্ণ পৰিচয় দিলে যে তেওঁলোকৰ ঘৰ ধেমাজী জিলাৰ মালিগাঁৱত। তাই সৰুৰে পৰা ভাৰতীয় সেনা বাহিনীত যোগদান কৰিম বুলি আশা আছিল। মেট্ৰিক পাছ কৰি চি.আৰ.পি.এফ.ত যোগ দিছিল আজিৰপৰা তিনি বছৰ আগত ইত্যাদি। কিছুদিন পিছত অনিতা আৰোগ্য হোৱাত ডাক্তৰৰ পৰামৰ্শ কৰি কৃত্ৰিম ভৰি লগাই দিলে আৰু তাই এতিয়া ঘৰলৈ যাব পাৰিব বুলি কলে। অনিতাই এচ.পি. মহোদয়ৰ লগত আলোচনা কৰি মোক লগত লৈ তাইৰ ঘৰ পালে।

লাহে লাহে তাই মোৰ লগত মধুৰ সম্পৰ্ক গঢ়িবলৈ চেষ্টা কৰিবলৈ ধৰিলে। মোৰ বিষয়ে অনিতাই বহুবাৰ জানিবলৈ চেষ্টা কৰিছিল। কিন্তু পৰিচয় গোপনে ৰাখিছিলো অনিতাৰ ঘৰৰ মানুহবোৰেও মোক বৰকৈ আদৰ যতন কৰিব ধৰিলে। তাই দিনটোৰ বেছি ভাগ সময় মোৰ লগতে থাকে আৰু বহু ধৰণৰ কথা পাতে। কেতিয়াবা তাইৰ চকুৰেদি চকুলো বৈ আহে। তাইৰ কথা শুনি মোৰ মনটো কান্দি উঠে। মোৰ কাৰণে আজি তাইৰ... মই মাজে সময়ে তাইক সান্ত্বনা দিওঁ।

এদিনাখন তাই মোক কলে মই তোমাক ভাল পাওঁ মই তোমাৰ লগত সংসাৰ পাতিব বিচাৰো। মোক তুমি নিৰাশ নকৰিবা। মই কোনো উত্তৰ নিদি হুমুনিয়াহ কাঢ়িলো। মই যিমানে অনিতাৰ পৰা দূৰত থাকিব বিচাৰো কিন্তু তাই মোৰ সংগ নেৰে। কিন্তু নিজকে বৰ অপৰাধী অপৰাধী যেন লাগিছে। আজি মোৰ কাৰণে তাইৰ এই দূৰৱস্থা। মই মামাৰ ঘৰত থাকোতে উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈছিলো।

এদিনাখন মই সকলো কথা কাগজত লিখি মোৰ বিচনাৰ ওপৰত থলো আৰু তাত লিখিছিলো অনিতা তুমি মোক ভুল নুবুজিবা। কিয়নো তোমাৰ এই বাস্তৱ অৱস্থাৰ বাবে মই নিজেই দায়ী। উক্ত দুৰ্ঘটনাৰ মাষ্টাৰ মাইন্ড ময়েই আছিলো। মই এই হাতেৰে বহুত নিৰপৰাধী মানুহৰ প্ৰাণ লৈছো। মই এজন সন্ত্ৰাসবাদী হৈ তোমাৰ নিচিনা এজনী নিষ্পাপ মহিলাক আপোন কৰি লব নোৱাৰো। কাৰণ তোমাক পাবলৈ হলে বহুত পূণ্য কাম কৰিব লাগিব। মোৰ এই হাত নিৰপৰাধী মানুহৰ তেজেৰে ৰাঙলী। পাৰা যদি মোক ক্ষমা কৰিবা। এবুকু হুমুনিয়াহ লৈ মই ৰাতিৰ এন্ধাৰত বিলীন হৈ গৈছিলো ভৱিষ্যতহীন, উত্তৰহীন পুনৰ মোৰ জীৱনলৈ। অনিতা বাই, গুড বাই।

❑❑❑

"জ্ঞানে আপোনাক শক্তিশালী কৰি তোলে; জ্ঞানেই হ'ল সেই সম্পদ যি আপোনাৰ দুৰ্যোগৰ মুখতো ধৈৰ্য ধৰিবলৈ, হাঁহিবলৈ প্ৰেৰণা যোগায়।"

— এভেৰী ব্ৰুকছ



# 'কাৰেঙৰ লিগিৰী' নাটকৰ সংঘাত

মিচিৰা পাৰবিন
অধ্যাপিকা, অসমীয়া বিভাগ

ঊনবিংশ শতিকাৰ মাজভাগতেই আধুনিক অসমীয়া নাটকৰ জন্ম হ'লেও উৎকৃষ্ট নাটকৰ সংখ্যা বেছি নহয়। পৌৰাণিক কাহিনীৰ অতিপ্ৰাকৃত পৰিবেশৰ পৰা সমাজৰ বাস্তৱ অৱস্থালৈ নামি আহি সামাজিক সমস্যাক আকৰ্ষণীয় ৰূপত দাঙি ধৰিবলৈ পোন প্ৰথম প্ৰয়াস কৰিছিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই। এই প্ৰয়াসৰ ফলত জন্ম লাভ কৰা 'কাৰেঙৰ লিগিৰী'য়ে জ্যোতিপ্ৰসাদৰ শিল্প সাধনাৰ উজ্জ্বল স্বাক্ষৰ বহন কৰিছে। পুৰণি আৰু নতুনৰ মাজত সৃষ্টি হোৱা সংঘৰ্ষক কেন্দ্ৰ কৰি লিখা এই নাটকখনত নাট্যকাৰে আদৰ্শৰ সংঘাত পৰিস্ফুট কৰি তুলিছে। কোনো কোনো সমালোচকৰ মতে সংঘাতেই নাটকৰ মূল বস্তু- Conflict is the soul of drama.। সংঘাত নহ'লে নাটক শীৰ্ষ বিন্দুত উপনীত নহয়। এই সংঘাত সাধাৰণতে দুই প্ৰকাৰৰ- অৰ্ন্তসংঘাত আৰু বৰ্হিসংঘাত।

আৰম্ভণিতে পৰম কৰুণাময় আল্লাহৰ নাম স্মৰণ কৰি শ্বহীদ বৰণ কৰা বীৰ সকললৈ সশ্ৰদ্ধ প্ৰণিপাত নিবেদিছোঁ। যিসকল ব্যক্তিয়ে নিজ স্বাৰ্থক ত্যাগ কৰি অক্লান্ত পৰিশ্ৰমৰ বিনিময়ত খাৰুপেটীয়াৰ দৰে পিছপৰা অঞ্চলত এই মহান অনুষ্ঠান গঢ়াৰ প্ৰতিনিধিত্ব কৰি এই অঞ্চলত এক শৈক্ষিক আন্দোলনৰ সূচনা কৰিলে। তাৰ বাবে তেখেত সকললৈ এই সুযোগতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। শ্বহীদ সকলৰ আত্মাই চিৰশান্তি লাভ কৰক আৰু জীৱিতসকল সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত বাছনি কৰি দি ছাত্ৰ একতা সভাৰ উপসভাপতি পদৰ দৰে গুৰুত্বপূৰ্ণ পদবীৰ দায়িত্ব অৰ্পণ কৰিলে তাৰ বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই উপসভাপতি হিচাপে ০৯/১১/২০১৩ তাৰিখে ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়া সকল লগত শপত কৰি কাৰ্যভাৰ গ্ৰহণ কৰোঁ।

উদ্‌যাপিত অনুষ্ঠানঃ (১) মহাবিদ্যালয়ৰ পৰম্পৰা অনুসৰি চলি অহা মহাবিদ্যালয় সপ্তাহ যোৱা ইং ২৭/০১/২০১৪ তাৰিখৰ পৰা ৩১/০১/২০১৪ তাৰিখলৈ পাঁচদিনীয়া কাৰ্যসূচীৰে উলহ-মালহেৰে যথেষ্ট পৰিমাণে ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি মহাবিদ্যালয় সপ্তাহ আনন্দমুখৰ কৰি তোলে। মহাবিদ্যালয়ৰ অন্তিম কাৰ্যসূচী মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱে। বিশিষ্ট অতিথি হিচাপে চিকিৎসক তথা সাহিত্যিক ড০ ৰমাকান্ত বৰাদেৱক সন্মান দিয়া হয়। লগতে বিভিন্ন শিতানত পাৰদৰ্শিতা দেখুওৱা ছাত্ৰ-ছাত্ৰী সকলক মানপত্ৰৰ লগতে পুৰস্কাৰেৰে পুৰস্কৃত কৰা হয়। সন্ধিয়া আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানত অসমৰ বিশিষ্ট জনপ্ৰিয় শিল্পী বুলবুল হুছেইনক প্ৰথমবাৰৰ বাবে আমন্ত্ৰিত কৰি অনা হয়। বুলবুল হুছেইনৰ সুৰীয়া গীতেৰে মহাবিদ্যালয় সপ্তাহ সামৰণি পৰে।

(২) অন্যান্য বছৰৰ দৰে এইবেলিও খাৰুপেটীয়া মহাবিদ্যালয়ত ইং ০৪/০২/২০১৪ তাৰিখে সৰস্বতী পূজা উদযাপন কৰা হয়। ইয়াৰ উপৰিও যোৱা ইং ১০/০২/২০১৪ তাৰিখে ফাতিহা-ই-দোৱাজ-দহম উৎসৱ পালন কৰা হয়। উক্ত উৎসৱটিত কেৰাত, গজল, জিকিৰ, ৰচনা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়। ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কৰ্মচাৰী আৰু শিক্ষক সকলক লগত লৈ উলহ-মালহেৰে উদ্‌যাপন কৰোঁ। উক্ত উৎসৱ দুটি প্ৰীতি ভোজনেৰে কাৰ্যসূচী সমাপ্ত কৰা হয়।

মোৰ কাৰ্যকালত হোৱা কাম-কাজৰ বিৱৰণী ঃ

(১) মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ চৌহদত থকা শ্বহীদ বেদীটো মেৰামতি কৰি সুন্দৰ ভাবে সজাই তোলা হয়।

(২) শ্ৰেণী নথকা সময়ত ছাত্ৰ-ছাত্ৰীৰ জিৰণিৰ কাৰণে মহাবিদ্যালয়ৰ চৌহদত থকা গছৰ তলত নতুনকৈ ১৭ খন পকী বেঞ্চ নিৰ্মাণ কৰা হয়।

(৩) মোৰ কাৰ্যকালত অধ্যক্ষ মহোদয়ৰ নেতৃত্বত মহাবিদ্যালয়ৰ চৌহদৰ সীমা পকী বেৰ দিয়া হয়।

(৪) মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ অডিটৰিয়াম হল এটি নিৰ্মাণ কৰা হয়।

(৫) মোৰ কাৰ্যকালত পুথিভঁড়ালৰ আগত এখন ডাঙৰ দেৱাল আলোচনীৰ ব্যৱস্থা কৰা হয়।

(৬) ছাত্ৰ-ছাত্ৰীৰ দাবীত সহাঁৰি জনাই আমি ছাত্ৰ একতা সভাই পানীৰ অসুবিধা আঁতৰাবলৈ প্ৰস্ৰাৱখানাৰ সন্মুখত এটা দমকল স্থাপন কৰোঁ। ইয়াৰ উপৰিও প্ৰস্ৰাৱখানা সমূহ চাফ-

চিকুন কৰি ৰং কৰা হয়।

(৭) মোৰ কাৰ্যকালত প্ৰথম বাৰৰ বাবে ৫ ছেপ্তেম্বৰ তাৰিখে শিক্ষক দিৱস মুকলি ভাৱে অনুষ্ঠিত কৰি প্ৰত্যেক গৰাকী শিক্ষক-শিক্ষয়িত্ৰীক ফুলাম গামোছা আৰু কলম যাঁচি সন্মান জনোৱা হয়।

(৮) ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহু গুণে বৃদ্ধি হোৱাত আমাৰ কাৰ্যকালতে অধ্যক্ষ মহোদয়ে পাঠ গ্ৰহণৰ সুবিধাৰ বাবে দুটা (টি.আৰ.- ১, টি.আৰ.-২) বৃহৎ শ্ৰেণীকোঠা বনোৱা হয়।

(৯) মোৰ কাৰ্যকালত তাৎক্ষণিক ভাবে সভা পাতিবলৈ এটা আলোচনা গৃহ তৈয়াৰ কৰা হয়। এই কাৰ্যসমূহ কৰোতে অধ্যক্ষ মহোদয়ক ছাত্ৰ একতা সভাই পৰ্য্যাপ্ত পৰিমাণে সহায় আগবঢ়াই আহিছে।

(১০) মহাবিদ্যালয়ৰ চৌহদত কেন্টিনৰ গাতে লাগি থকা খালবোৰ মাটিৰে পূৰ কৰা হয়। আৰু চৌহদৰ মাজেৰে যোৱা পুৰণি পথটো যান-বাহন অহা-যোৱা কৰাত আমাৰ শ্ৰেণী সমূহত আৰু ছাত্ৰ-ছাত্ৰী সকলৰ যাতায়তত অসুবিধা হোৱা বাবে দক্ষিণ দিশত এটি নতুন পথ বনাই দিয়ে যাতে ছাত্ৰী-ছাত্ৰী আৰু ৰাইজ দুয়োৰে সুবিধা হয়।

(১১) আন আন বছৰৰ দৰে ভাৰতৰ স্বাধীনতা আৰু গণতন্ত্ৰ দিৱস এই উৎসৱ দুটি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। আৰু উৎসৱ দুটিৰ পতাকা উত্তোলন কৰাৰ বাবে সুন্দৰ ভাৱে নতুন প্ৰশাসনীয় ভৱনৰ সন্মুখত পতাকা উত্তোলন স্থলী নতুনকৈ তৈয়াৰ কৰা হয়।

(১২) মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ প্ৰচেষ্টাত জ্যেষ্ঠ সংখ্যাৰ আলোচনীখন প্ৰকাশ কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু শুভাকাংক্ষীৰ মনোবাঞ্ছা পূৰ্ণ কৰা হয়।

(১৩) মোৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ কাৰ্যালয়ৰ বাবে দুটা হুইল চেয়াৰ কিনা হয়।

মহাবিদ্যালয়ৰ অভাৱ-অভিযোগ সমূহঃ

(১) মহাবিদ্যালয়ত সাহিত্য চৰ্চা নথকাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল সাহিত্য জ্ঞান লাভ কৰাৰ পৰা বঞ্চিত হৈ আছে। গতিকে সাহিত্য চৰ্চাৰ বাবে উপযুক্ত ব্যৱস্থা অধ্যক্ষ মহোদয়ে কৰি দিয়ে যেন।

(২) মহাবিদ্যালয়ত কম্পিউটাৰ পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিব লাগে।

(৩) মহাবিদ্যালয়ত পানীৰ যোগানৰ ব্যৱস্থা আছে যদিও বিশুদ্ধ পানীৰ বাবে একুৱাগাৰ্ড বা পানী ফিলট্ৰেচনৰ বাবে ফিল্টাৰৰ ব্যৱস্থা কৰিব লাগে।

সামৰণি ঃ মোৰ এবছৰীয়া কাৰ্যকালত বিভিন্ন দিশৰ পৰা বহুমুলীয়া পৰামৰ্শ ও সহযোগ কৰা সকলৰ ভিতৰত নাম লব লাগিব মাননীয় অধ্যক্ষ ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰৰ লগতে ছাত্ৰ একতা সভাৰ তত্বাৱধায়ক কনকলতা শইকীয়া বাইদেউৰ লগতে সকলো বিভাগীয় তত্ত্বাৱধায়ক ছাৰ-বাইদেউ আৰু ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগতে বন্ধু-বান্ধৱীৰ ভিতৰত নাম লব লাগিব- লাল মিঞা, খালিদ ইব্ৰাহীম, ৰমজান, আশিক, বাবু, ইক্ৰামুল, জিয়াউল (দাদা), পাপু, ছাদিকুল, বাহাৰুল (দাদা), আশ্বাদ, ছিদ্দিক, ছাহাব, আফজল, মহিবুল, লোকমান, ছালেহ, জাবেদ, হাবিবুদ্দিন (মামা), ফিৰোজ, আৰিফ, জাকাৰীয়া, তাৰ্জিনা, মৰ্জিনা, আৰিফা, ৰেশ্মা, ফৰিজুল আটাইকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সদৌ শেষত আলোচনী সম্পাদক আৰু সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিছো লগতে মোৰ কাৰ্যকালত হোৱা ভুল-ত্ৰুটিবোৰৰ মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

শ্ৰদ্ধাৰে—
জিয়াউৰ ৰহমান
উপ-সভাপতি
ছাত্ৰ একতা সভা
খাৰুপেটীয়া মহাবিদ্যালয়।

## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰি বিগত দিন সমূহ জাতীয় স্বকীয়তা ৰক্ষাৰ বাবে দেশমাতৃৰ হকে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকলক শ্ৰদ্ধাৰে স্মৰণ কৰিলোঁ। ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচন যোগে মোক সহঃ সাধাৰণ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদবীত নিৰ্বাচন কৰি দি ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়লৈ সেৱা কৰাৰ সুবিধা দিয়াত তেখেত সকললৈ ধন্যবাদ জ্ঞাপন কৰিছো। ইং ০৯/১০/২০১৩ তাৰিখে হোৱা নিৰ্বাচনীৰ আনুষ্ঠানিক ফলাফলৰ পিছত ইং ০৯/১১/২০১৩ তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱৰ সভাপতিত্বত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানত সভাৰ অন্যান্য বিষয়ববীয়াৰ সতে ময়ো শপত বাক্য পাঠ কৰো।

(১)খাৰুপেটীয়া মহাবিদ্যালয়ত প্ৰত্যেক বছৰৰ দৰে এইবেলিও ইং ২৭/০১/২০১৪ তাৰিখৰ পৰা ৩১/০১/২০১৪ তাৰিখলৈ মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন কৰো। ছাত্ৰ একতা সভাৰ সহযোগত মহাবিদ্যালয় সপ্তাহত নানা প্ৰতিযোগিতাৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি তেওঁলোকৰ সুপ্ত প্ৰতিভা দেখুৱায়। এই প্ৰতিযোগিতা সমূহত স্থান পোৱা ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত অতিথি সকলৰ দ্বাৰা পুৰস্কৃত কৰা হয়।

উদ্‌যাপিত অনুষ্ঠান ঃ

(২) আন বছৰৰ দৰে এইবেলিও খাৰুপেটীয়া মহাবিদ্যালয়ত সৰস্বতী পূজা আৰু ফাতিহা-ই-দোৱাজ-দহম দুটি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী আৰু শিক্ষক সকলক লৈ উলহ-মালহেৰে উদ্‌যাপন কৰোঁ। উক্ত অনুষ্ঠান দুটি লঘু আহাৰ বিতৰণৰ জৰিয়তে সফল সামৰণি পৰে।

(৩) ইং ১৬-০৯-২০১৪ তাৰিখে এই বৰ্ষৰ নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ সমাৰোহেৰে এক বৰ্ণাঢ্য পৰিৱেশৰ এই সভাখনি আনন্দমুখৰ হৈ পৰিছিল। মুকলি সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱে।

(৪) মোৰ কাৰ্যকালত আলোচনী সম্পাদনা সমিতিৰ লগতে ছাত্ৰ একতা সভাৰ সক্ৰিয় প্ৰচেষ্টাত ষষ্ঠ সংখ্যা আলোচনীখন প্ৰকাশ কৰি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী ও কৰ্মচাৰীৰ মনোবাঞ্ছা পূৰ্ণ কৰা হয়।

(৫) নতুনকৈ নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰী সকলৰ পৰা ৯৬০০.০০ টকা সংগ্ৰহ কৰি আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ শ্বহীদ বেদীটো মেৰামতি কৰি সুন্দৰ ভাবে সজাই তোলা হয়।

(৬) মহাবিদ্যালয়ৰ চৌহদৰ কেন্টিনৰ গাতে লাগি থকা খাল মাটিৰে পোতা আদি উন্নয়নমূলক কাম কৰা হয়। চৌহদৰ মাজেৰে যোৱা পুৰণি পথটোৰে বহুতো যান-বাহন অহা-যোৱা কৰি থকা সময়ত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত আতংকৰ সৃষ্টি কৰে বাবে দক্ষিণ দিশত এটা নতুনকৈ ৰাস্তা বনাই দিয়ে যাতে ৰাইজৰ সুবিধা হয়।

(৭) মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সংখ্যা বৃদ্ধি হোৱালৈ লক্ষ্য ৰাখি শ্ৰেণী নথকা সময়ত বহিবৰ বাবে মহাবিদ্যালয়ৰ চৌহদত পকী বেঞ্চ ১৭ খন নিৰ্মাণ কৰা হয়। আমি ছাত্ৰ একতা সভাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত আমাৰ মহাবিদ্যালয়ত বহুতো উন্নয়নমূলক কাম কৰা হয়।

সামৰণি ঃ মোৰ কাৰ্যকালত বিভিন্ন দিশৰ পৰা বহুমুলীয়া পৰামৰ্শ আৰু সহযোগ কৰাৰ ভিতৰত প্ৰথমেই মাননীয় অধ্যক্ষ মহোদয়ৰ নাম লব লাগিব। লগতে মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকললৈ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ। ইয়াৰ উপৰিও ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয়ববীয়া মোৰ সহযোগী বন্ধু-বান্ধৱী সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে দৰং জিলাৰ এন.এচ.ইউ.আইৰ বিষয়ববীয়া সকললৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সৰ্বশেষত আলোচনী সম্পাদক ছাদ্দাম হুছেইন তথা সম্পাদনাৰ সতে জড়িত প্ৰত্যেক ব্যক্তিক ধন্যবাদ জ্ঞাপন কৰি মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ ক্ষমা মাৰ্জনা বিচাৰি এই মহান অনুষ্ঠান খাৰুপেটীয়া মহাবিদ্যালয় খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনখন সামৰণি মাৰিলোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

শ্ৰদ্ধাৰে—
মঃ জাকিৰ হুছেইন
সহঃ সাধাৰণ সম্পাদক
ছাত্ৰ একতা সভা
খাৰুপেটীয়া মহাবিদ্যালয়।

## খেল অন্তঃ বিভাগ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যিসকল ব্যক্তিয়ে নিজ স্বাৰ্থক ত্যাগ কৰি অসীম পৰিশ্ৰমৰ বিনিময়ত খাৰুপেটীয়াৰ দৰে পিছপৰা অঞ্চলত উচ্চ শিক্ষাৰ অনুষ্ঠান 'খাৰুপেটীয়া মহাবিদ্যালয়' প্ৰতিষ্ঠা কৰি এই অঞ্চলত এক শৈক্ষিক আন্দোলনৰ সূচনা কৰিলে তাৰ বাবে তেখেতসকললৈ মোৰ হিয়াভৰা গভীৰ শ্ৰদ্ধা নিবেদিছোঁ। ২০১৩-১৪ চনৰ খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাবে ২০১৩ চনৰ ৯ অক্টোবৰ তাৰিখে সাধাৰণ নিৰ্বাচন হয়। উক্ত নিৰ্বাচনত মই খেল অন্তঃ বিভাগৰ সম্পাদকৰ পদত নিৰ্বাচিত হৈ ২০১৩ চনৰ নবেম্বৰ মাহৰ ৯ তাৰিখে কাৰ্যভাৰ গ্ৰহণ কৰোঁ। ক্ৰীড়াই মানুহৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ বাবে ক্ৰীড়াক শিক্ষাৰ অবিচ্ছেদ্য অংগ বুলি কোৱা হয়।

আজিৰ যুগত কেৱল পাঠ্যক্ৰমৰ শিক্ষা গ্ৰহণ কৰিলেই নহয়। ইয়াৰ লগত আমি খেল-ধেমালিকো সমানে প্ৰাধান্য দিয়া দৰকাৰ। এজন ভাল খেলুৱৈও সমাজৰ দৃষ্টিত চাকৰিয়াল বা বৈজ্ঞানিকৰ দৰে সন্মানীয় হয়। মই খেল অন্তঃ বিভাগৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয়ত ২০১৪ চনৰ ২৭ জানুৱাৰীৰ পৰা ২০১৪ চনৰ ৩১ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগত থকা খেল সমূহ ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ লগতে মোৰ বিভাগীয় তত্ত্বাৱধায়ক মাননীয় ড০ আমজাদ হুছেইন মজুমদাৰ ছাৰে মোক বিশেষভাৱে সহায়-সহযোগিতা আগবঢ়ায়। ইং ৩১-০১-১৪ তাৰিখত অনুষ্ঠিত মুকলি সভাত মহাবিদ্যালয় সপ্তাহত খেলত পুৰস্কাৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক আমন্ত্ৰিত বিশিষ্ট অতিথি মাননীয় ড০ ৰমা বৰা, সন্মানীয় অতিথি মাননীয় আব্দুল মজিদ আৰু মাননীয় অধ্যক্ষ ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰৰ দ্বাৰা পুৰস্কৃত কৰি আবেলি ২-৩০ বজাত সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়। মোৰ কাৰ্যকালত সকলো সময়তে দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰ আৰু ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সভানেত্ৰী মাননীয়া কনকলতা শইকীয়া বাইদেউ আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া, বিভাগীয় তত্ত্বাৱধায়ক আৰু মোৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিব বিচাৰিছোঁ।

আমাৰ কাৰ্যকালত আমি গৌৰবেৰে কব খোজো যে, মহাবিদ্যালয়ৰ উন্নতিৰ ফালে লক্ষ্য কৰিলে দেখা যায় যে মহাবিদ্যালয়ত অন্তঃ গৃহ নিৰ্মাণ, দুটাকৈ শ্ৰেণীকোঠা নিৰ্মাণ, মহাবিদ্যালয়ৰ মাজেদি বৈ যোৱা পুৰণি ৰাস্তা নিৰ্মাণ, মহাবিদ্যালয়ত ছাত্ৰী আবাস নিৰ্মাণ, মহাবিদ্যালয়ৰ চাৰিওফালে দেৱাল নিৰ্মাণ, ইয়াৰ উপৰিও খাৰুপেটীয়া মহাবিদ্যালয়ত ২০১৫ চনত নাক্ টিমক আহিবলৈ আমন্ত্ৰণ জনোৱা হয়।

আমাৰ বিদ্যালয়খন পিছপৰা ঠাইত অৱস্থিত। ইয়াত বিভিন্ন অভাৱ-অভিযোগ আৰু ঘাত-প্ৰতিঘাটৰ মাজেৰে জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে গঢ় লৈ উঠা এখন উচ্চ শিক্ষানুষ্ঠান। সেয়েহে ইয়াত কিছুমান অভাৱ থকা স্বাভাৱিক। যেনে- খেল পথাৰত খেলৰ বাবে ইমান ভাল নহয়। নিম্নমানৰ ক্ৰীড়া সামগ্ৰী, উপযুক্ত প্ৰশিক্ষণ ব্যৱস্থাৰ অভাৱ ইত্যাদি। ইয়াৰ মাজেদি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে খেলত ভাল পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যাতে ক্ৰীড়া সম্পৰ্কীয় অভাৱবোৰ সোনকালে দূৰ কৰে তাকে কামনা কৰিছোঁ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ কৰ্মচাৰী সকলৰ ওচৰত ক্ষমা বিচাৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম।

শ্ৰদ্ধা আৰু সেৱাৰে—
খুহৰ আলী
সম্পাদক
খেল অন্তঃ বিভাগ



# খেল বহিঃ বিভাগ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন



জয়জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তালৈ মোৰ ভক্তি জ্ঞাপন কৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আন্তৰিক শুভেচ্ছাৰে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি মেলিলো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক খাৰুপেটীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বহিঃ বিভাগৰ পদত নিৰ্বাচিত কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে আমাৰ মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয়ৰ প্ৰতিটো খেলতেই বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে প্ৰতিদ্বন্দ্বীতা কৰে তাৰে কিছুমানে কৃতকাৰ্যতা লাভ কৰে আৰু কিছুমানে অকৃতকাৰ্য হয়। সেয়েহে মই সমূহ প্ৰতিযোগীলৈ আন্তৰিক ধন্যবাদ জনাইছো। সপ্তাহজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰা হৈছিল। তাৰ ভিতৰত পাঁচদিনীয়া খেল-ধেমালী আৰু ষষ্ঠ দিনা বঁটা বিতৰণী সভা পতা হয়। আৰু শেষৰ দিনা দিনজোৰা কাৰ্যসূচীৰে সাংস্কৃতিক অনুষ্ঠান উদ্‌যাপন কৰা হয়। বঁটা বিতৰণী সভাত বহুতো সন্মানীয় ব্যক্তিৰ উপস্থিতিত বঁটা সমূহ বিতৰণ কৰা হয়।

আমাৰ মহাবদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া অনুষ্ঠানত বিভিন্ন ধৰণৰ খেলৰ আয়োজন কৰা হয়। তাৰে ভিতৰত বহিঃ বিভাগৰ খেল সমূহৰ ভিতৰত - ১০০মিঃ, ২০০মিঃ, ৪০০মিঃ দৌৰ প্ৰতিযোগিতা, যাঠী দলিওৱা, ওজন দলিওৱা, কাহী দলিওৱা, দীঘল জাপ, ওখ জাপ, ক্ৰিকেট প্ৰতিযোগিতা, ফুটবল প্ৰতিযোগিতা, কলহ ভঙা আৰু ভলীবল প্ৰতিযোগিতা। এই খেলসমূহৰ ভিতৰত ল'ৰা শাখাৰ ভিতৰত শ্ৰেষ্ঠ খেলুৱৈ মঃ মালিক আলী আৰু ছোৱালী শাখাৰ শ্ৰেষ্ঠ খেলুৱৈ নাৰজিমা বেগমলৈ অভিনন্দন জ্ঞাপন কৰিলোঁ।

**কৃতজ্ঞতা স্বীকাৰঃ**

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা দেৱ আৰু খেল বহিঃ বিভাগৰ তত্ত্বাৱধায়ক সহঃ অধ্যাপক মাননীয় আব্দুল হান্নান ছাৰে বিভিন্ন দিশৰ পৰা সৎ পৰামৰ্শ আগবঢ়োৱা বাবে তেখেত সকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলক আন্তৰিক শ্ৰদ্ধা যাচিছোঁ। ইয়াৰ বাহিৰেও ছাত্ৰ একতা সভাৰ বিভিন্ন বিষয়ববীয়া মোৰ সহযোগী বন্ধু-বান্ধৱী সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত মোৰ অজানিতে হোৱা ভুল-ক্ৰটিৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী।

শ্ৰদ্ধাৰে—
বাবুল আলী
সঃ সম্পাদক
খেল বহিঃ বিভাগ

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যিসকল মহান ব্যক্তিয়ে নিজৰ প্ৰাণ আহুতি দি পৰাধীনতাৰ কবলৰ পৰা আমাৰ দেশমাতৃক স্বাধীন কৰিলে আৰু যিসকল মহান ব্যক্তিয়ে নিজৰ স্বাৰ্থক পৰিহাৰ কৰি এই পিছপৰা অঞ্চলত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলে, তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা স্বীকাৰ কৰি মই মোৰ বছৰেকীয়া সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

আমি সকলোৱে একো একোখন সমাজত বাস কৰো। ঠিক তেনেদৰে আমাৰ শিক্ষা অনুষ্ঠানবোৰো একোখন সমাজ। এই শিক্ষা অনুষ্ঠানবোৰৰ ভিতৰত আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়খনো এখন। খাৰুপেটীয়া মহাবিদ্যালয়ৰ আমি এটি সুন্দৰ পৰিয়াল বা সমাজ। সমাজ এখন

সঠিকভাবে পৰিচালনাৰ কৰিবলৈ যেনেদৰে কিছুমান সমাজকৰ্মীৰ প্ৰয়োজন, ঠিক তেনেদৰে মহাবিদ্যালয় এখন পৰিচালনাৰ বাবে সমাজকৰ্মীৰ প্ৰয়োজন। সমাজসেৱা হৈছে দেশ এখনৰ উন্নতিৰ মেৰুদণ্ডস্বৰূপ। দেশ এখনক উন্নতিৰ দিশত আগুৱাই নিবলৈ হলে আমি ছাত্ৰ অৱস্থাৰ পৰাই মনত দৃঢ় মনোভাৱ জগাই তুলিব লাগিব।

যোৱা ইং ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তিনিজন প্ৰতিদ্বন্দ্বীৰ মাজৰ পৰা মই সমাজ সেৱা সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। আৰু ইং ০৯/১১/২০১৩ তাৰিখত ছাত্ৰ একতা সভাৰ অন্যান্য বিষয়ববীয়া সকলৰ লগত শপত গ্ৰহণ কৰো।

এখন মহাবিদ্যালয়ৰ সমাজসেৱা সম্পাদকৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। এই কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ মানদণ্ড কিমান দূৰ ৰক্ষা কৰিব পাৰিছো এইটো আপোনালোকৰ বিচাৰ্য বিষয়। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অন্যান্য বছৰৰ দৰে এই বছৰতো ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ, শ্ৰীশ্ৰীসৰস্বতী পূজা, ফাতেহা-ই-দোৱাজ-দহমৰ লগতে গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস আৰু আমাৰ ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত এই বছৰতো নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হৈছিল।

মই সমাজসেৱা সম্পাদক হিচাপে মোৰ কাৰ্যকালত সময় সাপেক্ষে মোৰ তত্বাৱধায়ক আব্দুৰ ৰহমান ছাৰৰ পৰামৰ্শমতে খেল পথাৰ চাফাই কৰা, গছত চুন দিয়া, ফুলনি মেৰামতি কৰা, বৃক্ষৰোপণ কৰা, মহাবিদ্যালয়ৰ চৌহদ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখা আৰু শ্বহীদ বেদীৰ চৌহদটো বঢ়াই দি নতুনকৈ মেৰামতি আদি কামবোৰ সুকলমে পৰিচালিত কৰা হয়।

মোক সকলো দিশতে দিহা-পৰামৰ্শ দিয়া আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজিৰকা ছাৰক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে মোৰ তত্বাৱধায়ক আব্দুৰ ৰহমান ছাৰলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

মোক সকলো দিশতে দিহা-পৰামৰ্শ দি যিসকল বন্ধু-বান্ধৱীয়ে সমাজ সেৱা সম্পাদকৰ পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ উন্নয়নমূলক কাম কৰিবলৈ সহায়-সহযোগিতা আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰিলোঁ। বিশেষকৈ মোক সকলো দিশতে সহায়-সহযোগ আগবঢ়োৱা আৰু দিনে-ৰাতিয়ে কষ্ট কৰা মোৰ বন্ধু বা বান্ধৱী মইনুল হক, জিয়াউল হক, শ্বাজাহান আলী আৰু নুৰেদা বেগম। ইয়াৰ বাহিৰেও আন কেইগৰাকীমান মোৰ বন্ধু বা সহপাঠী মুনচেৰ হেলাল, খাইৰুল ইছলাম, ইক্ৰামুল হক, জালালউদ্দিন, শ্বহীদুল ইছলাম, ইফতিকাৰ, বাশ্বাৰ আলী, আউৱাল, নুৰ আমিন, ওৱাইদ কাৰণী, আব্দুল কালাম আজাদ, মৰ্তুজা বেগম, আনোৱাৰা বেগম, শ্বৰীফা বেগম, নুৰ আমিনা আলী আহমেদ, আমিৰ আলী, আইনুল হকৰ লগতে অন্যান্য বন্ধুবৰ্গলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত সুপৰামৰ্শ দিয়া আমাৰ ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰি মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ বাৰ্ষিক প্ৰতিবেদনৰ অন্তিম ৰেখা টানিলোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

**শ্ৰদ্ধাৰে—**
**আছৰ আলী**
**সম্পাদক**
**সমাজ সেৱা বিভাগ**
**খাৰুপেটীয়া মহাবিদ্যালয়।**

## সাংস্কৃতিক বিভাগ



সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে আমাক স্বাধীন দেশৰ নাগৰিক হিচাপে পৰিচয় দিয়াবলৈ সক্ষম কৰোৱা পুণ্যাত্মা সকললৈ মোৰ সহস্ৰ প্ৰণাম নিবেদিছোঁ। মোৰ প্ৰিয় বন্ধু-বান্ধৱী সকলৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰাৰ উপৰিও যি সকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত মই খাৰুপেটীয়া মহাবিদ্যালয়ত ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাপে মনোনীত হৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সেৱাতব্ৰতী হবলৈ যি মহান সুযোগ লাভ কৰিলো তাৰ বাবে মই হিয়াভৰা ধন্যবাদ ও কৃতজ্ঞতা জনাই মই মোৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদনৰ পাতনি মেলিলো। বিগত নিৰ্বাচনত ০৯-১০-২০১৩ তাৰিখে মোক সাংস্কৃতিক সম্পাদকৰ পদত মনোনীত কৰা হৈছিল আৰু যোৱা ইং ০৯-১১-২০১৩ তাৰিখে শপত বাক্য পাঠ কৰাই অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱে মোৰ হাতত অৰ্পণ কৰিছিল এক গুৰুত্বপূৰ্ণ দায়িত্ব। সাংস্কৃতিক বিভাগত মাননীয় তত্বাৱধায়ক মহোদয়ৰ পৰা বহুতো ধৰণৰ সু-পৰামৰ্শ তথা সহায়-সহযোগিতা পাইছো। লগতে শিক্ষাগুৰু সকলৰ পৰাও সদায় সু-পৰামৰ্শ পাইছো। কলা আৰু জীৱনৰ গভীৰ ভাবে সংপৃক্ত জীৱনৰ অসহায়তা, অক্ষমতা কিম্বা, আশা-নিৰাশাৰ পূৰ্ণ প্ৰকাশ ঘটে কলাৰ মাজেৰে। সংগীত এবিধ শ্ৰৱণীয় কলা। আপাততঃ কলা আৰু জীৱন গভীৰ ভাবে একাত্ম যেন বোধ হলেও মূলতঃ কলা আৰু জীৱনৰ মাজত এডাল নেদেখা সীমাৰেখা বিৰাজমান।

"গীতম বাদ্যম তথা নৃত্যম এয়ম, সংগীত মূচ্যতে" অৰ্থাৎ গীত বাদ্য আৰু নৃত্য তিনিও কলাৰ এক সংমিশ্ৰিত ৰূপকে সংগীত বুলি কোৱা হয়।

পৰম্পৰাগত ভাবে চলি অহা মহাবিদ্যালয়ৰ সপ্তাহ যোৱা ইং ২৭/০১/২০১৪ তাৰিখৰ পৰা ইং ৩১/০১/২০১৪ তাৰিখলৈ অনুষ্ঠিত হয়। উক্ত মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। বিশেষকৈ সংগীতৰ প্ৰতিযোগিতাত কেৰাত, জিকিৰ, গজল, ভজন, আধুনিক গীত, লোকগীত, জ্যোতি সংগীত, বিষ্ণুৰাভা সংগীত, ভূপেন হাজৰিকাৰ গীত, পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত, জয়ন্ত হাজৰিকাৰ গীত, বিয়ানাম, বিহুগীত, আধুনিক নৃত্য, কাৱালী আদি সুচাৰুৰূপে সম্পন্ন হয় আৰু বিশেষ ভাবে আকৰ্ষণীয় আছিল একাংকিকা নাটক প্ৰতিযোগিতা। ৩১-০১-২০১৪ তাৰিখে এখন সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰণ কৰি অনা অসমৰ জনপ্ৰিয় গায়ক বুলবুল হুছেইনে বিভিন্ন ধৰণৰ গীত-মাত, জিকিৰ আদি পৰিবেশন কৰি সকলোকে আপ্লুত কৰে আৰু আনন্দপূৰ্ণ এই অনুষ্ঠানৰ সন্ধিয়া ৬ বজাত অন্ত পৰে।

মই অতিকৈ গৌৰৱ অনুভৱ কৰোঁ যে, খাৰুপেটীয়া মহাবিদ্যালয়ত এই বাৰ প্ৰতিটো প্ৰতিযোগিতাৰ প্ৰতিযোগীৰ সংখ্যা তুলনামূলক ভাবে বেছি হৈছিল। এয়া আমাৰ মহাবিদ্যালয়ৰ বাবে এক শুভ লক্ষণ।

সাংস্কৃতিক প্ৰতিযোগিতা সমূহ চলাই অহা অৱস্থাত মোৰ অনুভৱ ব্যক্ত কৰি কওঁ যে সমাজৰ বিভীষিকা, নানান অস্থিৰতাৰ মাজতো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সুন্দৰৰ আৰাধনাত ব্ৰতী হৈছে। মই ভাবো এই কথাটোৱেই পৰম আনন্দৰ। মই কামনা কৰোঁ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ই সদায় প্ৰেৰণা হৈ ৰ'ব।

সংস্কৃতি অবিহনে এটা জাতিৰ অস্তিত্ব নিৰূপণ কৰা সম্ভৱ নহয়। সংগীতে মানুহক দিব পাৰে এক অনাবিল আনন্দ, জীয়াই থকাৰ প্ৰেৰণা। সেয়েহে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সংগীত সাধনাত ব্ৰতী হৈ থকাটো মই সদায় কামনা কৰোঁ।

ইং ২৭/১২/২০১৩ তাৰিখত মোৰ কাৰ্যকালত অসম সাহিত্য সভাৰ প্ৰতিষ্ঠাৰ ৯৬ তম বৰ্ষপূৰ্তি উপলক্ষে মঙলদৈত "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক গীতটো পৰিবেশন কৰিবলৈ খাৰুপেটীয়া মিলনজ্যোতি সাহিত্য সভা আৰু আমাৰ মহাবিদ্যালয়ৰ পৰা ৩০ জনী ছাত্ৰীৰ দল এটা লৈ যোৱা হয় আৰু উক্ত গীতটিৰ পৰিবেশনত সহযোগিতা আগবঢ়োৱা হয়। ইং ১০/০৩/২০১৪ তাৰিখত "চিৰ চেনেহী মোৰ ভাষা জননী" গীতটো গোৱা ছাত্ৰী সকলক এখনকৈ মানপত্ৰ প্ৰদান কৰা হয়।

০৪-০২-২০১৪ তাৰিখত আমাৰ মহাবিদ্যালয়ত সৰস্বতী পূজা পালন কৰা হয়। তাৰ লগতে সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হয়। এই অনুষ্ঠানত বিভিন্ন ধৰণৰ গীত-মাত, নৃত্য, অভিনয় আদি কৰা হয়।

মোৰ কাৰ্যকালত সাংস্কৃতিক বিভাগৰ যিবোৰ পুৰণি বাদ্যযন্ত্ৰ আছিল সেইবোৰ নতুনকৈ মেৰামতি কৰা হয়। আৰু নতুনকৈ বিভিন্ন ধৰণৰ বাদ্যযন্ত্ৰ কিনা হয়। নতুনকৈ কিনি অনা বাদ্যযন্ত্ৰবোৰ হ'ল - গিটাৰ এখন, আহুজা মাইক ষ্টেণ্ড দুটা, আহুজা মাইক

স্পীকাৰ দুটা, তবলাৰ বিৰিয়া দুটা, গিটাৰ টিউনাৰ এটা, ছিংগাৰ ষ্টেণ্ড দুটা আৰু গিটাৰ কভাৰ আদি।

যোৱা ইং ১৬-০৯-২০১৪ তাৰিখে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। আদৰণি সভাৰ অন্তৰ্গত মুকলি সভা শেষ হোৱাৰ লগে লগে ২ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান আৰম্ভ কৰা হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উলহ-মালহেৰে বিভিন্ন ধৰণৰ গীত-মাত পৰিৱেশন কৰে। তাৰ লগে লগে মঞ্চত বিশেষ আকৰ্ষণীয় একাংকিকা নাটক আৰম্ভ কৰা হয়। নাটক শেষ হোৱাৰ লগে লগে সন্ধিয়া ৬ বজাত সাংস্কৃতিক অনুষ্ঠানৰ অন্ত পৰে।

মোৰ কাৰ্যকালত প্ৰতিটো খোজতে মোক অনুপ্ৰাণিত কৰা সংগীত আৰু সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক শ্ৰদ্ধাৰ শ্ৰীজীৱেন্দ্ৰ মোহন শৰ্মা ছাৰলৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে কাৰ্যকৰী সভানেত্ৰী কনকলতা শইকীয়া বাইদেউ অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱ আৰু আমাৰ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক খন্দকাৰ দেলোৱাৰ হুছেইন দেৱলৈ মোৰ আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু বিভাগীয় তত্বাৱধায়ক বন্ধু-বান্ধৱীৰ মোক সকলো দিশতে সহযোগ আগবঢ়োৱা কেইজন হ'ল - ছৈয়দা তাহমিনা আনছাৰী (মাকুনী-স্নাতক তৃতীয় বৰ্ষ), তাকালিমা বেগম (স্নাতক তৃতীয় বৰ্ষ), আইজনী (স্নাতক তৃতীয় বৰ্ষ), মাছুমা বেগম (স্নাতক প্ৰথম বৰ্ষ), ইয়াছমিনা বেগম (স্নাতক প্ৰথম বৰ্ষ), ছাবিনা বেগম (স্নাতক দ্বিতীয় বৰ্ষ), মুক্তাৰুল হুছেইন, আহমত মিঞা, নৌছাদ আলি, ছিৰাজ কাকা, জাকিৰ হুছেইন, মোজাম্মিল হক, ইনামুল হক, আজিমা বেগম, নাজিমা বেগম, আমিৰ আলি মামা, খৈবৰ আৰু খাৰুপেটীয়া মহাবিদ্যালয়ৰ মোৰ শুভাকাংক্ষী সকললৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ বাৰ্ষিক প্ৰতিবেদনৰ সামৰণিত আলোচনী সম্পাদক মঃ ছাদ্দাম হুছেইন আৰু সম্পাদনা সমিতিৰ সমূহ সদস্য তথা বিষয়ববীয়ালৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা ও শুভেচ্ছা জ্ঞাপন কৰিলোঁ। লগতে মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিবোৰৰ বাবে মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ত সংগীত তথা সু-সংস্কৃতিৰ এক জয়যাত্ৰা সদায় অব্যাহত থাকক এই আন্তৰিক কামনাৰে মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয় আই অসম

শ্ৰদ্ধাৰে—

**মোবাৰক আলী পাঠান**

**সম্পাদক**

**সাংস্কৃতিক বিভাগ**

**খাৰুপেটীয়া মহাবিদ্যালয়।**

# ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



জয়জয়তে পৰম কৰুণাময় আল্লাহৰ নাম স্মৰণ কৰি মই ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন লিখনিৰ পাতনি মেলিলো। প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল জাতীয় বীৰে দেশৰ স্বাৰ্থৰ বাবে নিজৰ প্ৰাণ আহুতি দিলে সেই সকল মহান ব্যক্তিলৈ মোৰ প্ৰণাম যাচিলোঁ।

এই মহান মহাবিদ্যালয়খনিত ছাত্ৰী জিৰণি কোঠা বিভাগৰ সম্পাদিকাৰ দৰে এটি গুৰুত্বপূৰ্ণ পদত যিসকলে মোক সেৱা কৰাৰ সুবিধাকণ দিলে তাৰ বাবে সকলো দাদা-বাইদেউলৈ মই চিৰ কৃতজ্ঞ।

আমাৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ আছিল মহাবিদ্যালয় সপ্তাহ। খেল-ধেমালিয়ে শিক্ষাৰ মানসিক, কায়িক আৰু আধ্যাত্মিক দিশত প্ৰভুত বৰঙণি যোগায়। মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণী কোঠাৰ তৰফৰ পৰা চিত্ৰাংকন প্ৰতিযোগিতা, জেতুকা বোলোৱা প্ৰতিযোগিতা, কইনা প্ৰতিযোগিতা আদি খেলসমূহ অনুষ্ঠিত কৰা হয়।

ছাত্ৰী জিৰণি কোঠাৰ প্ৰয়োজনীয় সা-সৰঞ্জাম খেলৰ সামগ্ৰী সমূহ ভালদৰে সংৰক্ষণ কৰি ৰাখিব নোৱাৰি বাবে প্ৰতি বছৰে বিভিন্ন সামগ্ৰী ক্ৰয় কৰিব লগা হয়। সেয়েহে পৰৱৰ্তী সম্পাদিকালৈ মোৰ অনুৰোধ তেওঁলোকে যেন সেইবোৰ সংৰক্ষণৰ প্ৰতি বিশেষ ভাবে চকু দিয়ে।

ছাত্ৰী জিৰণি কোঠাৰ বাবে বহা আৱামী চকী, ঘড়ী, গিলাচ, তাৱেল, কেৰমবৰ্ড, কেৰম বৰ্ডৰ গুটি, লুডু, ডাঙৰ আলমাৰী, দাপোণ আদি বহু ক্ৰয় কৰিছিলো। মোৰ কাৰ্যকালত যিবিলাক অভাৱ পূৰণ কৰিব পৰা নাই আশা কৰিছো পৰৱৰ্তী সম্পাদিকালৈ সেইবোৰ পূৰণ হব।

মোৰ এবছৰীয়া কাৰ্যকালত প্ৰতিটো দিশৰে পৰা সহায়-সহযোগিতা কৰা তত্বাৱধায়িকা মাননীয়া জাহিদা চুলতানা (বাইদেউ) আৰু লগতে মোবাৰক আলি, আদৰ আলি, বাবুল আলি, জাকিৰ, মুস্তাফিজুৰ, ছৈয়দ, লালমিঞা, জাকিৰ, ছাদ্দাম হুছেইন, আবুল, আবুৰুফ, শ্বাহিন, মহিৰুল, মোক্তাৰ, মিছ ৰেজিনা পাৰবিন, ৰেশমাতুন নাহাৰ, আকতাৰা পাৰবিন, মুনু, মমতাজ, নুৰেদা ছাবিনা, জাহানাৰা সমন্বিতে মোৰ সকলো দাদা বাইদেউ ভাইটি-ভন্টি সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মানুহ মাত্ৰেই ভুল হয়। মোৰ কাৰ্যকালৰ ভিতৰত যিবিলাক ভুল কৰিছো সেইসকলো ভুলৰ বাবে মই আপোনালোকৰ ওচৰত ক্ষমা মাগিছো আৰু অনাগত দিনবোৰত আপোনালোকৰ আশীৰ্বাদ বিচাৰিছো। সদৌ শেষত মহাবিদ্যালয়ৰ উন্নতি কামনা তথা পৰম কৰুণাময় আল্লাহৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়

জয়তু ছাত্ৰ একতা সভা

জয় আই অসম

শ্ৰদ্ধাৰে—

**ইয়াচমিনাৰা পাৰবিন**

**সম্পাদিকা**

**ছাত্ৰী জিৰণি কোঠা।**

# ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়জয়তে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ নাম স্মৰণ কৰি মোৰ বছৰেকীয়া প্ৰতিবেদন আৰম্ভ কৰিলোঁ। মোৰ এই প্ৰতিবেদন আৰম্ভ কৰাৰ আগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে ছাত্ৰ জিৰণি কোঠা সম্পাদক হিচাপে সেৱা কৰিবলৈ সুবিধা দিলে সেই সকললৈ মই আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো আৰু যিসকল মহান ব্যক্তিৰ মহৎ চিন্তাৰ ফলত এই খাৰুপেটীয়া মহাবিদ্যালয় গঢ়ি উঠিছিল তেখেত সকললৈ মোৰ হিয়া ভৰা শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ আৰু মোৰ বাৰ্ষিক প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

২০১৩-১৪ চনৰ খাৰুপেটীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ বাবে ২০১৩ চনৰ অক্টোবৰ মাহৰ ৯ তাৰিখে সাধাৰণ নিৰ্বাচন হয়। উক্ত নিৰ্বাচনত মই ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ পদত নিৰ্বাচিত হওঁ। ২০১৩ চনৰ অক্টোবৰ মাহৰ ৯ তাৰিখে পৰম কৰুণাময় সৃষ্টিকৰ্তাৰ নামত শপত লৈ কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ দায়িত্ব অতি গুৰুত্বপূৰ্ণ। মই কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়ৰ উক্ত বিভাগৰ মানদণ্ড কিমান দূৰ ৰক্ষা কৰিব পাৰিছো আপোনালোকৰ বিচাৰ্যৰ বিষয়। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই অন্যান্য বছৰৰ দৰে এই বছৰতো ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা, ফাতিহা-ই-দোৱাজ দহমৰ লগতে গণতন্ত্ৰ দিৱস, স্বাধীনতা দিৱস আৰু ছাত্ৰ একতা সভাৰ সক্ৰিয় সহযোগিতাত ২০১৪ চনৰ ছেপ্তেম্বৰ মাহৰ ১৬ তাৰিখে নৱাগত আদৰণী সভা অনুষ্ঠিত কৰা হয়।

মই সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পিছতে ছাত্ৰ জিৰণি, কোঠাৰ নানা সমস্যাৰ সন্মুখীন হওঁ। আমাৰ খাৰুপেটীয়া মহাবিদ্যালয়ত নামতহে ছাত্ৰ জিৰণি কোঠা আছে। কিন্তু মহাবিদ্যালয়ত যি এটা জিৰণি কোঠা আছে সেয়াও যথেষ্ট কম পৰিসৰৰ আৰু ছাত্ৰ অনুপাতে যথেষ্ট আহল-বহল নহয়।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত যদিও এটা ছাত্ৰ জিৰণি কোঠা পাওঁ সেয়াও সা-সজুলিৰে পূৰ্ণাঙ্গ

নহয়। সেইবোৰ সমস্যা মই ক্ৰমান্বয়ে পূৰণ কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালত এটা গড্ৰেজ আলমাৰী, এযোৰ ডেক্স-বেন্স, দুটা দেৱাল ঘড়ী, দুটা জগ,পাঁচটা গিলাচ, বাৰখন ফণী, এখন কেৰম ষ্টেন্ড, এখন ডাঙৰ কেৰম বৰ্ড, দহখন চেচ্, দহখন লুড্ডু, চাৰিটা বাল্টি ইত্যাদি যোগান ধৰো। মোৰ কাৰ্যকালতে বিদ্যুতৰ মেৰামতি, খিৰিকী-দৰ্জা মেৰামতি, ছাত্ৰ জিৰণি কোঠা, শৌচাগাৰ মেৰামতি আৰু ৰং কৰা হয়। আৰু মোৰ কাৰ্যকালতে খাৰুপেটীয়া মহাবিদ্যালয়ত মিটিং কৰাৰ বাবে কনফাৰেন্স হল, ইন্ডোৰ ষ্টেডিয়াম মহাবিদ্যালয়ৰ চাৰিওফালে বাউণ্ডাৰী ওৱাল সম্পূৰ্ণ কৰা হয়। মোৰ কাৰ্যকালতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ দক্ষিণ ফালে নতুন ৰাস্তা নিৰ্মাণ কৰা হয়। মহাবিদ্যালয় কেন্টিনৰ দুয়োকাষে থকা খালবোৰ সম্পূৰ্ণৰূপে পূৰ কৰা হয়। মোৰ কাৰ্যকালতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ কাৰ্যালয় সম্পূৰ্ণ কৰা হয়। মোৰ কাৰ্যকালতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ চাৰিওফালে থকা বাউণ্ডাৰী ওৱাল ৰং কৰা হয় আৰু মহাবিদ্যালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ মাজে মাজে গেট দিয়া কাম সম্পূৰ্ণ কৰা হয়। মোৰ কাৰ্যকালতে খাৰুপেটীয়া মহাবিদ্যালয়ৰ চৌহদত থকা শ্বহীদ বেদীৰ কাম সম্পূৰ্ণ কৰা হয়। মোৰ কাৰ্যকালতে ছাত্ৰ-ছাত্ৰীয়ে ক্লাছ কৰিবলৈ নতুনকৈ টি.আৰ-১ আৰু টি.আৰ.-২ দুটা শ্ৰেণী কোঠাৰ কাম সম্পূৰ্ণ কৰা হয়। মোৰ কাৰ্যকালতে ছাত্ৰ-ছাত্ৰীৰ জিৰণিৰ লবলৈ পকী বেঞ্চসমূহ নিৰ্মাণ কৰি দিয়া হয়।

আমাৰ খাৰুপেটীয়া মহাবিদ্যা-লয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সা-সজুঁলিৰ বহুত অভাৱ আছে তাৰে ভিতৰত দমকল আৰু খেলৰ কিছুমান সামগ্ৰী ইত্যাদি। মোৰ কাৰ্যকালত সততে দিহা-পৰামৰ্শ দি কাৰ্য পৰিচালনাত সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত বুদ্ধিন চন্দ্ৰ হাজৰিকা ছাৰ তথা ছাত্ৰ জিৰণি কোঠাৰ তত্বাৱধায়ক মাননীয় মঃ হবিবুৰ ৰহমান ছাৰ প্ৰমুখ্যে মহাবিদ্যালয়ৰ সকলো শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। মোৰ খৰুপেটীয়া মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ সোঁ-হাতস্বৰূপে সহায় আগবঢ়াইছিল সেইসকল ছানিদুল ইছলাম, আনাৰ আলি, ছালাউদ্দিন আহমেদ, বাহাৰুল ইছলাম, মঃ শ্বাহিয়াল ইমৰান, আঃ মতলিপ, মঃ মালেক আলি, মঃ আহাদ আলি, মঃ ওৱাহিদুৰ ৰহমান, মঃ শ্বহিদুল ইছলাম, মঃ জাইদুল ইছলাম, তাছলিমা খাতুন, মঃ অৱাইদুল্লা, ইয়াছমিনাৰা পাৰবিন, ছাবিনা ইয়াছমিন, মান্নাছ আলি, মঃ আলেপ আলি, মঃ হাবিজুৰ ৰহমান, বিনয় আমিন, মঃ মইনুদ্দিন আহেমদ, মঃ ওমৰ ফাৰুক, আছুৰা পাৰবিন, মঃ ইশ্ৰাফিল, মঃ নুৰ ইছলাম, বনিজ ইশ্ৰাফিল, হাশিমা খাতুন, হালিমা খাতুন, মঞ্জোৱাৰা, মঃ ছাইদুল ইছলাম, জমছেদ আলি, ছাহিদ, মহিজল হক, খাইৰুল ইছলাম, ৰেজিনা পাৰবিন, মঃ শ্বাজাহান, মঃ ইক্ৰামুল হক, মঃ ৰফিক আলি, মঃ আজাহাৰ আলি, মঃ ইব্ৰাহীম আলি, মঃ জুলহাসৰ সৰদাৰ, মজিবুৰ ৰহমান, শ্বাজাহাত আলি, আইনাল হক, আবু হান্নান, শ্বহৰ ভানু, আলী হুছেইন আটাইকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত মোৰ বাৰ্ষিক প্ৰতিবেদনৰ বিদায় মুহূৰ্তত আলোচনী সম্পাদক ছাদ্দাম হুছেইন আৰু সম্পাদনা সমিতিক ধন্যবাদ জ্ঞাপন কৰিছো লগতে মোৰ কাৰ্যকালত হোৱা ভুল ক্ৰুটিবোৰৰ ক্ষমা-মাৰ্জনা বিচাৰি খাৰুপেটীয়া মহাবিদ্যালয়ৰ ভৱিষ্যৎ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰিণ মাৰিলো।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

শ্ৰদ্ধাৰে—
ইয়াছিন আলী, সম্পাদক
ছাত্ৰ জিৰণি কোঠা।

## তৰ্ক আৰু বক্তৃতা বিভাগৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে পৰম কৰুণাময় আল্লাহ পাকৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰি যি সকল ব্যক্তিয়ে নিজ স্বাৰ্থ ত্যাগ কৰি এই পিছপৰা অঞ্চলত এখন মহাবিদ্যালয় প্ৰতিষ্ঠা কৰিলে তেখেত সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনাই মই মোৰ বছৰেকীয়া তৰ্ক আৰু বক্তৃতা বিভাগৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনি



মেলিলোঁ। ইং ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভালৈ তৰ্ক আৰু বক্তৃতা এই গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোলৈ প্ৰদান কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তৰ্ক আৰু বক্তৃতা বিভাগটি ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে কিমান প্ৰয়োজনীয় তাক বৰ্ণনা কৰাৰ কোনো প্ৰয়োজন নাই। আজিৰ সমাজৰ প্ৰতিটো দিশতে সুস্থিৰ ভাবে আগুৱাই যাবলৈ হলে আমাৰ যুক্তিপূৰ্ণ মনোবল আৰু সাফল্যময় পৰিবেশৰ প্ৰয়োজন। এই বিভাগটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক বিকাশ সাধন হয়।

মহাবিদ্যালয়ৰ ২০১৩-১৪ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মই তৰ্ক আৰু বক্তৃতা বিভাগৰ পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰিছিলো। এই নিৰ্বাচনত মই জয়ী হৈ পৰম কৰুণাময় আল্লাহৰ নামত শপত গ্ৰহণ কৰি মোৰ কাৰ্যভাৰ গ্ৰহণ কৰি উক্ত বিভাগটো নিয়াৰিকৈ চলাই যাবলৈ সংকল্পবদ্ধ হওঁ।

মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ত ২০১৩-১৪ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মই মোৰ বিভাগৰ জৰিয়তে তৰ্ক, কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰিছিলো।

মোৰ কাৰ্যকালত হোৱা প্ৰতিযোগিতাৰ ফলাফল সমূহ তলত দিয়া হ'ল —

মহাবিদ্যালয় সপ্তাহ ২০১৩-১৪
তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঃ
১ম স্থান ঃ ফৰিদুল হুছেইন (B.Com.2nd Sem.)
২য় স্থান ঃ হানিফ আলী (B.Com.2nd Sem.)
৩য় স্থান ঃ মফিদুল ইছলাম খলিফা (B.A.2nd Sem.)

কুইজ প্ৰতিযোগিতাৰ ফলাফল ঃ
১ম স্থান ঃ হাবেজ আলী (B.A.4th. Sem.)
১ম স্থান ঃ ইউছুপ আলী (B.A.4th. Sem.)
১ম স্থান ঃ আকল জাবেৰ (H.S.2nd Sem. Year)
২য় স্থান ঃ ছাদ্দাম হুছেইন (B.A.6th. Sem.)
২য় স্থান ঃ আমিৰ হুছেইন (B.A.6th. Sem.)
২য় স্থান ঃ আব্দুল্লা আলমামেন (B.A.6th. Sem.)

আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ ফলাফল ঃ
১ম স্থান ঃ আব্দুল্লা আল মামেন (B.A.6th. Sem.)
২য় স্থান ঃ ফৰিদুল হুছেইন (B.Com.2nd Sem.)
৩য় স্থান ঃ হানিফ আলী (B.Com.2nd Sem.)

মোৰ কাৰ্যকালতে যোৱা ইং ১৮/০৯/২০১৪ তাৰিখে খাৰুপেটীয়া মহাবিদ্যালয়ৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ উদ্যোগত দৰং জিলা ভিত্তিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। তৰ্কৰ বিষয় আছিল
সদনৰ মতে ঃ "ইন্টাৰনেটৰ সহজ লভ্য ব্যৱহাৰে যুৱ প্ৰজন্মৰ মাজত অপৰাধমূলক কৰ্মত উদ্‌গনি যোগাইছে"।

আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ ফলাফল ঃ
১ম স্থান ঃ জেৰুলিনা হাফিজ (ছিপাঝাৰ মহাবিদ্যালয়)
২য় স্থান ঃ বিক্ৰমজিৎ কলিতা (ছিপাঝাৰ মহাবিদ্যালয়)
৩য় স্থান ঃ মফিদুল ইছলাম খলিফা (খাৰুপেটীয়া মহাবিদ্যালয়)

মোৰ কাৰ্যকালত প্ৰতিটো খোজতে দিহা-পৰামৰ্শ আৰু সহায়ৰ হাত আগবঢ়োৱা মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকাদেৱ ছাৰ, ছাত্ৰ একতা সভাৰ মাননীয় কাৰ্যকৰী সভানেত্ৰী কনকলতা শইকীয়া বাইদেউ, মাননীয় তৰ্ক আৰু বক্তৃতা বিভাগৰ তত্বাৱধায়ক জাকিৰ হুছেইন চৌধুৰী ছাৰলৈ মোৰ আন্তৰিক অভিনন্দন আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

লগতে মই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাব বিচাৰিছো মোৰ বন্ধু-বান্ধৱীসকল ক্ৰমে- ইলিজা বেগম, মেজাম্মেল হক, সাশ্বেম উদ্দিন, জেহেৰুল হক, দুলাল হক, দিলমামুদ, মেহেদী আলম, ছাহাৰা (ভিন্টি), মাহাবুবুল আলম (বাবুমণি), ইমান আলী, পাৰবিনা (ভন্টি), নিলিমা (ভন্টি), আজগৰ আলী, নবী হুছেইন, সাবৰ আলী, ইব্ৰাহীম (খুৰা), ফৰিজুল হক, হানিফ আলী, ৰুবেল, আমিনুল হক, ছামছুল হক, ছুৰজামালা, দিলবাহাৰ, নাজিমা (ভন্টি), মাজনী, মুজাফৰ, দুলাল হক, জহৰুল ইছলাম।

সদৌ শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে হোৱা ভুল ত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ কৰ্মকৰ্তাৰ পৰা ক্ষমা বিচাৰি আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

জয়তু খাৰুপেটীয়া মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা
জয় আই অসম

শ্ৰদ্ধাৰে—
মঃ বাবুল হুছেইন
সম্পাদক
তৰ্ক আৰু বক্তৃতা বিভাগ
খাৰুপেটীয়া মহাবিদ্যালয়।

## List of Principals Kharupetia College

| Sl. No. | Name of the Principals | From | To |
|---|---|---|---|
| 1. | B.M Hamidur Rahman, M.A, LLB | 01-01-1981 | 20-07-1997 |
| 2. | Nazir Hussain Sarkar, M.A | 20-07-1997 | 03-11-1997 |
| 3. | Abdul Karim, M.A, B.Ed | 03-11-1997 | 31-12-1999 |
| 4. | Jalal uddin Ahmed, M.A | 01-01-2000 | 10-09-2002 |
| 5. | B.M Hamidur Rahman, M.A, LLB | 10-09-2002 | 30-04-2005 |
| 6. | Asmanara Begum, M.A | 30-04-2005 | 19-05-2005 |
| 7. | Dr. Khargeswar Deka, M.Com,B.Ed,Ph.D | 19-05-2005 | 10-09-2007 |
| 8. | Dr. Nurul Islam, M.A, B.Ed.,M.Phil, Ph.D | 10-09-2007 | 25-11-2010 |
| 9. | Shri Deepak Kalita, M.A | 25-11-2010 | 18-01-2012 |
| 10. | Dr. Buddhin Ch. Hazarika, M.Sc, B.Ed., Ph.D | 18-01-2012 | -- |

## List of Teachers In-charge and Editors Kharupetia College Magazine Year wise

| Sl. No. | Year of Publication | Name of In-charge | Name of Editors |
|---|---|---|---|
| 1st | 1999 | Nurul Islam | Kajimuddin Ahmed |
| 2nd | 2000-01 | Nurul Islam | Amzad Ali |
| 3rd | 2005-06 | Nurul Islam | Ruhul Amin |
| 4th | 2007-2008<br>2008-2009 | Abdul Awal | Mahidul Islam |
| 5th | 2009-10 | Dr. Parimal K Dutta | Rafiqul Islam Khan |
| 6th | 2011-12 | Jalal uddin Ahmed | Akram Hussain |
| 7th | 2012-13 | Abdul Awal | Mazidul Hoque |
| 8th | 2013-2014 | Jalal uddin Ahmed | Saddam Hussain |



## শুধৰণি পৃষ্ঠা

| পৃষ্ঠা নং | ছপা হৈছে | ছপা হ'ব লাগে |
|---|---|---|
| ২ | হৈছে | গৈছে |
| ১৪ | লিখা | লেখা |
| ১৬ | ছাত্ৰই | ছাত্ৰ |
| ১৭ | খণ্ডকাৰ | খন্দকাৰ |
| ৩৪ | আৰম্ভণী | আৰম্ভণি |
| ৪৯ | Tution | Tuition |
| ৫৫ | অচিনীকি | অচিনাকি |
| ৫৯ | ফুৰিছো | ফুৰিছে |
| ৬০ | মান | (Delete) |
| ৬০ | সাহার্য্য | সাহায্য |
| ৬৪ | পুণর্জন্ম | পুনঃজন্ম |
| ১০৫ | অক্টোবৰ | নৱেম্বৰ |
| ১১০ | ৰাজনীতি বিভাগ | ৰাজনীতি বিজ্ঞান বিভাগ |
| ১১০ | ৰাজনীতি বিভাগ | ৰাজনীতি বিজ্ঞান বিভাগ |
| ১১০ | অধ্যাক | অধ্যাপক |
| ১১০ | অধ্যাক | অধ্যাপক |
| ১১০ | বাসাক | বাসাৰ |
| ১১০ | সহকাৰী | সহযোগী |
| ১১০ | অধ্যাক | অধ্যাপক |

## মহাবিদ্যালয়ৰ গৌৰৱ — স্নাতক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকল (২০১৩-২০১৪)



Ibrahim Ali
(Major- Arabic)



Manjuwara Begum
(Major- Economics)



Saddam Hussain
(Major- Economics)



Amir Hussain
(Major- Economics)



S. Ashrafun Nahar
(Major- P.Science)



Aminul Hoque
(Major- Education)



Nasrin Akhtara
(Major- Education)



Mirjina Begum
(Major- Education)



D I Oliullah Pramanik
(Major- Assamese)

## মহাবিদ্যালয়ৰ গৌৰৱ — উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰী সকল (২০১৩-২০১৪)



Abu Bakkar Siddique



Nurada Begum



Wais Karni



Kalimullah Ahmed

Without Photograph: Wasqurani, Iftika Jahan Alam

## মহাবিদ্যালয়ৰ গৌৰৱ — মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠ প্ৰতিযোগী সকল (২০১৩-১৪)



Manik Ali
Best Player (Boys)



Narjima Begum
Best Player (Girls)



D I Oliullah Pramanik
Best Volley ball Player

Without Photograph: Inzamamul Hoque(Best Cricket Player), Hamidur Rahman (Best Foot Ball Player)

## আলোকচিত্ৰত মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষৰ সৈতে শিক্ষক-শিক্ষয়িত্ৰীসকল —



বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ কনকলতা শইকীয়া (মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ), আব্দুল ওৱাহেদ (সহঃ অধ্যাপক, ৰাজিনীতি বিভাগ (অমঞ্জু
ৰীকৃত), আব্দুল হান্নান (সহযোগী অধ্যাপক বুৰঞ্জী বিভাগ), ছিকদাৰ আনোৱাৰুল ইছলাম (মুৰব্বী অধ্যাপক, হিন্দী বিভাগ), আব্দুল কৰিম (মুৰব্বী
অধ্যাপক, বুৰঞ্জী বিভাগ), আব্দুৰ ৰহমান (মুৰব্বী অধ্যাপক, গণিত বিভাগ), ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা (অধ্যক্ষ), হবিবৰ ৰহমান (সহঃ অধ্যাপক, ৰাজ
নীতি বিজ্ঞান বিভাগ), ড০ পৰিমল কুমাৰ দত্ত (মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ), নাজিৰ হুছেইন সৰকাৰ (সহঃ অধ্যাপক, অসমীয়া বিভাগ),
ড০ নুৰুল ইছলাম (মুৰব্বী অধ্যাপক, ৰাজনীতি বিভাগ), ড০ আছমান আৰা বেগম (সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ)।

বাওঁফালৰ পৰা (থিয় হৈ) ক্ৰমে ঃ নীলক ৰাজবংশী (অংশকালীন প্ৰবক্তা, অসমীয়া বিভাগ) , জালালউদ্দিন আহমেদ (সহযোগী অধ্যা ক, বুৰঞ্জী
বিভাগ) ড০ আমজাদ হুছেইন মজুমদাৰ (সহঃ অধ্যাপক, শিক্ষা বিভাগ), মোস্তাফা নুৰ জামান (সহঃ অধ্যাপক, হিন্দী বিভাগ (অমঞ্জুৰীকৃত), ডঃ ৰুক
নউদ্দিন আহমেদ (সহঃ অধ্যাপক, ইংৰাজী বিভাগ (অমঞ্জুৰীকৃত), ড০ নুৰ জামান (মুৰব্বী অধ্যাপক, আৰবী বিভাগ), জাকিৰ হুছেইন চৌধুৰী (সহঃ
অধ্যাপক, দৰ্শন বিভাগ, আব্দুল আউৱাল (সহঃ অধ্যাপক, ইংৰাজী বিভাগ), জাবেৰ আহমেদ (সহঃ অধ্যাপক, আৰবী বিভাগ (অমঞ্জুৰীকৃত), আবুল
বাসাক আহমেদ (মুৰব্বী অধ্যাপক, শিক্ষা বিভাগ), আব্দুল আজিজ (সহঃ অধ্যাপক, বাণিজ্য বিভাগ (অমঞ্জুৰীকৃত), জাকিৰ হুছেইন আহমেদ (সহক
ৰী অধ্যা ক, আৰবী বিভাগ), ইমৰাণ আলী (সহযোগী অধ্যাপক, আৰবী বিভাগ), আব্দুৰ ৰহিম (মুৰব্বী অধ্যাপক ইংৰাজী বিভাগ), নৰেণ শৰ্মা (ই
ংৰাজী বিভাগ (অংশ কালীন প্ৰবক্তা), প্ৰণতি দত্ত (সহযোগী অধ্যাপিকা, দৰ্শন বিভাগ), অপৰাজিতা দেৱী (সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ), জ
াহিদা চুলতানা (সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ)।



অধ্যক্ষৰ সৈতে কৰ্মকৰ্তাসকল (বহি বাওঁফালৰ পৰা ক্ৰমে) ঃ ছামিজুৰ ৰহমান, ইছলামুদ্দিন আহমেদ, ওৱাহেদুদ আমান, খণ্ডকাৰ দিলোৱাৰ হুছেইন,
ডঃ বুদ্ধিন চন্দ্ৰ হাজৰিকা(অধ্যক্ষ) কনকলতা শইকীয়া (ভাৰপ্ৰাপ্ত উপাধ্যক্ষা), আবুবক্কৰ ছিদ্দিক, চফিকুল ইছলাম, চোৰহাব আলী, আব্দুল খালেক।
(থিয় হৈ বাওঁফালৰ পৰা ক্ৰমে) ঃ
ইব্ৰাহীম আলী, আব্দুছ ছামাদ খণ্ডকাৰ, কিনাল আলী, ৰেজাউল হক।



## তত্ত্বাৱধায়ক সকলৰ সৈতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল-



বাওঁফালৰ পৰা (বহি) ক্ৰমে ঃ জালালউদ্দিন আহমেদ (তত্ত্বাৱধায়ক, আলোচনী বিভাগ), জাকিৰ হুছেইন চৌধুৰী (তত্ত্বাৱধায়ক তৰ্ক আৰু বক্তৃতা
বিভাগ), আব্দুল হান্নান (তত্ত্বাৱধায়ক, ক্ৰীড়া বহিঃ বিভাগ), কনকলতা শইকীয়া (কাৰ্যকৰী সভানেত্ৰী), ড০ বুদ্ধিন চন্দ্ৰ হাজৰিকা (সভাপতি তথা
অধ্যক্ষ), হবিবুৰ ৰহমান (তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণীকোঠা), ড০ আমজাদ হুছেইন মজুমদাৰ (তত্ত্বাৱধায়ক, ক্ৰীড়া অন্তঃ বিভাগ), আব্দুৰ ৰহমান (তত্ত্বাৱধা
য়ক, সমাজ সেৱা বিভাগ), জীবেন্দ্ৰ মোহন দেৱ শৰ্মা (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), জাহিদা চুলতানা (তত্ত্বাৱধায়ক, ছাত্ৰী জিৰণী কোঠা)

বাওঁফালৰ পৰা (থিয় হৈ) ক্ৰমে ঃ আছৰ আলী (সম্পাদক, সমাজ সেৱা বিভাগ), ছাদ্দাম হুছেইন (সম্পাদক, আলোচনী বিভাগ) বাবুল হুছেইন (সম্পা
দক তৰ্ক আৰু বক্তৃতা বিভাগ), জাকিৰ হুছেইন (সহঃ সাধাৰণ সম্পাদক ), জিয়াউৰ ৰহমান (উপ-সভাপতি), আফজল হক (সাধাৰণ সম্পাদক), বাবুল
আলী (সম্পাদক, ক্ৰীড়া বহিঃ বিভাগ), ইয়াছিন আলী (সম্পাদক, ছাত্ৰ জিৰণী কোঠা), শ্বহৰ আলী (সম্পাদক, খেল অন্তঃ বিভাগ), মোবাৰক আলী
পাঠান (সম্পাদক, সাংস্কৃতিক বিভাগ), ইয়াছমিনাৰা পাৰবিন (সম্পাদিকা, ছাত্ৰী জিৰণী কোঠা)।



(বহি বাওঁফালৰ পৰা ক্ৰমে) ঃ আবু তালেব (গ্ৰন্থকাৰ বাহক), জীৱেন্দ্ৰ মোহন দেৱ শৰ্মা (গ্ৰন্থগাৰিক), শ্বাহ আলম (গ্ৰন্থাগাৰ সহায়ক (অমঞ্জুৰীকৃত),
অবীৰ আলী (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী (অমঞ্জুৰীকৃত)।

File Photo





Reading Room- Central Library





Girls Hostel



In-door Sports Complex



Girls Hostel Warden Residence



## মহাবিদ্যালয়ত ২০১৩-১৪ বৰ্ষত আয়োজিত বিভিন্ন কাৰ্যসূচীৰ কিছু আলোকচিত্ৰ–




আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ এটি মুহূৰ্ত



মহাবিদ্যালয় সপ্তাহৰ মুকলি ও বঁটা বিতৰণী সভাৰ এটি মুহূৰ্ত



ফাতেহা-ই-দোৱাজ দাহম উদ্‌যাপনৰ এটি মুহূৰ্ত



অধ্যক্ষ আৰু কাৰ্যকৰী সভানেত্ৰীৰ সৈতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল



শিক্ষক দিৱসৰ এটি মুহূৰ্ত



নবাগত আদৰণি সভাৰ এটি বিশেষ মুহূৰ্ত